

ugc
11022



दरभङ्ग राजवंशावली



145
AR

Rare book.

COMPUTERISED




nge
11022

RARE BOOK

স্যূর্যখড়ি দৈৱজ্ঞ বিৰচিত

দৰঙ ৰাজবংশাৱলী





দৰঙ ৰাজবংশাৱলী

[কবি বলদেৱ সূর্যখড়ি দৈৱজ্ঞ বিৰচিত]

NAME BOOK

শ্রীনবীনচন্দ্র শর্মা, এম. এ.
অধ্যাপক, প্রাগজ্যোতিষ কলেজ, গুৱাহাটী
সম্পাদিত

MANGALDAI COLLEGE LIBRARY
Accession No U-11022
Class No SHA
Book No

U11022
MANGALDAI COLLEGE CENTRAL LIBRARY

॥❀॥ বাণী প্রকাশ ॥❀॥
পাঠশালা ● গুৱাহাটী ● কলিকতা

প্রকাশক :
শ্রীঅম্বিকাপদ চৌধুরী
বাণী প্রকাশ
পাঠশালা
কামরূপ

পাণবজাব
গুৱাহাটী-১

১০ কৈলাস বোস ষ্ট্রীট
কলিকতা-৬

বেটুপাত :
শ্রীবিজয়কৃষ্ণ মণ্ডল

প্রথম প্রকাশ :
নবেম্বব ১৯৭৩

বেচ—পোন্ধব টকা মাথোন

ছপা : পূর্বোদয় প্রেছ
১০ কৈলাস বোস ষ্ট্রীট, কলিকতা-৬

আগকথা

'দবঙ্গ বাজবংশাৱলী' নামব ঐতিহাসিক কাব্যখন দবঙী বজা সমুদ্রনাবায়ণব নির্দেশানুক্রমে, মঙ্গলদৈ মহকুমাব অন্তর্গত বলদেৱপাবা গাঁওব বিখ্যাত কবি বলদেৱ সূর্যখড়ি দৈৱজ্ঞই, আনুমানিক খ্রীঃ ১৭৯৮ চনত বচনা কবিছিল। মূল গ্রন্থখনি দবঙী বজাব বংশধবসকলবদ্বাবা সংবক্ষিত হৈছিল। পুথিখনি সাঁচিপাতত লিখা আৰু ই চিত্র সম্বলিত। অসম চবকাবব পুবাতত্ত্ব বিভাগত সংবক্ষিত সাঁচিপাতত লিখা 'দবঙ্গ বাজবংশাৱলী'ব বাহিবেও আৰু দুই এখনি এনে ধবণব পুথি দবঙী বজাব বংশধব-সকলব হাতত এতিয়াও আছে। সেই কেইখনো অসম্পূর্ণাঙ্গ।

খ্রীঃ ১৯১৭ চনতে ৺পণ্ডিত হেমচন্দ্র গোস্বামীদেৱব সম্পাদনাত কলিকতাব বেপ্টিষ্ট মিছন প্রেছবপবা 'দবঙ্গ বাজবংশাৱলী' প্রথমবাবব বাবে ছপা হৈছিল। বর্তমান ছপা 'দবঙ্গ বাজবংশাৱলী' পাবলৈ নাই। ইয়াব পবিণতি স্বৰূপে পঢ়ুৱৈ, গবেষণাকাবী আদিব বিশেষ অসুবিধা হৈছে। এই অসুবিধালৈ লক্ষ্য কবি আমি 'দবঙ্গ বাজবংশাৱলী' নামব গ্রন্থখনি পুনব প্রকাশব ব্যবস্থা কবিলোঁ। অৱশ্যে এই ক্ষেত্রত মোব শিক্ষাগুৰু, সাহিত্যিক অধ্যাপক শ্রীযুত হেমন্ত কুমাব শর্মা, এম. এ. দেৱব উৎসাহ বাণীহে বিশেষ কাম কবিছে। এই সংস্কবণব 'দবঙ্গ বাজবংশৱলী'খনি প্রস্তুত কবোঁতে ৺পণ্ডিত হেমচন্দ্র গোস্বামীদেৱবদ্বাবা সম্পাদিত গ্রন্থখনি আৰু এখন সাঁচিপতীয়া পুথিব সহায় লোৱা হৈছে। আখব-জোঁটনি আধুনিক ৰূপত বখা হৈছে।

'দবঙ্গ বাজবংশৱলী'খনি ছপাব দায়িত্ব 'বাণী প্রকাশে' গ্রহণ কবা বাবে উক্ত প্রতিষ্ঠানব উদ্যোগী পবিচালকদ্বয় মাননীয় শ্রীযুত অম্বিকাপদ চৌধুবী আৰু মাননীয় শ্রীযুত গিবিপদ চৌধুবীদেৱলৈ মোব আন্তবিক কৃতজ্ঞতা জ্ঞাপন কবিছোঁ। অসমীয়া ভাষা-সাহিত্যব উন্নতিব পথত 'বাণী প্রকাশে' যাতে সততে অবিহণা যোগাব পাবে তাব বাবে ভগৱানব ওচবত প্রার্থনা জনাইছোঁ।

'দবঙ্গ বাজবংশাৱলী'খনি নকল কবাব ক্ষেত্রত, মোব ছাত্র শ্রীমান ধনেশ্বব ডেকাই সহায় কবিছে। তেওঁলৈ মোব স্নেহাশীষ থাকিল।

'দবঙ্গ বাজবংশাৱলী' নামব গ্রন্থখনে সদাশয় বাইজবপবা মবম চেনেহ লাভ কবিব পাবিলে পবম কৃতার্থ হম। ইতি

'যমুনালয়'
ইন্দ্রপুবী, দুর্গাসবোবব
গুৱাহাটী—৯

শ্রীনবীন চন্দ্র শর্মা

ভূমিকা

প্রাচীন অসমীয়া সাহিত্য, নব্য ভাবতীয় ভাষাসমূহত বচিত হোৱা সাহিত্যবাজিব ভিতবতে সমৃদ্ধিশালী। বিশেষকৈ অসমীয়া বুবঞ্জী সাহিত্য ভাবতীয় সাহিত্যসমূহব ভিতবতে অনুপম। আহোম বজাসকলব পৃষ্ঠপোষকতা আৰু অনুপ্রেবণাত বুবঞ্জী সাহিত্য বচিত হোৱাব নিচিনাকৈ, কোচবাজ্য প্রতিষ্ঠাতা বিশ্বসিংহব বংশসম্ভূত দবঙী বজাসকলব পৃষ্ঠপোষকতা আৰু অনুপ্রেবণাতো বাজবংশাৱলী অথবা 'বংশাৱলী' নামেবে ঐতিহাসিক কাব্য এশ্রেণী বচিত হৈছিল। সমুদ্রনাৰায়ণব আদেশত সূর্যখড়িয়ে বচনা কবা 'দবঙ্গ বাজবংশাৱলী', খড়্গনাবায়ণব আদেশত বতিকান্ত দ্বিজে বচনা কবা 'বাজবংশাৱলী' আৰু সূর্যদেৱ সিদ্ধান্ত বাগীশবদ্ধাবা বচিত 'গন্ধর্বনাবায়ণব বংশাৱলী', এই ঐতিহাসিক কাব্যব ভিতবত পবে। ওপবোল্লিখিত তিনিখন ঐতিহাসিক কাব্যব ভিতবত সূর্যখড়ি দৈৱজ্ঞব 'দবঙ্গ বাজবংশাৱলী' উল্লেখযোগ্য।

দবঙী বজা সমুদ্রনাবায়ণব নির্দেশানুক্রমে সূর্যখড়িয়ে 'দবঙ্গ বাজবংশাৱলী' বচনা কবে। ইয়াবপবা কবি সূর্যখড়ি সমুদ্রনাবায়ণব সমসাময়িক আছিল বুলি আমি সহজে অনুমান কবিব পাবোঁ। সমুদ্রনাবায়ণ, চিলাবাইব পুত্র বঘুদেৱনাবায়ণব বংশধব আছিল। বঘুদেৱনাবায়ণব পুত্র বলিনাবায়ণ অথবা ধর্মনাবায়ণ দবঙী বাজ্য প্রতিষ্ঠাতা আছিল। বলিনাবায়ণব পুত্র মহেন্দ্রনাবায়ণ, তেওঁব পুত্র চন্দ্রনাবায়ণ, চন্দ্রনাবায়ণব পুত্র ইন্দ্রনাবায়ণ, তেওঁব পুত্র মোদনাবায়ণ (ডাঙব বজা), মোদনাবায়ণব তৃতীয় পুত্র মহতনাবায়ণ আৰু মহতনাবায়ণব পুত্র হৈছে সমুদ্রনাবায়ণ। ইয়াবপবা দেখা যায় যে সমুদ্রনাবায়ণ, চিলাবাইব পুত্র বঘুদেৱনাবায়ণব ৭ম অধস্তন আছিল। চিলাবাইব পুত্র বঘুদেৱনাবায়ণে খ্রীঃ ১৫৮১ চনবপবা খ্রীঃ ১৫৯৩ চনলৈকে বাজত্ব কবে। প্রত্যেকজন বংশধবে যদি ৩০ বছব বাজত্ব কবা বুলি ধবি লোৱা হয় তেনেহলে বঘুদেৱনাবায়ণ আৰু সমুদ্রনাবায়ণব ভিতবত সময়ব পার্থক্য ২১০ বছব হব। তেতিয়া হলে সমুদ্রনাবায়ণব সময় ১৫৮১+২১০ বছব=১৭৯১ চন হব বুলি অনুমান কবিব পাবি। কবি সূর্যখড়িও এই সময়বে লোক আছিল বুলি ভাবিব পাবি। দ্বিতীয়তে আহোম স্বর্গদেৱে সূর্যখড়িক খ্রীঃ ১৭৯৮ চনত মাটি দান কবিছিল অর্থাৎ এই কালছোৱাতেই কবি সূর্যখড়িব পাণ্ডিত্য আৰু প্রতিভা সর্বসাধাবণব মাজত প্রকাশ পাইছিল। এই প্রসঙ্গত ওপবত

কবি পবিচয়

উল্লেখ কৰা খ্রীঃ ১৭৯১ চন আৰু খ্রীঃ ১৭৯৮ চনৰ ভিতৰত থকা সাদৃশ্যও মন কৰিব লগীয়া। মুঠতে কবি সূর্যখড়ি খ্রীঃ অষ্টাদশ শতিকাৰ লোক আছিল।

কবিৰ সম্পূর্ণ নাম হৈছে বলদেৱ সূর্যখড়ি দৈৱজ্ঞ। সর্বসাধাৰণৰ মাজত তেওঁ সূর্যখড়ি কবি ৰূপে পৰিচিত আছিল। তেওঁৰ প্ৰকৃত নাম আছিল হলধৰ[১]। বলদেৱ, সূর্যখড়ি আদি তেখেতৰ পাণ্ডিত্যসূচক উপাধিহে। ইয়াৰ বাহিৰেও তেখেতৰ আন এটি উপাধি হৈছে বিদ্যাবল্লভ[২]। জাতিত তেওঁ দৈৱজ্ঞ আছিল। কোচ ৰজাসকলে ব্ৰাহ্মণ আৰু দৈৱজ্ঞ উভয়কে ৰ সম্মান আৰু শ্ৰদ্ধা কৰিছিল। তদনুৰূপে দৰঙী ৰজা-সকলেও ব্ৰাহ্মণ আৰু দৈৱজ্ঞ উভয়কে গভীৰভাৱে শ্ৰদ্ধা কৰিছিল। সূর্যখড়ি যে জাতিত দৈৱজ্ঞ আছিল তাৰ আভাস "দৰঙ্গ ৰাজৱংশাৱলী"ৰপৰা পোৱা যায়। যেনে,

'পদবন্ধে শুনিবাক মোৰ যাই চিত।
কহিয়ো দৈৱজ্ঞ তুমি ৰজাৰ চৰিত॥
দৈৱজ্ঞ বদতি তুমি ৰজাৰ নন্দন।
তযু আজ্ঞা পালিবাক লাগে সর্বক্ষণ॥'

বলদেৱ সূর্যখড়ি মঙ্গলদৈ মহকুমাৰ অন্তর্গত ছিপাঝাৰৰ ২ মাইল পশ্চিমে অৱস্থিত, ইতিহাস প্ৰসিদ্ধ বলদেৱপাৰা গাঁওৰ লোক আছিল। তেখেতৰ বংশধৰসকল এতিয়াও এই অঞ্চলতে বাস কৰে। কবি বলদেৱ সূর্যখড়িৰ নামানুসাৰেই এই গাঁওখনৰ নাম বলদেৱপাৰা হয় বুলি শুনা যায়। বলদেৱপাৰা গাঁওত বলদেৱ পুখুৰী নামৰ এটি ডাঙৰ পুখুৰী আছে। এই পুখুৰীটোৰ গৰ্ভত ৪৮ বিঘা মাটি থকা বুলি শুনা যায়। এই পুখুৰীটো হেনো বলদেৱ সূর্যখড়িৰ পাণ্ডিত্য, প্ৰতিভা আৰু কবিত্বত মোহিত হৈ দৰঙী ৰজাই খন্দাইছিল। কবিজনাৰ নামানুসাৰেই এই পুখুৰীটোৰ নামো বলদেৱ পুখুৰী নামকৰণ কৰা হৈছিল।

বলদেৱ সূর্যখড়ি ঐতিহাসিক পণ্ডিত, কবি, জ্যোতিষশাস্ত্ৰ বিশাৰদ আছিল। তেওঁ সেই সময়ৰ অসমৰ অন্যতম সংস্কৃত পণ্ডিত আছিল। তেখেতে অসমীয়া ভাষাত গ্ৰন্থ প্ৰণয়ন কৰাৰ বাহিৰেও সংস্কৃত ভাষাত গ্ৰন্থাদি ৰচনা কৰিছিল। বলদেৱ সূর্যখড়িৰ পাণ্ডিত্যত মুগ্ধ হৈ আহোম স্বর্গদেৱেও তেওঁক মাটিদান দিছিল[৩]। এইজনা কবিৰ বিষয়ে প্ৰসিদ্ধ ঐতিহাসিক পণ্ডিত ছাৰ এডৱার্ড গেইট চাহাবে এই দৰে লিখিছিল :

(১) মঙ্গলদৈৰ বুৰঞ্জী—শ্ৰীদীনেশ্বৰ শর্মা,
(২) " " "
(৩) *The Koch Kings of Kamarupa*—E. Gait.



(২) মঙ্গলদৈৰ বুৰঞ্জী—শ্ৰীদীনেশ্বৰ শর্মা।
(৩) অসমীয়া সাহিত্যৰ ৰূপৰেখা—ডঃ মহেশ্বৰ নেওগ।
(৪) অসমীয়া সাহিত্যৰ ইতিবৃত্ত—ডঃ সত্যেন্দ্ৰ নাথ শর্মা।

উল্লেখ কবা খ্রীঃ ১৭৯১ চন আৰু খ্রীঃ ১৭৯৮ চনব ভিতবত থকা সাদৃশ্যও মন কবিব লগীয়া। মুঠতে কবি সূর্যখড়ি খ্রীঃ অষ্টাদশ শতিকাব লোক আছিল।

কবিব সম্পূর্ণ নাম হৈছে বলদেৱ সূর্যখড়ি দৈৱজ্ঞ। সর্বসাধাবণব মাজত তেওঁ সূর্যখড়ি কবি ৰূপে পবিচিত আছিল। তেওঁব প্রকৃত নাম আছিল হলধব[১]। বলদেৱ, সূর্যখড়ি আদি তেখেতব পাণ্ডিত্যসূচক উপাধিহে। ইয়াব বাহিবেও তেখেতব আন এটি উপাধি হৈছে বিদ্যাবল্লভ[২]। জাতিত তেওঁ দৈৱজ্ঞ আছিল। কোচ বজাসকলে ব্রাহ্মণ আৰু দৈৱজ্ঞ উভয়কে বব সম্মান আৰু শ্রদ্ধা কবিছিল। তদনুৰূপে দবঙী বজা-সকলেও ব্রাহ্মণ আৰু দৈৱজ্ঞ উভয়কে গভীবভাৱে শ্রদ্ধা কবিছিল। সূর্যখড়ি যে জাতিত দৈৱজ্ঞ আছিল তাব আভাস "দবঙ্গ বাজবংশাৱলী'বপবা পোৱা যায়। যেনে,

'পদবন্ধে শুনিবাক মোব যাই চিত।
কহিয়ো দৈৱজ্ঞ তুমি বজাব চবিত॥
দৈৱজ্ঞ বদতি তুমি বজাব নন্দন।
তযু আজ্ঞা পালিবাক লাগে সর্বক্ষণ॥'

বলদেৱ সূর্যখড়ি মঙলদৈ মহকুমাব অন্তর্গত ছিপাঝাবব ২ মাইল পশ্চিমে অৱস্থিত, ইতিহাস প্রসিদ্ধ বলদেৱপাবা গাঁওব লোক আছিল। তেখেতব বংশধবসকল এতিয়াও এই অঞ্চলতে বাস কবে। কবি বলদেৱ সূর্যখড়িব নামানুসাবেই এই গাঁওখনব নাম বলদেৱপাবা হয় বুলি শুনা যায়। বলদেৱপাবা গাঁওত বলদেৱ পুখুবী নামব এটি ডাঙব পুখুবী আছে। এই পুখুবীটোব গর্ভত ৪৮ বিঘা মাটি থকা বুলি শুনা যায়। এই পুখুবীটো হেনো বলদেৱ সূর্যখড়িব পাণ্ডিত্য, প্রতিভা আৰু কবিত্বত মোহিত হৈ দবঙী বজাই খন্দাইছিল। কবিজনাব নামানুসাবেই এই পুখুবীটোব নামো বলদেৱ পুখুবী নামকবণ কবা হৈছিল।

বলদেৱ সূর্যখড়ি ঐতিহাসিক পণ্ডিত, কবি, জ্যোতিষশাস্ত্র বিশাবদ আছিল। তেওঁ সেই সময়ব অসমব অন্যতম সংস্কৃত পণ্ডিত আছিল। তেখেতে অসমীয়া ভাষাত গ্রন্থ প্রণয়ন কবাব বাহিবেও সংস্কৃত ভাষাত গ্রন্থাদি বচনা কবিছিল। বলদেৱ সূর্যখড়িব পাণ্ডিত্যত মুগ্ধ হৈ আহোম স্বর্গদেৱেও তেওঁক মাটিদান দিছিল[৩]। এইজনা কবিব বিষয়ে প্রসিদ্ধ ঐতিহাসিক পণ্ডিত ছাব এডৱার্ড গেইট চাহাবে এই দবে লিখিছিল :

(১) মঙ্গলদৈব বুবঞ্জী—শ্রীদীনেশ্বব শর্মা,
(২) " " "
(৩) *The Koch Kings of Kamarupa*—E. Gait.

Surjya Hari (?) Ganaka is reputed to have been the greatest Sanskrit Scholar of his time in Assam. He was the author of numerous Sanskrit and Assamese works, and his descendant Manbhal Mandal holds a deed of gift dated 1720 saka (1798 A. D) by which the Ahom King made a grant of land to Surjya Hari (?) in recognition of his learning and piety[১].

জ্যোতিষ শাস্ত্রতো বলদেৱ সূর্যখড়ি পণ্ডিত আছিল। ইয়াব প্রমাণ স্বৰূপে আমি তেখেতে প্রণয়ন কবা বিখ্যাত জ্যোতিষশাস্ত্রব গ্রন্থ 'বাজ মার্তণ্ড'ব টীকাখনলৈ আঙুলিয়াব পাবোঁ। তেখেত তন্ত্রাদিতো সুবিজ্ঞ আছিল বুলি জনা যায়। তন্ত্র শাস্ত্রব পূজা পদ্ধতিত তেওঁ বজা-প্রজা সকলোবেদ্বাবা সমাদৃত হৈছিল। গ্রহার্চনব ক্ষেত্রতো তেখেতব প্রতিভা প্রকাশ পাইছিল। "তেওঁব গ্রহার্চনব শক্তিত দবঙীবজা সমুদ্রনাবায়ণ অভিভূত হৈছিল। বজাই তেওঁক কলে, 'যদি আজি সূর্যগ্রহণ নোহোৱাকৈ তেওঁ বাহুক বন্ধ কবিব পাবে, তেন্তে তেওঁব পূজা প্রকৃত পূজা হৈছে বুলি জনা যাব।' যথা সময়ত পূজা আবম্ভ কবিলে আৰু সেইদিনা সূর্যগ্রহণ নোহোৱাকৈ থাকিল। বজাই তেওঁব শক্তি দেখি বহুত মাটি-বাবী ব্রহ্মোত্তব দান কবিলে। এই দান কবা ব্রহ্মোত্তব ফলিমোহব তেওঁব বংশব লোকৰ হাতত আজিও আছে[২]।" ওপবব কথাখিনিব সত্যতা সম্বন্ধে সন্দেহ থাকিলেও কবি সূর্যখড়িয়ে যে গ্রহার্চনত সুখ্যাতি লাভ কবিছিল তাত সন্দেহ নাই।

'দবঙ্গ বাজবংশাৱলী' দবঙী বজা সমুদ্রনাবায়ণব নির্দেশানুক্রমে বলদেৱ সূর্যখড়িয়ে বচনা কবে। এই গ্রন্থখনেই "সমুদ্রনাবায়ণব (গেইট চাহাবব মতে লক্ষ্মীনাবায়ণব) বংশাৱলী" নামে পবিচিত। 'দবঙ্গ বাজবংশাৱলী' কোন চনত বচিত হৈছিল সেই বিষয়ে নিশ্চিতভাৱে কোৱা টান। গেইট চাহাবব মতে এই পুথিখন খ্রীঃ ১৮০৬ চনত বচিত হৈছিল ; আৰু আমানতউল্লা চৌধুবীব মতে খ্রীঃ ১৭৯১. চনত বচিত হৈছিল[৩]। ডঃ সত্যেন্দ্রনাথ শর্মাব মতে 'দবঙ্গ বাজবংশাৱলী' খ্রীঃ ১৭৯৮ চনত বচিত হৈছিল[৪]। পুথিখনব বচনা কাল সঠিকভাৱে নির্ণয় কবিব নোৱাবিলেও ই খ্রীঃ ১৭৯১-১৮০৬ চনব ভিতবত যে বচিত হৈছিল ই নিশ্চিত।

দবঙ্গ বাজবংশাৱলীব বিষয়বস্তু

(১) *The Koch Kings of Kamrup*—E. Gait.
(২) মঙ্গলদৈব বুবঞ্জী—শ্রীদীনেশ্বব শর্মা।
(৩) অসমীয়া সাহিত্যব ৰূপবেখা—ডঃ মহেশ্বব নেওগ।
(৪) অসমীয়া সাহিত্যব ইতিবৃত্ত—ডঃ সত্যেন্দ্র নাথ শর্মা।

'দৰঙ্গ ৰাজবংশাৱলী'ত কোচ ৰজাসকলৰ উৎপত্তিৰ বৰ্ণনা পৰিৱেশন কৰা হৈছে। এই গ্ৰন্থখনত সন্নিবিষ্ট হোৱা বিষয়বস্তুৰ আভাস তলত দিয়া হ'ল :

পৰশুৰামৰ কাহিনী

পূৰ্বকালত চন্দ্ৰবংশীয় ৰজা হৈহেয়ৰ পুত্ৰ সহস্ৰাৰ্জুন নামেৰে এজন ৰজা আছিল। এদিনাখন তেওঁ সৈন্য-সামন্তৰ সৈতে মৃগয়া কৰিবলৈ গৈছিল। মৃগয়া কৰি থাকোঁতে ৰাতি হ'ল। সেই বাবে ৰজা সহস্ৰাৰ্জুন সৈন্য-সামন্তৰ সৈতে গৈ পৰশুৰামৰ পিতৃ যমদগ্নি ঋষিৰ আশ্ৰমত উপস্থিত হ'ল। যমদগ্নিৰ কামধেনু নামৰ এজনী গাইগৰু আছিল। এই গাইজনীক যি খোজা হৈছিল তাকে পোৱা গৈছিল। যমদগ্নিয়ে এই গাইজনীৰ সহায়ত সৈন্য-সামন্তৰ সৈতে ৰজা সহস্ৰাৰ্জুনক ৰাজকীয় অভ্যৰ্থনা কৰিলে। কামধেনুৰ প্ৰতি সহস্ৰাৰ্জুনৰ লোভ লাগিল। যমদগ্নিৰ বাধা-নিষেধলৈ কৰ্ণপাত নকৰি ৰজাই জোৰপূৰ্বক গাইজনী লৈ গ'ল। পৰশুৰাম গৃহলৈ প্ৰত্যাৱৰ্তন কৰাৰ লগে লগে তেওঁ কামধেনু হৰণৰ বৃত্তান্ত পিতৃমুখৰপৰা শুনি, পৰম ক্ৰোধান্বিত হৈ সহস্ৰাৰ্জুনক বধ কৰি কামধেনু লৈ আহিল। পৰশুৰাম আকৌ তীৰ্থভ্ৰমণ কৰিবলৈ যোৱাৰ লগে লগেই সুবিধা বুজি, সহস্ৰাৰ্জুনৰ পুত্ৰহঁত চোৰৰ নিচিনাকৈ গৈ তপস্যাৰত যমদগ্নিক বধ কৰি আকৌ গাইজনী লৈ আহিল। পৰশুৰাম তীৰ্থভ্ৰমণৰপৰা ঘূৰি আহি, পিতৃ হত্যাৰ বাতৰি শুনি খঙত অগ্নিশৰ্মা হৈ, ধৰিত্ৰীৰ বুকু নিষ্ক্ষত্ৰিয় কৰিবলৈ প্ৰতিজ্ঞাৰূঢ় হৈ একেশৰাৰ পৃথিৱী পৰ্যটন কৰি ক্ষত্ৰিয়সকলক বধ কৰিলে। ইয়াৰে ১২ জন ক্ষত্ৰিয় ৰাজপুত্ৰ পলাই গৈ চিকনাবাৰীত থাকিল ; আৰু নিজক লুকাই ৰাখিবৰ বাবে মেচিনী বিয়া কৰাই মেচ ৰূপে থাকিল। এই বাৰজন ক্ষত্ৰিয়ৰপৰা অসংখ্য পুত্ৰ সন্তানৰ জন্ম হ'ল। এইসকলৰ ভিতৰত শ্ৰেষ্ঠ আছিল **হাবিয়ামণ্ডল**। হাবিয়ামণ্ডলৰ পত্নী আছিল হীৰা। মহাদেৱে হাবিয়ামণ্ডলৰ ৰূপ গ্ৰহণ কৰি হীৰাক ৰমণ কৰে আৰু তাৰ পৰিণতি স্বৰূপে **বিশুৰ** জন্ম হয়। প্ৰথম বিহুৰ দিনা জন্ম হোৱা বাবে শিশুটোৰ নাম বিশু (বিষ্ণু) ৰখা হৈছিল।

হাবিয়ামণ্ডল
বিশু নাইবা
বিশ্বসিংহ

বিশু শৈশৱেপৰা বৰ সাহসী আছিল। লাহে লাহে বিশুই গৰু চৰাব পৰা হ'ল। গৰখীয়াসকলে বিশুক ৰৰগৰখীয়া পাতিলে। প্ৰবল, পৰাক্ৰমী বিশুই ওচৰ চুবুৰীয়া ভূঞাসকলক পৰাস্ত কৰিলে। ঔগুৰি, লুকি, ফুলগুৰি আৰু বিজনীৰ ভূঞাসকলক এজনৰ পিছত এজনকৈ বিশুই পৰাজয় কৰি বিস্তীৰ্ণ ভূখণ্ডৰ অধিপতি হ'ল, যি ভূখণ্ডৰ পশ্চিমে কৰতোৱা নদী আৰু পূবে ৰৱনদী আছিল। ৰজা হৈ বিশুই **বিশ্বসিংহ** নাম

গ্ৰহণ কৰে। বিশ্বসিংহৰ ভ্ৰাতৃৰ নাম আছিল শিশু। শিশুক যুৱৰাজ পতা হয়। সেইদিন ধৰি তেওঁৰ নাম নৰসিংহ হয়। কাৰ্জি, মন্ত্ৰী, সেনাপতি, বিপ্ৰ, দৈৱজ্ঞ, বৈদ্য, তামুলী, বান্ধনি, ভণ্ডাৰী, মজিন্দাৰ, চাৰ, দ্বাৰী, ঠাকুৰীয়া, শইকীয়া, হাজৰিকা, উম্ৰা, নবাব আদি বিষয়া ৰজা বিশ্বসিংহই নিজেই নিৰ্বাচন কৰি ৰাজ্য শাসনৰ সুব্যৱস্থা কৰিলে। ইয়াৰ পিছত বিশ্বসিংহই সৈন্য-সামন্ত আৰু অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত হৈ আহোম স্বৰ্গদেৱক পৰাজয় কৰাব আশাৰে গড়গাঁও অভিমুখে যাত্ৰা কৰে ; কিন্তু খৰচৰ অভাৱ হোৱা হেতু আহোম স্বৰ্গদেৱৰ সৈতে যুদ্ধ নকৰাকৈয়ে তেওঁ প্ৰত্যাৱৰ্তন কৰে। বিশ্বসিংহই বিভিন্ন ঠাইৰপৰা ১৮ জনী পত্নী বিয়া কৰাইছিল, যেনে—নেপালৰ ৰত্নকান্তি ; গৌড়ৰ হেমপ্ৰভা আৰু পদ্মাৱতী ; কামৰূপৰ চন্দ্ৰকান্তি, পূৰ্ণকান্তি, হেমকান্তি আৰু ৰতি ; কাশ্মীৰৰ তিলোত্তমা ; কাশীৰ চন্দ্ৰা, চন্দ্ৰাননা, জয়া, বিজয়া আৰু জয়ন্তী ; শোণিতপুৰৰ ললিতা, লাৱণ্যৱতী, পদ্মমালা ; মিথিলাৰ শতৰূপা আৰু কাঞ্চনমালিনী। এই অষ্টাদশ মহিষীৰপৰা অষ্টাদশ কুমাৰৰ জন্ম হয়। তেওঁলোক হৈছে—নৰসিংহ, নৰনাৰায়ণ (মল্লদেৱ), শুক্লধ্বজ (চিলাৰাই), গোহাঁইকমল, ময়দান, ৰামচন্দ্ৰ, সুৰসিংহ, হৰিসিংহ, মেচা, ৰৃষকেতু, ৰামনাৰায়ণ, অনন্ত, দীপসিংহ, হেমধৰ, মেঘনাৰায়ণ, জগত, ৰূপচাঁদ আৰু সূৰ্য। পিতৃ বিশ্বসিংহই পুত্ৰসকলৰ মাজত ভৱিষ্যতে যাতে ৰাজসিংহাসনৰ বাবে অসন্তুষ্টি ভাৱৰ সৃষ্টি নহয় তদৰ্থে বিশেষ এক পৰীক্ষাৰদ্বাৰা কৰ্ম বিভাজন কৰি প্ৰত্যেকজন পুত্ৰকে সেই সেই কামৰোৰ সম্পাদন কৰিবলৈ নিৰ্দেশ দিয়ে। নৰসিংহক বিদেশত ৰজা হবলৈ, মল্লদেৱক কোচৰাজ্যত ৰজা হবলৈ, শুক্লধ্বজক যুৱৰাজ হবলৈ, গোহাঁইকমলক আলি-পদূলি, মঠ-মন্দিৰ আদি নিৰ্মাণ কৰিবলৈ, ৰামচন্দ্ৰক ভাণ্ডাৰী হবলৈ, ময়দানক শিল-সাকো নিৰ্মাণ কৰিবলৈ, মেচাক বন্দুকী হবলৈ, সুৰসিংহক সোণাৰী হবলৈ, ৰৃষকেতুক কমাৰ-কাঁহাৰৰ দায়িত্ব লবলৈ, হৰিসিংহক গায়ন-বায়নৰ দায়িত্ব লবলৈ, ৰামনাৰায়ণক সত্ৰ-সভা চলাবলৈ, অনন্তক তেলীসকলৰ অধিকাৰী হবলৈ, দীপসিংহক হস্তী, ঘোঁড়া, গৰু, পশু-পক্ষীৰ দায়িত্ব লবলৈ, হেমধৰক ব্ৰাহ্মণসকলৰ নীতি প্ৰৱৰ্তাবলৈ, মেঘনাৰায়ণক ধোৱা, তাঁতী, জোলা আদিৰ অধিকাৰী হবলৈ, সূৰ্যৰক বেপাৰ-বণিজৰ দায়িত্ব লবলৈ, জগতক দেৱালয়ৰোৰ চাবলৈ আৰু ৰূপচাঁদক সন্ন্যাসী, বৈৰাগী, দুখী, ভিক্ষী, দেশান্তৰী আদিৰ দায়িত্ব লবলৈ পিতৃ বিশ্বসিংহই নিৰ্দেশ দিলে। মল্লদেৱ আৰু শুক্লধ্বজক অধ্যয়নৰ বাবে বাৰাণসীলৈ (কাশী) পঠালে। ২৫ বছৰ ৰাজত্ব কৰাৰ পিছত বিশ্বসিংহ মৃত্যুৰ মুখত পৰে।

বিশ্বসিংহৰ মৃত্যুৰ লগে লগে নৰসিংহ কোচৰাজ্যৰ সিংহাসনত বহিল। মল্লদেৱ আৰু শুক্লধ্বজে (সংগ্রামসিংহ) এই খবৰ পোৱাৰ লগে লগে বাৰাণসীৰপৰা গৃহাভিমুখে অগ্রসৰ হ'ল। মল্লদেৱ আৰু শুক্লধ্বজৰ হাতত নৰসিংহ পৰাজিত হৈ পলাই গৈ ভোটান পায়গৈ আৰু তাত তেওঁ ভোটৰ বজা হৈ থাকে।

নৰসিংহ

পিতৃৰ আজ্ঞানুসৰি নৰনাৰায়ণ কোচ ৰাজ্যৰ বজা হ'ল। বজা হোৱাৰ পিছতে তেওঁ আহোম ৰাজ্য আক্রমণ কৰিবলৈ প্রয়াস কৰি কোচবেহাৰৰপৰা পৰশুকুণ্ডলৈ পথ নির্মাণ কৰিবলৈ ভাতৃ গোহাঁইকমলক নির্দেশ দিয়ে। গোহাঁইকমলে দিনে-ৰাতিয়ে অশেষ পৰিশ্রম কৰি এছৰৰ ভিতৰত পথটো নির্মাণ কৰে। শুক্লধ্বজৰ নেতৃত্বত বিৰাট সৈন্যবাহিনী এটিৰ সৈতে নৰনাৰায়ণ আহোম স্বর্গদেৱৰ বিৰুদ্ধে অগ্রসৰ হ'ল। কোনো বাধা নোপোৱাকৈ কোচ সৈন্যবাহিনী গড়গাঁওত প্রৱেশ কৰিলেগৈ। ভীতি-বিহ্বল হৈ আহোম স্বর্গদেৱ 'চৰাইখোৱঙ্গ'লৈ পলাই গুচি গ'ল। সংগ্রামসিংহই, ঘোঁৰাৰ পিঠিত উঠি থাকিয়েই জাঁপমাৰি ভৈৰৱী নদী পাৰ হোৱা বাবে আহোমসকলৰপৰা তেওঁ চিলাৰাই উপাধি লাভ কৰে। সৈন্য-সামন্তৰ সৈতে বজা নৰনাৰায়ণ এছৰ কাল গড়গাঁওত বাস কৰে। তেতিয়ালৈকে আহোম স্বর্গদেৱো লুকাই থাকিল। অৱশেষত নৰনাৰায়ণে স্বর্গদেৱৰ ওচৰলৈ দূত পঠিয়ালে—হয় আহোম স্বর্গদেৱে নৰনাৰায়ণৰ লগত যুদ্ধ দিয়ক, নহয়তো তেওঁ কোচ বজাৰ সার্বভৌমত্ব স্বীকাৰ কৰক। আহোম বজাই দূতৰ হাতত নৰনাৰায়ণৰ ওচৰলৈ উপঢৌকন পঠিয়াই কোচবজাৰ সার্বভৌমত্ব স্বীকাৰ কৰিলে। ইয়াৰ পিছত চিলাৰায়ে হেড়ম্বৰ বজা হের্মেশ্বৰক কোচৰাজ্যৰ অধীনলৈ আনি ক্ষিপ্রগতিৰে মণিপুৰ অভিমুখে যাত্রা কৰে। মণিপুৰৰ বজাই বিনাযুদ্ধে কোচবজাৰ বশ্যতা স্বীকাৰ কৰে। জয়ন্তা বজাক যুদ্ধত পৰাস্ত কৰি চিলাৰাই জয়ন্তাৰাজ্য কোচৰাজ্যৰ অঙ্গীভূত কৰে। কোচ ৰাজশক্তিৰ ওচৰত ত্রিপুৰা বজা, খৈৰামৰ বজা, ডুমকৰা দেশৰ নৰপতি মৃগকাঙ্ক, চিৰাঠৰ (চিলেটৰ) বজা আদিয়ে বশ্যতা স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। চিলেটৰাজ্য পৰাজয় কৰাৰ পিছত কোচ সৈন্যবাহিনী নীলাচল পাহাৰত উপস্থিত হয়। ইতিমধ্যে কালাপাহাৰে কামাখ্যা মন্দিৰ ধ্বংস কৰে। নৰনাৰায়ণ আৰু চিলাৰাই উভয়ে কামাখ্যাদেৱীৰ ভগ্ন মঠ-মন্দিৰ দেখা পালে। নৰনাৰায়ণে কামাখ্যা মন্দিৰ, পুনর্নির্মাণ কৰাৰ বিষয়ে

নৰনাৰায়ণ আৰু চিলাৰায়

নৰনাৰায়ণ চিলাৰাইৰ ৰাজ্য জয়

ভাবিছিল; কিন্তু প্রথমতে গৌড়ৰাজ্য আক্রমণ কৰিবলৈহে তেওঁ ভ্রাতৃ চিলাৰাইক নির্দেশ দিলে। বজা নৰনাৰায়ণৰ নির্দেশানুক্রমে অসংখ্য সৈন্যবাহিনীৰে সৈতে চিলাৰাই গৌড় অভিমুখে যাত্রা কৰি কেইদিনমানৰ ভিতৰতে গৌড় ৰাজ্যত উপনীত হ'লগৈ। গৌড় ৰাজ্যৰ সৈন্যবাহিনীৰ লগত প্রবল-বিক্রমেৰে ১০ দিন যুদ্ধ কৰি অৱশেষত চিলাৰাই বন্দী হয়। চিলাৰাই বন্দী হোৱাৰ কেইদিনমানৰ মূৰতে গৌড়ৰ পাৎছাৰ মাতৃক সর্পাঘাত দংশন কৰে। গৌড় ৰাজ্যত থকা বৈদ্যসকলে পাৎছাৰ মাতৃক আৰোগ্য কৰিবলৈ যৎপৰনাস্তি চেষ্টা চলালে, কিন্তু সকলো চেষ্টা ব্যর্থ হ'ল। মন্ত্রৰ সহায়ত চিলাৰায়ে পাৎছাৰ মাতৃক আৰোগ্য কৰিলে। ইয়াৰ ফল স্বৰূপে পাৎছাৰ মাতৃয়ে চিলাৰাইক পুত্র স্বৰূপে গ্রহণ কৰিলে। মুক্তি লাভ কৰি চিলাৰাই স্বদেশাভিমুখে যাত্রা কৰিলে। ঠিক সেই সময়তে নৰনাৰায়ণ আৰু চিলাৰাই উভয়ে মেঘামুকডুমক কামাখ্যাদেৱীৰ মন্দিৰ পুনর্নির্মাণ কৰিবলৈ নির্দেশ দিয়ে। তদনুক্রমে মেঘামুকডুমে ঘিউত ইটা ভাজি, কৰালৰ সহায়ত সেই ইটা গাঁথি মন্দিৰ নির্মাণ কৰিলে। নৰনাৰায়ণে ম'হ, ছাগলী, হাঁহ-পাৰ, মাছ-কাছ আৰু হৰিণ বলি দি 'চতুঃষষ্ঠি উপচাৰে'ৰে কামাখ্যাদেৱীক পূজা কৰিলে।

গৌড়ৰ পাৎছাৰ লগত যুদ্ধ আৰু চিলাৰাই বন্দী

চিলাৰাইৰ মুক্তি

কামাখ্যা মন্দিৰ পুনর্নির্মাণ

বজা নৰনাৰায়ণে বহুতো আলি-পদূলি, মঠ-মন্দিৰ নির্মাণ কৰাইছিল। আলিৰ দাঁতিত বাটকৰাই ব'দত জিৰাৰৰ বাবে গছ-গছনি বোৰাই দিছিল। প্রজা আৰু বাটকৰাৰ সুবিধাৰ নিমিত্তে বহুতো পুখুৰী খন্দাই দিছিল। ভ্রমণকাৰী, বাটকৰা আদিৰ বাবে অন্নশালা, পানীশালা আদি নির্মাণ কৰাইছিল।

নৰনাৰায়ণৰ প্রজা-হিতকৰ কাম

সম্রাট আকবৰৰ সৈতে সম্মিলিত হৈ নৰনাৰায়ণে গৌড়ৰাজ্য অধিকাৰ কৰে আৰু উভয়বে মাজত গৌড় ৰাজ্য ভগাই লয়। গঙ্গানদী, মোগল সাম্রাজ্য আৰু কোচৰাজ্যৰ সাধাৰণ সীমা হিচাপে ধৰি লোৱা হয়।

গৌড়ৰাজ্য অধিকাৰ

বজা নৰনাৰায়ণ কেৱল পৰাক্রমী আৰু প্রজাৰঞ্জক বজাই নাছিল। তেওঁ কলা-কৃষ্টি আৰু ভাষা-সাহিত্যৰ প্রেমিকো আছিল। বজা নৰনাৰায়ণে গৌড়-কামৰূপত যিমানবিলাক পণ্ডিত আছিল সকলোকে পৰম শ্রদ্ধা আৰু আদৰেৰে সৈতে মাতি আনি 'সত্র-দেৱাল' পাতিছিল। পূর্ব শাস্ত্রাদি' নৰ্য্যভাৱে ৰচনা কৰিবলৈ সেই পণ্ডিতসকলক তেওঁ অনুৰোধ কৰিছিল।

সাহিত্য চর্চা

পুৰুষোত্তম ভট্টাচার্যক ৰত্নমালা ব্যাকৰণ ৰচনা কৰিবলৈ, ৰাম সৰস্বতীক ভাৰতৰ পদ ৰচনা কৰিবলৈ, শঙ্কৰদেৱক দ্বাদশ স্কন্ধ ভাগৱত ৰচনা কৰিবলৈ, শ্রীধৰক 'জ্যোতিষ ভাঙি' সাধ্যখণ্ড ৰচনা কৰিবলৈ, বকুল কায়স্থক 'লীলাৱতী' নামৰ গণিতৰ শাস্ত্ৰ ৰচনা কৰিবলৈ অনুৰোধ কৰে। নৰনাৰায়ণে শঙ্কৰদেৱ, দামোদৰদেৱ আদি সন্ত-মহন্তসকলক শ্ৰৱণ কীৰ্তন নাম ধৰ্ম প্ৰচাৰ কৰিবলৈ অনুৰোধ কৰে। নৰনাৰায়ণৰ নিচিনাকৈ চিলাৰায়ো সংস্কৃত ভাষাত পণ্ডিত আছিল।

চিলাৰাইৰ মৃত্যুৰ পিছলৈকে নৰনাৰায়ণৰ পুত্ৰ সন্তান জন্ম হোৱা নাছিল। চিলাৰাইৰ পুত্ৰ ৰঘুদেৱনাৰায়ণকে তেওঁ নিজৰ পুত্ৰ স্বৰূপে লালন-পালন কৰিছিল।

লক্ষ্মীনাৰায়ণৰ জন্ম

ৰঘুদেৱনাৰায়ণ যুৱক হোৱাৰ সময়তহে নৰনাৰায়ণৰ পুত্ৰ সন্তান এটিৰ জন্ম হৈছিল। সেই সন্তানটিৰ নাম ৰখা হৈছিল 'লক্ষ্মী-নাৰায়ণ'। লক্ষ্মীনাৰায়ণ জন্ম নোহোৱালৈকে ৰঘুদেৱে নিজকে কোচৰাজ্যৰ ভবিষ্যত উত্তৰাধিকাৰী বুলি ভাবিছিল। লক্ষ্মীনাৰায়ণ জন্ম হোৱাৰ লগে লগে ৰঘুদেৱ-নাৰায়ণৰ সেই আশা নোহোৱা হৈ পৰিল। সেই বাবে প্ৰতাৰণাৰ

ৰঘুদেৱনাৰায়ণ

সহায় লৈ ৰঘুদেৱনাৰায়ণে কিছুমান সৈন্য-সামন্ত লগত লৈ কোচ-ৰেহাৰৰ পূৰ্বফালে অগ্ৰসৰ হৈ বিজয়পুৰত ৰাজধানী পাতিলেগৈ। নৰনাৰায়ণে ৰঘুদেৱক মাতি পঠিয়াইছিল, কিন্তু তেওঁ কোচৰেহাৰলৈ নাহিল। সেই সময়তে ৰঘুদেৱে ৰাহিৰৰঙ্গ আক্ৰমণ কৰে। ইয়াৰ ফলস্বৰূপে নৰনাৰায়ণে ৰঘুদেৱৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। নৰনাৰায়ণৰ লগত যুদ্ধ কৰিবলৈ অসমৰ্থ হৈ ৰঘুদেৱে তেওঁৰ পত্নীসকলক সৈনিকৰ পোছাক পিন্ধাই ঘোঁৰাত তুলি ৰণলৈ পঠালে। ৰঘুদেৱৰ তেনে কাৰ্যত নৰনাৰায়ণ নিজে লজ্জিত হৈ যুদ্ধ পৰিত্যাগ কৰিলে আৰু পুত্ৰৰধূসকলক ঘৰলৈ যাবলৈ নিৰ্দেশ দিলে। নৰনাৰায়ণে ৰঘুদেৱ আৰু লক্ষ্মীনাৰায়ণৰ মাজত কোচৰাজ্য ভগাই দিয়ে। সোণকোষ নদী উভয় ৰাজ্যৰ সাধাৰণ সীমা হিচাপে গ্ৰহণ কৰা হয়।

ৰঘুদেৱনাৰায়ণৰ পৰীক্ষিতনাৰায়ণ, ৰলিনাৰায়ণ (ধৰ্মনাৰায়ণ) আদি কেইবাজনো পুত্ৰ আছিল। ৰঘুদেৱে ৩২ বছৰ ৰাজত্ব কৰি মৃত্যুৰ মুখত পৰে। ইয়াৰ

পৰীক্ষিতনাৰায়ণ

পিছত পৰীক্ষিতনাৰায়ণ ৰজা হয়। পূৰ্বৰ চুক্তি ভঙ্গ কৰি পৰীক্ষিতনাৰায়ণে ৰাহিৰৰঙ্গ আক্ৰমণ কৰে। লক্ষ্মীনাৰায়ণেও পৰীক্ষিতনাৰায়ণৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এই যুদ্ধত লক্ষ্মীনাৰায়ণ পৰাজিত হয় আৰু তেওঁ সৰু ভাতৃকো চিৰদিনৰ বাবে হেৰুৱায়। লক্ষ্মীনাৰায়ণে ভনীয়েকক সম্ৰাট

আকবৰৰ ওচৰত সহায় ভিক্ষা

আকবৰৰ ওচৰত আকবৰলৈ বিয়া দিয়ে আৰু তেওঁৰ সহায় ভিক্ষা কৰে। সম্ৰাট আকবৰে পৰাণসুভা আৰু মক্ৰম খাঁৰ নেতৃত্বত এদল সৈন্যবাহিনী দি পৰীক্ষিতক জীয়াই জীয়াই বন্দী কৰি আকবৰৰ ওচৰলৈ লৈ আহিবলৈ নিৰ্দেশ দি পঠিয়ালে। মোগল সৈন্যৰ হাতত পৰীক্ষিতনাৰায়ণ বন্দী হয়। সম্ৰাট আকবৰে লক্ষ্মীনাৰায়ণ আৰু পৰীক্ষিতনাৰায়ণৰ মাজত মিত্ৰতা স্থাপন কৰি উভয়কে গৃহাভিমুখে পঠিয়ালে; কিন্তু এলাহাবাদত পৰীক্ষিতনাৰায়ণ মৃত্যুৰ মুখত পৰে।

পৰীক্ষিতনাৰায়ণক মোগল সৈন্যই বন্দী কৰি নিয়াৰ সময়তেই তেওঁৰ ভ্ৰাতৃ ৰলিনাৰায়ণে বিজয়নগৰত থকা উচিত নহয় যেন ভাবি দৰংৰাজ্য অভিমুখে যাত্ৰা

ৰলিনাৰায়ণ ৰা ধৰ্মনাৰায়ণ

কৰে। তেওঁ আহোম স্বৰ্গদেৱৰ লগত মিত্ৰতা স্থাপন কৰে। আহোম স্বৰ্গদেৱে সোণাৰীৰ জীয়ৰী এজনীৰ লগত ৰলিনাৰায়ণৰ বিয়া পাতি দিয়ে আৰু যৌতুক স্বৰূপে তেওঁক দৰঙ্গ ৰাজ্য দান কৰে। মোগলক তেওঁৰ ৰাজ্যৰপৰা খেদি পঠিয়াবলৈ ৰলিনাৰায়ণ আহোম স্বৰ্গদেৱৰ ওচৰত প্ৰতিজ্ঞাৰদ্ধ হয়। ৰলিনাৰায়ণ ৰৰ ধাৰ্মিক আছিল সেই বাবে তেওঁক ধৰ্ম-নাৰায়ণো ৰোলা হৈছিল। ইয়াৰ এৰছৰৰ পিছত আহোম স্বৰ্গদেৱৰ সামৰিক সাহায্য লাভ কৰি ৰলিনাৰায়ণে মোগলক পৰাজয় কৰি নিজ ৰাজ্যৰপৰা খেদি পঠিয়ায়।

এইখিনিতেই 'দৰঙ্গ ৰাজৰংশাৱলী'খন হঠাতে সমাপ্তি লাভ কৰিছে। সম্ভৱ এই পুথিখনৰ শেষৰ ফালৰ পাত কিছুমান নষ্ট হৈ গৈছে; হয়তো কিছুদিনৰ পিছত কৰিয়ে গ্ৰন্থখনি সম্পূৰ্ণ কৰাৰ কথা ভাবিছিল; কিন্তু সময়ত সি হৈ নুঠিল। 'দৰঙ্গ ৰাজৰংশাৱলী', ঐতিহাসিক কাব্য হলেও ৪০০ বছৰৰ পূৰ্বে বিশ্বসিংহই স্থাপন কৰা কোচৰাজ্য আৰু এই ৰাজ্যৰ ৰজাসকলৰ নিখুঁত আৰু নিৰ্ভুল বৰ্ণনা সংৰক্ষিত হৈছে। সেই ফালৰপৰা এই গ্ৰন্থখনিৰ ঐতিহাসিক মূল্য যথেষ্ট। অৱশ্যে গ্ৰন্থখনিৰ আৰম্ভণিতে পৰশুৰামে সমস্ত ৰস্তুন্ধৰা নিক্ষত্ৰিয় কৰা আৰু শিৱ-বীৰ্যৰপৰা বিশ্বসিংহৰ জন্ম হোৱাৰ ৰৃত্তান্তৰ কোনো ঐতিহাসিক মূল্য নাই। "এই অংশৰ a certain disregard of facts and wild exaggeration লক্ষ্য কৰি গেইটে পুথিখনৰ বৰ্ণনা ৰুৰঞ্জীৰোৱৰ দৰে নিৰ্ভৰযোগ্য নহয় বুলি কৈছে। কিন্তু ধৰ্মানুৰাগ অনুপ্ৰাণিত এনে অংশৰোৱ বাদ দিলে বংশাৱলীখনিৰ ঐতিহাসিক মূল্য খপা সোণৰ দৰে ওলাই পৰিব[১]।"

দৰঙ্গ ৰাজৰংশাৱলীৰ বিশেষত্ব ঃ

ৰলদেৱ সূৰ্যখড়ি দৈৰজ্ঞৰদ্বাৰা ৰচিত 'দৰঙ্গ ৰাজৰংশাৱলী' বিশেষত্ব সম্বলিত এখনি

(১) অসমীয়া সাহিত্যৰ ৰূপৰেখা—ডঃ মহেশ্বৰ নেওগ।

ঐতিহাসিক কাব্য। এই কাব্যখনিত কোচবাজ্য আৰু বজাসকলৰ বর্ণনা পৰিৱেশন কৰাৰ বাহিৰেও ইয়াত সেই সময়ৰ বীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ বর্ণনা সন্নিবিষ্ট কৰা হৈছে; লগতে সেইকালৰ ঐতিহাসিক, বাজনৈতিক, সাংস্কৃতিক, অর্থ-নৈতিক, কলা-কৃষ্টি, শিক্ষা-দীক্ষা, জ্যোতিষ, পুৰস্কাৰ আৰু শাস্তি, মঠ-মন্দিৰ, বানপানী, মাৰি-মৰক, অপায়-অমঙ্গল, জাতি-উপজাতি, পূজা-পাতল, উৎসৱ-অনুষ্ঠান আদিৰ মধুৰ বর্ণনা সংৰক্ষিত হৈছে। সেই ফালৰপৰা 'দৰঙ্গ বাজবংশাৱলী' এখন অনুপম কাব্য।

সেই সময়ত আহোমসকলক 'অসম' বোলা হৈছিল। বিশ্বসিংহৰ দিনত যুদ্ধৰ প্রধান অস্ত্র স্বৰূপে বন্দুক ব্যৱহাৰ কৰা হৈছিল। নেপাল, গৌড়, কাশ্মীৰ, কাশী, মিথিলা আদিৰ লগত প্রাচীন কালৰেপৰা যে অসমৰ লগত বৈবাহিক, সাংস্কৃতিক, বাজনৈতিক আদিৰ ক্ষেত্রত সম্বন্ধ বক্ষিত হৈ আহিছিল তাৰ আভাস, বিশ্বসিংহই বিভিন্ন বাজ্যৰ লগত স্থাপন কৰা বৈবাহিক সম্বন্ধৰপৰাই বুজিব পাৰি। বাজপুত্র-সকলে যে সেই সময়ত বাজ্যৰ যাবতীয় সক-ৰব সকলো কার্য সম্পাদন কৰিব লাগিছিল তাৰ আভাস বিশ্বসিংহই তেওঁৰ অষ্টাদশ পুত্রৰ মাজত কামৰ ভাগ কৰি দিয়াৰপৰা উপলব্ধি কৰিব পাৰি। নৰনাৰায়ণৰ সময়ত মণিপুৰক 'মগল' দেশ আৰু 'চিলেট' জিলাক 'চিৰাঠ' দেশ বোলা হৈছিল। কালাপাহাৰে কামাখ্যাদেৱীৰ মন্দিৰ ধ্বংস কৰাৰ আভাসো 'দৰঙ্গ বাজবংশাৱলী'য়ে আমাক দিয়ে। আকবৰৰ লগত মিত্রতা স্থাপন কৰি গৌড় বাজ্য জয় কৰিবলৈ যোৱাৰপৰা নৰনাৰায়ণ-চিলাৰায়ৰ পৰৰাষ্ট্র-নীতি যে উচ্চগাপৰ আছিল তাৰ আভাস পোৱা যায়। সেই সময়ত বর্তমান বঙ্গদেশৰ সু-বিস্তৃত এটি অঞ্চল অসমৰ অন্তর্গত আছিল।

বিশ্বসিংহ তথা নৰনাৰায়ণৰ সময়ত শিক্ষা-দীক্ষাৰ প্রতি মানুহৰ গভীৰ অনুৰাগ আছিল। দেশ-ভাষা অধ্যয়ন কৰাৰ বাহিৰেও বিদেশলৈ গৈ হলেও সংস্কৃত ভাষাত উচ্চ শিক্ষা গ্রহণ কৰা হৈছিল। উদাহৰণ স্বৰূপে আমি বিশ্বসিংহৰ পুত্র মল্লদেৱ আৰু শুক্লধ্বজলৈ আঙুলিয়াৰ পাৰোঁ। মল্লদেৱ আৰু শুক্লধ্বজ উভয়কে উচ্চ শিক্ষা লাভ কৰিবৰ নিমিত্তে বাৰাণসীলৈ পঠোৱা হৈছিল। পঢ়িব লগীয়া বিষয়ৰ পৰিসৰ বৰ ব্যাপক ধৰণৰ আছিল। সেই বিষয়বোৰ হৈছে: ব্যাকৰণ, পুৰাণ, শ্রুতি, স্মৃতি, মীমাংসা, ধনুর্বেদ, অথর্ববেদ, জ্যোতির্বেদ, তর্কশাস্ত্র। ইয়াৰ বাহিৰেও সম-দম-দায়া-ভেদ-ন্যায়-নীতি ইত্যাদিৰ বিষয়েও অধ্যয়ন কৰিব লাগিছিল। মল্লদেৱ আৰু শুক্লধ্বজে বাৰাণসীত ব্রহ্মানন্দ সন্ন্যাসীৰ তলত ওপৰোল্লিখিত বিষয়বোৰ পঢ়িছিল। যেনে—

"সন্ন্যাসীও দায়া কৰি দুহাঙ্কো বাখিলা।
গুকৰ বচনে দুয়ো শাস্ত্র অভ্যাসিলা॥
ব্যাকর্ণ পুৰাণ শ্রুতি স্মৃতি মীমাংসাৰ।
শিকিলন্ত অস্ত্র শস্ত্র অথর্ব বেদৰ॥
সম-দম দায়া-ভেদ ন্যায়-নীতি যত।
জ্যোতির্বেদ তর্কশাস্ত্র শিকে নানামত॥"

বিশ্বসিংহ-নৰনাৰায়ণ আদি বজাসকলৰ দিনত যোগ্যজনক যিদৰে উপযুক্ত পুৰস্কাৰ দিয়া হৈছিল তেনে দৰে গুৰুতৰ দণ্ডবিধানো কৰা হৈছিল। ব্রাহ্মণক দণ্ডবিধান প্রায়ে কৰা নহৈছিল। ভুলক্রমে যদি কোনো ব্রাহ্মণ কেতিয়াবা দণ্ডিত হয়, তাৰ বাবে দণ্ডবিধানকাৰী প্রায়শ্চিত্ত হব লগীয়া হৈছিল। নাৰায়ণ চক্রৱর্তী নামৰ পণ্ডিত ব্রাহ্মণ এজনক বজা নৰনাৰায়ণে অজানিতে দণ্ডবিধান কৰাৰ বাবে তেওঁ প্রায়শ্চিত্ত হব লগীয়া হৈছিল—

"বাজা বোলে বিষ্ণু বিষ্ণু কৃষ্ণ ভৱহাবি।
পাপ কৰাইলন্ত মোক অজ্ঞান দুৱাৰী॥
এহি বুলি ব্রাহ্মণক কৰিলা সন্মান।
দুইশত সুৱর্ণক কৰিলন্ত দান॥
পাঞ্চ সহস্রেক ৰূপ দিলা ভাল চাই।
অপৰাধ ক্ষমা মোক ব্রাহ্মণ গোসাই॥"

'দৰঙ্গ বাজবংশাৱলী'য়ে আমাক সেই সময়ত অসম দেশত বাস কৰা নানা জাতি-উপজাতি আৰু সেইবিলাকৰ বিভিন্ন কর্মাদিৰ আভাস আমাক দিয়ে। সেই সময়ত অসমত মেচ, কুবাচ, কছাৰী, ব্রাহ্মণ, দৈৱজ্ঞ, ক্ষত্রিয়, শূদ্র, বৈশ্য আদি নানা জাতি উপজাতিয়ে বাস কৰিছিল। ব্রাহ্মণবিলাকে বেদ পঢ়িছিল, দৈৱজ্ঞই গ্রহ গণনা কৰিছিল। বৈষ্ণৱসকলে নাম-কীর্তন কৰিছিল, নট-ভাট আদিয়ে কীর্তন কৰিছিল, যবন-ফার্চি ইত্যাদিয়ে কোৰাণ পাঠ কৰিছিল। বৈশ্যই বেপাৰ-বণিজ কৰিছিল আৰু কৃষকসকলে হৃষ্টচিত্তে কৃষি কর্মত মনোনিবেশ কৰিছিল। ইয়াৰ বাহিৰেও দেওধাই, নট-নটী আদিয়ে নিজ নিজ কাম আনন্দমনেৰে কৰিছিল।

সেই সময়ৰ মানুহবিলাক আত্মনির্ভৰশীল আছিল। নিজৰ আৱশ্যকীয় সকলো কাম নিজেই কৰি লৈছিল। নিজৰ দেশৰ মানুহবদ্বাৰাই বাজ্যৰ সকলো কাম কৰা হৈছিল। বজাঘৰীয়াভাৱে বন্দুকী, সোণাৰী, কমাৰ, কঁহাৰ, কুমাৰ, গায়ন-বায়ন,

তেলী, ধোবা, জোলা, তাঁতী, খেতিয়ক, বজক, তন্তবায়, চমাৰ, মুচিয়াৰ, হাৰী, নাপিত, মালী, শিলাকুটি, সূতাৰ, বাঢ়ই, শিল্পকাৰ, চূণেৰী, হিৰা, কৈবর্ত আদিক সহায়-সাহায্য কৰা হৈছিল আৰু তেওঁলোকক সম্মানো কৰা হৈছিল। এইসকল লোকেই দেশৰ আৱশ্যকীয় সকলো কাম কৰি দেশৰ অর্থনৈতিক অৱস্থা টনকিয়াল কৰিছিল।

সেই সময়ত সর্বসাধাৰণৰ মাজত ধর্মৰ প্রতি গভীৰ আস্থা আছিল। বিশ্বসিংহ, নৰনাৰায়ণ, চিলাৰায়, ৰঘুদেৱনাৰায়ণ আদি ৰজাসকল পৰম ধার্মিক আছিল। তেওঁলোক দেৱীপূজক আছিল। সেই সময়ত তন্ত্র-মন্ত্রৰ প্রাধান্য আছিল। কামাখ্যা, দুর্গা, মহাদেৱ আৰু অন্যান্য দেৱ-দেৱীক ম'হ, ছাগলী, হাঁহ-পাৰ, মাছ-কাছ, হৰিণ আদি বলি দি পূজা কৰা হৈছিল। যুদ্ধ যাত্রাৰ সময়ত কামাখ্যাদেৱীক বলি-বিধান দি পূজা কৰা নিয়ম আছিল। বিশ্বসিংহ, নৰনাৰায়ণ, চিলাৰায় কামাখ্যাদেৱীৰ ভক্ত আছিল। মহাকাল আৰু মহাকালীৰ পূজাৰো প্রচলন আছিল। পুৰশ্চৰণ প্রক্রিয়াও চলিছিল। ৰজা নৰনাৰায়ণ দেৱীপূজক আছিল যদিও তেওঁ বৈষ্ণৱ ধর্মৰ প্রতি বিদ্বেষী নাছিল। বৈষ্ণৱ সন্ত-মহন্তসকলক তেওঁ বৰ শ্রদ্ধা আৰু সম্মান কৰিছিল। ইয়াৰ উদাহৰণ স্বৰূপে নৰনাৰায়ণে শঙ্কৰদেৱ, দামোদৰদেৱ আদিৰ প্রতি দেখুৱা সম্মান আৰু শ্রদ্ধালৈ আমি আঙুলিয়াব পাৰোঁ। সেই সময়ত শঙ্কৰদেৱ প্রৱর্তিত নৱ বৈষ্ণৱ ধর্মৱো প্রাধান্য লাভ কৰিছিল।

'দৰঙ্গ ৰাজৱংশাৱলী'য়ে সেই সময়ৰ অসমত থকা মঠ-মন্দিৰ আৰু সেই মঠ-মন্দিৰৰ আৱশ্যকীয় সা-সামগ্রীৰ বিষয়েও আমাক জানিবলৈ দিছে। বিশ্বসিংহ, নৰনাৰায়ণ, ৰঘুদেৱনাৰায়ণ আদি ৰজাসকলৰ ৰাজত্বকালত কমতেশ্বৰী মন্দিৰ, ৰাণেশ্বৰ মন্দিৰ, ত্রিশূলাদেৱীৰ মন্দিৰ, গোপেশ্বৰ মন্দিৰ, ভৈৰৱীৰ মন্দিৰ, কামাখ্যাদেৱীৰ মন্দিৰ ; আৰু হাজোৰ মণিকূট, গণেশ্বৰ, কেদাৰমল, গোকর্ণ, অপূর্ণভৱ, গৰুড়াচল, কামেশ্বৰ আদি তীর্থস্থানে ৰজা-প্রজা-বিষয়া আদিক আকর্ষণ কৰিছিল। মঠ-মন্দিৰ আদিৰ নির্মাণ কার্য ৰৰকাথে কৰিছিল। ইটা ঘিউত ভাজি কৰালৰ সহায়ত মন্দিৰ নির্মাণ কৰা হৈছিল। মঠ-মন্দিৰৰ নির্মাণ কার্যত শিলাকুটি, সূতাৰ, বাঢ়ই, শিল্পকাৰ, চূণেৰী সোণাৰী, কমাৰ আৰু কুমাৰেও সহায় কৰিছিল। কালাপাহাৰে ধ্বংস কৰা কামাখ্যাদেৱীৰ মন্দিৰ নৰনাৰায়ণ-চিলাৰাইৰ নির্দেশমতে মেঘামুকডুমে নির্মাণ কৰিছিল। হাজোৰ মাধৱ মন্দিৰ নির্মাণ কৰিবলৈ ৰঘুদেৱনাৰায়ণে ৰৰকাথ সুমৰক আদেশ দিছিল। মন্দিৰৰ আৱশ্যকীয় সামগ্রীৰোৰ হৈছে ম'হ, পঠা, হৰিণ আদি বলি

দিয়া দা, সিংহাসন, মাইহাঙ্গ, ৰটা, ঠগি, শঙ্খ, ঘণ্টা ইত্যাদি। প্রত্যেক মন্দিৰতে একোজনকৈ দেউৰী আছিল।

'দৰঙ্গ ৰাজৱংশাৱলী'বপৰা সেই সময়ত ব্যৱহাৰ কৰা নানা ধৰণৰ বাদ্য-যন্ত্রাদিৰ বিষয়ে জনা যায়। সেই সময়ত ব্যৱহাৰ কৰা বাদ্য-যন্ত্রাদিৰোৰ হৈছে : শঙ্খ, ঘণ্টা কৰতাল, দুন্দুভি, ঢাক, ঢোল, ডগৰ, নাগাৰা, ৰামৰেনা, কৰিলাস, খঞ্জৰীকা (খুঞ্জুৰী ?), মোহৰী, দোতোৰা, ৰৰাৰ, সাৰিঙা, বাঁশী, ঝিলি, ঝিঞ্জিৰিকা, কদ্রক, টোকাৰী, তুড়ি, মৃদঙ্গ, মন্দিৰা, খোল, ধেমেচি, গোগোণা (গগণা ?), মুকুৰী, উপাঙ্গ, ৰৰকাঙ্খ (ৰৰকাঁহ), মচুৰই, জয়কালি, ভেৰী, ৰামশিঙ্গা, ৰামতাল, ঝোঞ্জৰা, গোমুখ, ৰীৰকালি, সিংঘৰান, তৰল (তৰলা ?), দোচৰি, ঢোলোক, মাদল, তাল ইত্যাদি।

কোচৰজাসকলৰ দিনত বিশেষকৈ নৰনাৰায়ণ আৰু চিলাৰাইৰ দিনত ভাষা সাহিত্যৰ চর্চা যে ব্যাপকভাৱে হৈছিল তাৰ আভাস 'দৰঙ্গ ৰাজৱংশাৱলী'য়ে আমাক দিয়ে। গৌড় কামৰূপ আদিত যিমানবিলাক পণ্ডিত আছিল সেইসকলক মতাই আনি 'সভ্র-দেৱাল' পাতি ৰজা নৰনাৰায়ণে কলে :

'বোলে বিপ্র পণ্ডিত সমস্তে শুনিয়োক।
কলিৰ যুগত বৃদ্ধি হৈব ভয় শোক ॥
অল্প আয়ু অল্প বুদ্ধি হৈবেক নিঃশেষ।
লোপ হৈব পূর্বশাস্ত্র গ্রন্থাদি বিশেষ ॥'

সেই বাবে নৰনাৰায়ণে পুৰুষোত্তম ভট্টাচার্য দ্বিজক ৰত্নমালা ব্যাকৰণ ৰচনা কৰিবলৈ, ৰামসৰস্বতীক মহাভাৰতৰ পদ ৰচনা কৰিবলৈ, শঙ্কৰদেৱক দ্বাদশস্কন্ধ ভাগৱত অসমীয়া ভাষাত ৰচনা কৰিবলৈ, শ্রীধৰক জ্যোতিষ ভাঙি সাধ্যখণ্ড ৰচনা কৰিবলৈ, বকুল কায়স্থক লীলাৱতী ভাঙিবলৈ নির্দেশ দিলে :

'শুনিয়ো পুৰুষোত্তম ভট্টাচার্য দ্বিজ।
কৰিয়োক ৰত্নমালা ব্যাকর্ণৰ বীজ ॥
সম্প্রতিকে স্ত্রীয়ে শূদ্রে পঢ়িব যতনে।
কিছু শেষ ভৈলে পঢ়িবে বিপ্রগণে ॥
শুনিয়োক আজ্ঞা মোৰ ৰাম সৰস্বতী।
ভাৱতৰ পদ তুমি কৰিয়ো সম্প্রতি ॥

* * * *

শুনিয়ো শঙ্কৰ তুমি ভক্ত মহাজন।
বাঢ়য় কন্ধৰ পদ কৰা নিবন্ধন॥
* * * *
শুনিয়ো শ্রীধৰ তুমি মোৰ বাক্য ধৰা।
জ্যোতিষক ভাঙ্গি তুমি সাধ্যখণ্ড কৰা॥
বকুল কায়স্থ তুমি ভাঙ্গা লীলাৱতী।
অল্পতে বুজয় যেন কায়স্থে সম্প্রতি॥'

এই দৰে নৰনাৰায়ণৰ ৰাজত্বকালতে অসমীয়া মহাভাৰত, ভাগৱত, অষ্টাদশ পুৰাণ জ্যোতিষ আৰু গণিত অসমীয়া ভাষাত ৰচিত হয়।

'দৰঙ্গ ৰাজবংশাৱলী'য়ে তদানীন্তন অসমীয়া কলাকৃষ্টি আৰু সংস্কৃতিৰ আভাসো আমাক দিয়ে।

সেই সময়ত বাল্য-বিবাহ প্ৰচলন আছিল। আলি-পদূলি বন্ধা, পুখুৰী-খন্দা ইত্যাদিক ধৰ্মমূলক কাম বুলি ভৱা হৈছিল। সন্ন্যাসী, বৈৰাগী, ভিক্ষাৰী, যতী, যোগী, ব্ৰহ্মচাৰী আদিক ৰজাঘৰীয়াভাৱে পৰিচৰ্যা কৰা হৈছিল। মানুহ মৰিলে প্ৰেম কৰ্ম, ব্ৰহ্ম ভোজন, ৰুষোৎসৰ্গ, দানোৎসৰ্গ ইত্যাদি কৰা হৈছিল। সেই সময়ত বিধিসম্মতভাৱে প্ৰায়শ্চিত্তৰো ব্যৱস্থা আছিল। কোচবংশীয় ৰজাসকলে কোচ, মেচ, কছাৰী আদিৰ লগত কোনো সামাজিক অসুবিধা নোহোৱাকৈ সম্বন্ধ স্থাপন কৰিব পাৰিছিল। যাত্ৰাদিৰ শুভক্ষণ পণ্ডিত, দৈৱজ্ঞ আদিৰদ্বাৰা নিৰ্ণয় কৰা হৈছিল। পূজাদিত কছাৰীবিলাকে মদ-ভাত খাই মাদল বজাই নৃত্য কৰিছিল। দেওধাইৰো প্ৰচলন আছিল। মন্দিৰৰ দেউৰী কছাৰীকো পতা হৈছিল। সেই সময়ত তন্ত্ৰ-মন্ত্ৰৰ প্ৰাধান্য আছিল। ৰজা সেনাপতি আদিয়েও তন্ত্ৰ মন্ত্ৰাদি জানিছিল। কোচ সেনাপতি চিলাৰায়ে সৰ্পই দংশন কৰা গৌড়ৰ পাৎছাৰ মাতৃক আৰোগ্য কৰাৰপৰা ইয়াৰ প্ৰমাণ পাব পাৰি। সন্ন্যাসীবিলাকেও তন্ত্ৰ-মন্ত্ৰ জানিছিল। আনকি তেওঁলোকে মন্ত্ৰৰ সহায়ত মানুহো মাৰিব পাৰিছিল। পুত্ৰ জন্ম হলে দান-দক্ষিণা কৰা হৈছিল। যি মাটিত ভেকুলীয়ে সাপ ভক্ষণ কৰে সেই মাটি উত্তম মাটি বুলি এতিয়াও আমাৰ এটি সামাজিক বিশ্বাস আছে। এনে মাটিত যে ৰাজধানী বা নগৰ স্থাপন কৰা প্ৰশস্ত তাৰ আভাস ৰঘুদেৱনাৰায়ণে ৰাজধানী প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত পাব পাৰি :

'ৰজাৰ আদেশে দূতে দশোদিশে গৈলা।
যৈতে আছে বীৰ মাটি বিচাৰিবে লৈলা॥

একডাল ঘিলাগছ আছে অৰণ্যত।
প্ৰজতি আছয় সিটো অনেক বৃক্ষত॥
তাহাৰ তলত এক মেণ্ডেপি আছন্ত।
সৰ্পক ধৰিয়া অৰ্দ্ধখান গিলিছন্ত॥
দেখিয়া কহিলা দূতে ৰজাৰ আগত।
বোলে বীৰ মাটি পাইলো শাস্ত্ৰৰ সম্মত॥'


'দৰঙ্গ ৰাজবংশাৱলী'ত সেই সময়ৰ অসমৰ ভৌগোলিক অৱস্থাৰ বৰ্ণনাও পোৱা যায়। ইয়াৰ বাহিৰেও সেই সময়ত যে অসমত প্ৰলয়ঙ্কাৰী ৰানপানী হৈছিল আৰু ইয়াৰ ফলত যে ৰজা-প্ৰজা সকলোৰে দুখ-দুৰ্গতি হৈছিল, মাৰি-মৰক ইত্যাদিত যে বহুতো মানুহ মৰিছিল ইত্যাদিৰ আভাসো এই গ্ৰন্থখনিত পোৱা যায়।

কাব্য স্বৰূপেও দৰঙ্গ ৰাজবংশাৱলীৰ মূল্য নোহোৱা নহয়। বিশেষকৈ ইয়াত পৰিৱেশন কৰা মন্দিৰ, স্থান, অভিষেক, যুদ্ধ ইত্যাদিৰ বৰ্ণনাসমূহ মধুৰ আৰু সৰস হৈছে। এই কাব্যখনিত অলঙ্কাৰ প্ৰয়োগৰ প্ৰাচুৰ্য লক্ষ্য কৰা নাযায়। 'দৰঙ্গ ৰাজবংশাৱলী'ত মুঠতে পাঁচবিধ ছন্দ ব্যৱহাৰ কৰা হৈছে, যেনে—পয়াৰ, ছবি, দুলড়ি আৰু ইন্দ্ৰবজ্ৰা ছন্দ। ইয়াৰ ভিতৰত ইন্দ্ৰবজ্ৰা ছন্দ প্ৰয়োগ কৰাৰ ক্ষেত্ৰত ৰলদেৱ সূৰ্যখড়ি দৈৱজ্ঞ অসমীয়া পুৰণি সাহিত্যত একক আৰু অদ্বিতীয় বুলি কব পাৰি।

মুঠতে 'দৰঙ্গ ৰাজবংশাৱলী'ত কোচৰাজ্য আৰু ৰজাসকলৰ বিষয়ে বিস্তৃত বৰ্ণনা পোৱাৰ উপৰিও সেই সময়ৰ অসমৰ ৰীত-নীতি, আচাৰ-ব্যৱহাৰ, কলা-কৃষ্টি-সংস্কৃতি, ৰাজনৈতিক, অৰ্থনৈতিক, ভৌগোলিক আৰু ধাৰ্মিক জীৱনৰ আভাসো ইয়াত পোৱা যায়। সেই ফালৰপৰা সূৰ্যখড়ি দৈৱজ্ঞৰদ্বাৰা ৰচিত 'দৰঙ্গ ৰাজবংশাৱলী' এখনি অনুপম গ্ৰন্থ।

শ্ৰীনবীনচন্দ্ৰ শৰ্মা

দৰঙ্গ ৰাজবংশাৱলী





সবারে হৃদিত প্রভু আছাঁ নারায়ণ ॥

শ্রীকৃষ্ণায় নমঃ

পয়াৰ

মঙ্গলাচৰণ

প্রথমে প্রণামো নাৰায়ণ বাসুদেৱ।
ব্রহ্মা মহেশ্বৰে যাক সদা কৰে সেৱ॥
মৎস্যৰূপে চাৰি বেদ কৰিলা উদ্ধাৰ।
কুর্মৰূপে ধৰণীৰ বহিলাহাঁ ভাৰ॥ ১

যজ্ঞ ৰৰাহৰূপে ভূমিক উদ্ধাৰি।
নৰসিংহে হিৰণ্যকশিপু দৈত্য মাৰি॥
বামন স্বৰূপে ছলিলাহাঁ দৈত্যপতি।
পর্শুৰামৰূপে ক্ষত্রী বধিলা সম্প্রতি॥ ২

শ্রীৰামস্বৰূপে বধিলাহাঁ বাৱণক।
হলিৰামৰূপে সংহাৰিলাঁ দ্বিবিদক॥
বোধৰূপে মোহিলাহাঁ সমস্তে লোকক।
কল্কীৰূপে মাৰিবাহাঁ সবে পাষণ্ডক॥ ৩

হেন দশৰূপ কৃষ্ণ পূর্ণানন্দ হৰি।
যাৰ নাম লৈলে মহাপাতকীয়ো তৰি॥
মূর্খেও পণ্ডিত হোৱে লৈলে যাৰ নাম।
হেনয় কৃষ্ণক কৰোঁ সহস্র প্রণাম॥ ৪

অণ্ডজ স্বেদজ জৰায়ুজ উদ্ভিজন।
সবাৰে হৃদিত প্রভু আছাঁ নাৰায়ণ॥

পণ্ডিত পাৱন পূর্ণদেৱ হৃষিকেশ।
আমাৰ হৃদিত থাকি দিয়ো উপদেশ ॥ ৫

জয় বাগেশ্বৰী দেৱী জগত জননী
পদ্মহস্তা হৰিপ্রিয়া বাক্যবিধায়িনী ॥
ত্রিদশে কৰয় পূজা তোমাৰ চৰণে।
কৃষ্ণৰ কণ্ঠত তুমি থাকা সর্বক্ষণে ॥ ৬

মালা-বীণা শোভে যাৰ পুস্তক হস্তত।
তোমাৰ চৰণে নমস্কাৰ কোটি শত ॥
শুক্র আদি কবিগণে সতত ধিয়াই।
ব্রহ্মা আদি দেৱে পূজা কৰন্ত সদাই ॥ ৭

পাতালে কৰয় পূজা যত নাগগণে।
কৰোঁ প্রণিপাত পৰি তোমাৰ চৰণে ॥
একোৱে নজানো মঞি মহামূঢ়মতি।
মোহোৰ কণ্ঠত থাকি দিয়ো অনুমতি ॥ ৮

প্রণামোহো লম্বোদৰ দেৱ গণেশ্বৰ।
যাহাৰ প্রসাদে বিঘ্নি হৰে সমস্তৰ ॥
সমস্তে দেৱৰে ৰাজা পার্বতীনন্দন।
কৌটি নমস্কাৰ কৰোঁ তোমাৰ চৰণ ॥ ৯

অবিঘ্নি কৰিয়ো মোৰ কর্ম আৰম্ভত।
কৰিয়োক নষ্ট বিঘ্নিগণ আছে যত ॥
যাত্রা মঙ্গলত সিদ্ধি তোমাক স্মৰণে।
হেন একদন্ত পাৱে পশিলোঁ শৰণে ॥ ১০

সমস্তে বিঘ্নিক হৰাঁ দেৱ গণপতি।
সমস্তে ব্যাধিক নষ্ট কৰিয়ে সম্প্রতি ॥

সমস্তে সিদ্ধিক দিয়াঁ মহেশ নন্দন।
কৰোঁ প্রণিপাত পৰি তোমাৰ চৰণ ॥ ১১

হে শম্ভু প্রমথৰ পতি উগ্রশিৱ।
গৌৰীৰ নায়ক প্রভু জগতৰ জীৱ ॥
ভকতক ৰক্ষা কৰাঁ বাঞ্ছিতক সিদ্ধি।
ললাটে কৰয় শোভা শশী কলানিধি ॥ ১২

প্রণামো ঈশান দেৱ কামবিনাশন।
কৌটি নমস্কাৰ কৰোঁ তোমাৰ চৰণ ॥
প্রণামো শ্রীকণ্ঠ দেৱ নমো মৃত্যুঞ্জয়।
তোমাৰ চৰণে প্রভু গৈলোহো বিক্রয় ॥ ১৩

সর্বভূত অন্তর্য্যামী পার্বতীৰ দেৱ।
নমো গঙ্গাধৰ লক্ষ কৌটি কৰো সেৱ ॥
মহামূঢ় জন আমি একোকে নজানি।
কৰাঁ অনুগ্রহ মোক দেৱ শূলপাণি ॥ ১৪

যাহাৰ কটাক্ষে হৱে জগত প্রলয়।
যাহাৰ প্রসাদে সৃষ্টি পুনৰূপি হয় ॥
হেন মহেশ্বৰ পাৱে পশিলোঁ শৰণে।
কৃপা কৰিয়োক মোক তোমাৰ চৰণে ॥ ১৫

উমা আদ্যা সনাতনী পতিত পাৱনী।
নাৰায়ণী তৰ নাম নাৰকী তাৰিণী ॥
গৌৰীমেধা ক্ষমাধাত্রী লক্ষ্মী সৰস্বতী।
বিশ্বৰূপা বিশালাক্ষী ভৱানী পার্বতী ॥ ১৬

দেৱক কৰিলা ৰক্ষা অসুৰৰ ৰণে।
সৰে দেৱে স্তুতি কৰে তোমাৰ চৰণে ॥

অন্তকালে বিশ্বখান উদৱত ভৰি।
থাকাহাঁ আপুনি নিজ সৃষ্টিক সংহৰি॥ ১৭

কটাক্ষতে হোৱে যাৰ সৃষ্টি উতপন।
হেন জানি তযুপাৱে পশিলোঁ শৰণ॥
বুদ্ধি দিয়াঁ যশ দিয়াঁ কবিতা অন্বয়।
মোৰ যত মূঢ়মতি কৰিয়োক ক্ষয়॥ ১৮

গুৰু ব্রহ্মা গুৰু বিষ্ণু গুৰু মহেশ্বৰ।
চৰাচৰ জগতৰ গুৰু যে ঈশ্বৰ॥
যিটো গুৰু দিলা বিদ্যা হৃদয়ৰ কবি।
তাহাঙ্ক প্রণামো শত ভৰি আগবাঢ়ি॥ ১৯

সংসাৰত বিষ্ণুভক্ত আছে যত যত।
একেবাৰে প্রণামো সবাৰে চৰণত॥
মঞি মহা অধমক কৰিয়োক দায়া।
তোমাসাৰ প্রমাদত নিস্তৰিবোঁ মায়া॥ ২০

বোলো কৰযোৰে শুনা সবে সভাসদ।
শিৱপুত্র বিশ্বসিংহ নৃপতিৰ পদ॥
মোৰ পদ বুলি নধৰিবা গুণ-দোষ।
শিৱ বংশাৱলী শুনি হুয়োক সন্তোষ॥ ২১

কবিৰ প্রতি ৰজা সমুদ্রনাৰায়ণৰ আদেশ

সমুদ্রনাৰায়ণে বোলে মোৰ বাক্য শুন।
মোৰ উৰ্দ্ধ পুৰুষে কৰিছে যত গুণ॥
কেন মতে বিশ্বসিংহ নৰপতি ভৈলা।
কাহাৰ বংশত আহি উতপতি হৈলা॥ ২২

কতেক ভৈলন্ত তান বংশধৰ সুত।
কোন কোন ৰাজা হৈলা কহিয়ো প্রস্তুত॥

ৱৈষ্ণৱ ৰাজাৰ কথা শুনে যিটো জন।
ব্রহ্মহত্যা আদি পাপ হোৱয় মোচন॥ ২৩

পাণ্ডৱৰ চৰিত্র শুনিয়া জন্মেজয়।
ব্রহ্মবধ নষ্ট কৈলা দেখিয়ো প্রত্যয়॥
পদ-বন্ধে শুনিবাক মোৰ যাই চিত।
কহিয়ো দৈৱজ্ঞ তুমি ৰাজাৰ চৰিত্র॥ ২৪

দৈৱজ্ঞ বদতি তুমি ৰাজাৰ নন্দন।
তযু আজ্ঞা পালিবাক লাগে সৰ্বক্ষণ॥
যি কথা পুছিলা আতি পৰম গহন।
কেনে পদ নিৱন্ধিবো আমি মূর্খ জন॥ ২৫

এহি বুলি কৃষ্ণৰ চৰণ মনে ধৰি।
গুৰুৰ চৰণে মনে নমস্কাৰ কৰি॥
জয়কৃষ্ণ জয়কৃষ্ণ মনে উচ্চাৰিলা।
পুৰাতন কথা কহিবাক আৰম্ভিলা॥ ২৬

বিশ্বসিংহৰ পূর্ব-পুৰুষৰ বিষয়ে কথন

পূর্বে চন্দ্রবংশী ৰাজা হৈহৈয় তনয়।
সহস্র অর্জুন নামে ভূপাল দুর্জয়॥
মৃগয়াক গৈলা ৰাজা সৈন্যগণ লৈয়া।
যমদগ্নি ঋষিৰ আশ্রম পাইলা গৈয়া॥ ২৭

যমদগ্নিৰ আশ্রমত অতিথি স্বৰূপে সহস্রার্জুনৰ আগমন

অনন্তৰে অষ্টাঙ্গত ভৈলা দিবাকৰ।
ঋষিৰ আশ্রমে ৰহিলেক নৃপবৰ॥
নৃপতি ৰহিলা দেখি যমদগ্নি ঋষি।
সাদৰ কৰিলা তাসু পৰম হৰিষি॥ ২৮

ষড়ৰসে পঞ্চামৃতে কৰাইলা ভোজন।
বস্ত্র অলঙ্কাৰ দিয়া সন্তোষিলা মন॥

নৃপতিৰ লগে সৈন্য আছিল যতেক।
গাৱে গাৱে সমস্তকে ভুঞ্জাইলা প্রত্যেক ॥ ২৯

বস্ত্র অলঙ্কাৰ দিয়া সবাকো তুষিলা।
দেখি নৃপতিৰ মনে বিস্ময় মিলিলা ॥
পৰম আশ্চর্য্য কর্ম অতি অদ্ভূত।
কামধেনু আছে হেন মানিলা প্রস্তুত ॥ ৩০

ঋষি ধর্ম নুহি কামধেনু পুষিবাৰ।
আমাৰে সে যোগ্য কামধেনু নাম যাৰ ॥
এহি বুলি কামধেনু হৰিলা ঋষিৰ।
আপন গৃহক চলি গৈলা মহাবীৰ ॥ ৩১

সহস্রার্জুনবদ্ধাৰা কামধেনু হৰণ

অনন্তৰে পর্শুৰাম গৃহে আসিলন্ত।
সকল বৃত্তান্ত যমদগ্নি কহিলন্ত ॥
কামধেনু হৰি নিলে নৃপ দুৰাচাৰ।
এই শুনি পর্শুৰাম ক্রোধিলা অপাৰ ॥ ৩২

পর্শুৰামৰ প্রতিজ্ঞা, সহস্রার্জুন নিধন আৰু কামধেনু হৰণ

পিতৃৰ আগত কহে প্রতিজ্ঞা বচন।
সত্যে কামধেনু আনি দিবোঁ এতিক্ষণ ॥
এহি বুলি পর্শুৰাম নাথাকিল ৰই।
সহস্রার্জুনৰ গৃহে প্রৱেশিলা গই ॥ ৩৩

নৃপতিক বোলে শুন মহাদুষ্ট মতি।
কি কাৰণে কামধেনু হৰিলি সম্প্রতি ॥
শুনি তান বাক্য নসহিলা নৃপবৰ।
পর্শুৰাম সমে ঘোৰ কৰিলা সমৰ ॥ ৩৪

সমৰত ৰামে শিৰ কাটিলা ৰাজাৰ।
কামধেনু লৈয়া আসিলন্ত পুনর্বাৰ ॥

পিতৃৰ আগত কৈলা বিৱৰণ যত।
শুনিয়া আনন্দ ভৈলা ঋষিৰ মনত ॥ ৩৫

কতিপয় দিন আছিলন্ত বঙ্গমনে।
পর্শুৰাম গৈলা তীর্থ কৰিবাক মনে ॥
সেহি বেলা সহস্রার্জুনৰ পুত্রগণ।
সবে মিলি এক থানে কৰি আলোচন ॥ ৩৬

আমাৰ পিতৃক কাটিলেক যিটো জন।
তাহাৰ পিতৃৰ শিৰ কাটিবোঁ এখন ॥
অনন্তৰে চৰ মুখে বার্তাক পাইলন্ত।
গৃহে নাহি পর্শুৰাম তীর্থক গৈলন্ত ॥ ৩৭

সহস্রার্জুনৰ পুত্রসকলবদ্ধাৰা যমদগ্নি-হত্যা আৰু ৰেণুকাৰ বিলাপ

অকলে আছয় যমদগ্নি মহাশয়।
হেন শুনি তাসম্বাৰ আনন্দ হৃদয় ॥
চোৰ ৰূপে সবে গৈলা অস্ত্র-শস্ত্র ধৰি।
সমাধিত আছে ঋষি হৰিক সুমৰি ॥ ৩৮

আগ-পাচ নচাইলেক ৰাজপুত্র গণে
ঋষিৰ শিৰক কাটিলেক তেতিক্ষণে ॥
শিৰ লৈয়া গৈলা সৰে আপোন গৃহক।
কান্দিলা ৰেণুকা শোক কৰিয়া অনেক ॥ ৩৯

হাঁ হাঁ প্রাণ স্বামী কোথা গৈলা এৰি।
এহি বুলি ৰেণুকা পাৰয় দীর্ঘ গেৰি ॥
এখনে আছিলা প্রভু কৃষ্ণক ধিয়াই।
ৰাজপুত্র হাতে ভৈলা এনুৱা বিলাই ॥ ৪০

সেহি সময়ত পর্শুৰাম ভগৱন্ত।
তীর্থক সমাধা কৰি গৃহে আসিলন্ত।

নেদেখি পিতৃক ৱামে অসন্তোষ ভৈলা।
মাতৃক বোলয় মোৱ পিতৃ কৈক গৈলা ॥ ৪১

বেণুকাৱদ্বাৱা পর্শুৱামক পিতৃ-হত্যাৱ সম্বাদ দান আৰু পর্শুৱামৱ প্রতিজ্ঞা

ৱেণুকা বোলয় বাপু শুনিয়ো বচন।
মহাদুষ্ট সহস্রার্জুনৱ পুত্রগণ ॥
তযু পিতৃ বসি আছে চিন্তিয়া হৱিক।
সেই বেলা কাটিলেক তোমাৱ পিতৃক ॥ ৪২

শিৱ গোট লৈয়া গৈলা আপুন ভৱনে।
হেন শুনি ক্রোধিলন্ত ৱাম নাৱায়ণে ॥
প্রলয়ৱ মেঘে যেন সঘনে গর্জন্ত।
সেহি মতে ৱামে ক্রোধে গর্জিয়া বোলন্ত ॥ ৪৩

শুনা মাতৃ তযু আগে কৱোঁ অঙ্গীকাৱ।
সত্যে সত্যে সত্যে মঞি বোলো বাৱম্বাৱ ॥
যত ক্ষত্রীগণ আছে পৃথিৱীক ভৱি।
নিক্ষত্রীয় কৱিৱোঁ সকলে বসুন্ধৱী ॥ ৪৪

এহি বুলি মাহেশ্বতী নগৱক গৈলা।
ৱাজপুত্র সমে ঘোৱ সমৱ কৱিলা ॥
অন্তকালে ৰুদ্রে যেন প্রজা সংহৱন্ত।
সেহিমতে ৱামে সব সেনাক মাৱন্ত ॥ ৪৫

হয় হস্তী প্রজাগণ কাটিলা যতেক।
তাহাৱ সংখ্যাক আমি কহিৱোঁ কতেক ॥
সমস্তৱে শিৱ কাটি দৌলক বান্ধিলা।
তেৱে সে ৱামৱ নিজ প্রতিজ্ঞা ৱাখিল ॥ ৪৬

সহস্রার্জুনৱ ৱাৱ-জন পুত্রৱ পলায়ন আৰু মেচণীৱ গমন

তাৱে ৱাৱ জন ৱাজপুত্র পলাই গৈলা।
চিকণাৱাৰীত গৈয়া সোমাই ৱহিলা ॥
ৱামে পিতৃ-শিৱ লৈয়া গৈলন্ত গৃহক।
ৱেণুকাৱ হাতে দিয়া জীয়াইলা পিতৃক ॥ ৪৭

পৃথিৱীক বিচাৱিলা তিনি সাতৱাৱ।
ক্ষত্রী সকলক কৱিলেক বুন্দামাৱ ॥
সহস্রার্জুনৱ পুত্র যিটো ৱাৱ জন।
ৱাম ভয়ে মদ্য-ভাত কৱিলা ভোজন ॥ ৪৮

ভয়তে থাকিয়া মেচণীত দিলা জাত।
তান ৱীর্য্যে পুত্রগণ ভৈলা অসংখ্যাত ॥
অনুক্রমে ৱাঢ়িলেক তাহাৱ সন্ততি।
পাচে যেন কথা ভৈলা শুনিয়ো সম্প্রতি ॥ ৪৯

কতো দিন অনন্তৱে অৱাজক হৈলা।
হৈহৈৱ সন্ততিৱ ৱাৱ ঘৱ মেচ ভৈলা ॥
তামম্বাৱ নাম কহোঁ তোমাৱ আগত।
মহাপৱাক্রমী সৱ শিৱৱ ভকত ॥ ৫০

ৱাৱ-মেচৱ নাম

পানৱৱ, ভেদেলা আৱৱ গুৱাৱৱ।
ফেদফেদা ৱৱিহনা মেচ শ্রেষ্ঠতৱ ॥
কাঠিয়া ৱৈহাগু মেঘা যুদ্ধাৱৱ নাম।
গড়কাটা জগাই ডোখোৱা অনুপাম ॥ ৫১

মেচ শ্রেষ্ঠ হাৱিয়া আৰু তেওঁৱ পত্নী হীৱাৱ বিষয়ে কথন

এহি ৱাৱ জন মেচ পৱম প্রৱল।
সৱাৱ উপৱি শ্রেষ্ঠ হাৱিয়া মণ্ডল ॥
তান ভার্য্যা হীৱা নামে পৱমা সুন্দৱী।
সাক্ষাতে দেখিয়ো যেনমত ৱিদ্যাধৱী ॥ ৫২

আপন স্ৱধর্মে গৃহ কর্মে আচৱয়।
ৱাত্রি দিনে মহেশক চিন্তিয়া থাকয় ॥
অনন্তৱে আলচ কৱিয়া মেচ গণে।
গাঁড়িক কাটই সৱে কপাসক মনে ॥ ৫৩

গৃহক নাসয় একেমনে থাকে তাত।
মেচণী সকলে তৈতে দেয় মদ-ভাত ॥
একদিনা মহেশ্বৰ দেৱ ত্রিনয়নে।
অৰাজ ভৈলন্ত দেখি গুণিলন্ত মনে ॥ ৫৪

মহাদেৱৰ হাৰিয়া মণ্ডলৰ ৰূপ ধাৰণ পূৰ্বক হীৰাক হৰণ

কৈলাসৰ হন্তে হৰ পৃথিৱীক আমি।
হাৰিয়া মণ্ডলৰূপে থাকিলা প্ৰকাশি ॥
আৱকজোৰাৰ তীৰে ভৈলা উপসন।
বৃক্ষৰ মূলত ৰৈলা কৰি ভেশচন ॥ ৫৫

হাৰিয়াক লাগিয়া হীৰাই নেন্তভাত।
দেখিলন্ত বসি আছে আৱকজোৰাত ॥
কি কাৰ্য্যে বসিছাঁ বুলি পুছিলা হীৰাই।
হাৰিয়া মণ্ডলে বোলে ভোকে প্ৰাণ যাই ॥ ৫৬

হেন শুনি হীৰা আথে-বেথে পানী আনি।
থানক পৱিত্ৰ কৰি দিলা মনে জানি ॥
টোপোলা মেলিয়া দিলা ষড়ৰস অন্ন।
পৰম আনন্দে শিৱে কৰিলা ভোজন ॥ ৫৭

মহাৰঙ্গে সদাশিৱে হাসি কৌতূহলে।
হীৰাক হৰিলা সেই শিলিখাৰ তলে ॥
হীৰাৰ জন্মৰ কথা শুনিও সম্প্ৰতি।
পূৰ্ব জন্মে হীৰা আছিলন্ত ভগৱতী ॥ ৫৮

হীৰাৰ পূৰ্বজন্ম কথন

এক দিনা কৈলাসত আছে ত্রিনয়ন।
হাসিয়া পাৰ্বতী হেন বুলিলা বচন ॥
কেনে মনুষ্যৰ মুণ্ডমালা পিন্ধা গলে।
আদি অন্তে কথা মোত কহিও সকলে ॥ ৫৯

মহেশ বদতি তুমি শুনিও পাৰ্বতী।
তোমাৰেসে মুণ্ডমালা পিন্ধিছো সম্প্ৰতি ॥
তোমাৰ মৰণ হৈয়া আছে দশবাৰ।
বিদ্যমানে দেখাঁ হেৰা কণ্ঠত আমাৰ ॥ ৬০

পাৰ্বতী বোলয় মৰি আছোঁ দশবাৰ।
তোমাৰ মৰণ এবে হৌক একবাৰ ॥
দেৱী শাপে এক অঙ্গ পৃথিৱীক আমি।
শঙ্কৰ আচাৰ্য্যৰূপে আছিলা প্ৰকাশি ॥ ৬১

বিনা দোষে মহেশক শাপিলা সাক্ষাত।
সেহি দোষে দেৱী মেচণীত ভৈলা জাত ॥
এহি হেতু তান নাম হীৰা অপেস্বৰী।
হাৰিয়া মণ্ডলে বিহাইলন্ত যত্ন কৰি ॥ ৬২

এতেকেসে মহাদেৱে তাক্ষ ৰমিলন্ত।
অন্তৰ্ধ্যানে তেতিক্ষণে কৈলাসে গৈলন্ত ॥
উলটি গৈলন্ত হীৰা আপন ভৱনে।
হাৰিয়া মণ্ডল আছে অসন্তোষ মনে ॥ ৬৩

অনন্তৰে চলি গৈলা আপোনাৰ ঠাই।
হীৰাক বোলয় মোৰ ভোকে প্ৰাণ যাই ॥
হীৰাই বোলন্ত মঞি লৈয়া গৈলো ভাত।
বসিয়া আছিলা তুমি আৱকজোৰাত ॥ ৬৪

হীৰা আৰু হাৰিয়ামণ্ডলৰ পৰস্পৰৰ ভিতৰত কলহ আৰু মহাদেৱৰদ্বাৰা হাৰিয়াৰ স্বপ্ন দৃষ্ট

তাতে ভাত দিলোঁ মঞি খাইছোঁ কৌতূহলে।
মোহোক হৰিছাঁ সেই শিলিখাৰ তলে ॥
এহি শুনি দন্দ কৰি থাকিল ঘুমাই।
ৰাত্ৰি আসি মহাদেৱে সপোন দেখাই ॥ ৬৫

সদাশিৱে বোলে মঞি তোৰ ৰূপ ধৰি।
টোপোলাৰ ভাত মঞি খাইলো পেট ভৰি ॥
ছল কৰি তোৰ ভার্য্যা কৰিলোঁ ৰমণ।
হেন জানি তঞি নকৰিবি কষ্ট মন ॥ ৬৬

মোৰ বীর্য্যে জানিবিহি তোহোৰ ভার্য্যাত।
মহাবলৱন্ত এক পুত্র হৈব জাত ॥
সেহি পুত্র হৈব ধৰণীৰ অধিপতি।
নকৰিবি কষ্ট তঞি কহিলোঁ সম্প্রতি ॥ ৬৭

নিয়মে থাকিবি নকৰিবি অনাচাৰ।
এহি বুলি কৈলাসক গৈলা পুনর্বাৰ ॥
চেতন লভিয়া উঠি হাৰিয়া মণ্ডলে।
ভার্য্যাৰ আগত গৈয়া প্রিয় বাক্য বোলে ॥ ৬৮

সপোনৰ বার্ত্তা যত সকলে কহিলা।
মোৰ ৰূপে মহাদেৱে তোহোক হৰিলা ॥
তোহোৰ গর্ভত মহেশ্বৰ বীর্য্যে জাত।
পুত্র এক হৈব সিটো জগতে প্রখ্যাত ॥ ৬৯

সেহি পুত্র ৰাজা হৈব ধৰণী মণ্ডলে।
আকে জানি নিয়মে থাকিও কৌতূহলে ॥
নিয়মে থাকন্তে দশ মাস যেবে গৈলা।
প্রথম বিষুবৰ দিনা উতপতি ভৈলা ॥ ৭০

হীৰাৰ পুত্র বিশুৰ জন্ম

যেতিক্ষণে শিৱ পুত্র ভৈলা উতপন।
আপুনিয়ে বাজিলেক ব্যাল্লিশ বাজন ॥
হস্তী ঘোঁড়া সব ৰঙ্গে কৰিলা চিহাৰ।
আনো সুমঙ্গল যত মিলিল অপাৰ ॥ ৭১

আপুনি বন্দুক ছুটি পঞ্চ শব্দ ভৈলা।
উৰুলি মঙ্গল আদি উৎসৱ মিলিলা ॥
ব্রাহ্মণ দৈৱজ্ঞগণ আছিলা যতেক।
বস্ত্র অলঙ্কাৰ দিয়া তুষিলা প্রত্যেক ॥ ৭২

আপোন স্বধর্ম্মে কর্ম্ম কৰিলন্ত যত।
সংক্ষেপ পয়াৰে তাক কহিবোহোঁ কত ॥
জীৰাৰ পুত্র শিশুৰ জন্ম
অপৰ ভার্য্যাৰ নাম আছিলেক জীৰা।
হাৰিয়া মণ্ডলে তাঙ্ক কৰিলন্ত ক্রীড়া ॥ ৭৩

তান বীর্য্যে পুত্র এক ভৈলা অনুপাম।
দয়াত থাকিয়া তান থৈলা শিশু নাম ॥
আজি কালি কৰি গোৰখীয়া কাল ভৈলা।
দ্বিতীয়াৰ চন্দ্র যেন মতে বাঢ়ি গৈলা ॥ ৭৪

ৰঙৰখীয়া বিশু

সবে গোৰখীয়া মিলি কৰি অভিষেক।
বৰ গোৰখীয়া নাম দিলন্ত বিশুক ॥
অস্ত্র-শস্ত্র ধনুর্ব্বেদ সবাকো শিখন্ত।
গণ্ডাৰ মহিষ ব্যাঘ্র মাৰিয়া ফুৰন্ত ॥ ৭৫

মালশ্রমে ধৰে কতো ৰবাহ হৰিণ।
ৰূপে গুণে বলে বীর্য্যে পুহি কয় হীন ॥
সবাত অধিক বল ভীমৰ আনয়।
গৰুড়ে যেহেন মতে ভুজঙ্গ ধৰয় ॥ ৭৬

সেই মতে খেদি ধৰে যত বিপক্ষক।
কোনে কহি অন্ত পাৱে তাহান বলক ॥
এক দিনা শৰত কালীয়া সময়ত।
গৰুক চাৰিয়া ফুৰে পশিয়া বনত ॥ ৭৭

দুর্গাক পূজিবে প্রতি কৰিলেক মন।
গোৰখীয়া সকলক তুলিলা বচন ॥
বিশুৰ দুর্গা পূজা শুন গোৰখীয়া সব মোৰ আজ্ঞা ধৰ।
ফৰিঙ্গ ধৰিয়া আনি দিওক সত্তৰ ॥ ৭৮

দুর্গাক পূজিবে মোৰ লাগে ভক্তি ভাৱে।
পূজা কৰি নমস্কাৰ কৰোঁ তান পাৱে ॥
গোৰখীয়া সবে শুনি প্রচণ্ড বচন।
বনত পশিলা সবে ফৰিঙ্গক মন ॥ ৭৯

বিচাৰি ফৰিঙ্গ ধৰি অসংখ্যাত পাইলা।
সমস্তে ফৰিঙ্গ আনি বিশুত যোগাইলা ॥
উভতাই লৰু আনি তথাতে পুতিলা।
কাকোৱা বাঁহৰ চোঁচ খড়্গ কৰিলা ॥ ৮০

ভক্তি ভাবে উচর্গিলা ফৰিঙ্গ যতেক।
সমস্তকে কাটি পূজা কৰিলা প্রত্যেক ॥
এক গোৰখীয়া পাচে ফৰিঙ্গ নাপাই।
ৰৰগোৰখীয়া আগে কহিলন্ত যাই ॥ ৮১

গর্জিয়া বোলয় বাক্য শিৱৰ নন্দনে।
সমস্তে পাইলেক ইটো নাপাইলেক কেনে ॥
এহি বুলি তাক ধৰি উচর্গিয়া দিলা।
কাকোৱা বাঁহৰ চোঁচে তাহাকো কাটিলা ॥ ৮২

দণ্ডৱতে পৰি কৰিলন্ত নমস্কাৰ।
হুয়ো সুপ্রসন্ন মাও জননী আমাৰ ॥
উমা আদ্যা সনাতনী পতিত পাৱণী।
নাৰায়ণী তৰ নাম নাৰকী-তাৰিণী। ৮৩

অসুৰ বধিলা দেৱতাৰ ভিতি।
কৰিয়ো মোহোক দায়া ভৱানী-পার্বতী ॥
সহস্রেক নেত্র তযু অগ্নি সূর্য্য সম।
কৌটি ইন্দু সম কান্তি শৰীৰ শোভন ॥ ৮৪

মধ্যক্ষিণী মুক্তকেশী ঘণ্টা সুমণ্ডিত।
অতি উগ্র দশন দেখিতে ভয় ভীত ॥
ঐৰাৱত স্কন্ধে চৰি থাকা সর্বক্ষণ।
তুমি ইন্দ্রাণীৰ পারে পশিলোঁ শৰণ ॥ ৮৫

আনো অসংখ্যাত স্তুতি কৰিলা যতেক।
তুষ্ট হৈয়া মাও দেখা দিলন্ত প্রত্যেক ॥
বিশুৰ প্রতি দুর্গাৰ বৰ পার্বতী বদতি পুত্র লৈয়ো ইষ্ট বৰ।
তঞি বাজা হয়ো এহি সংসাৰ ভিতৰ ॥ ৮৬

যুদ্ধত জিনিতে নোৱাৰোক একোজনে।
এহি বুলি গৈলা দেৱী আপোন ভৱনে ॥
সেহি বাঁহ গাজিয়া হৈলেক অনুপাম।
চিকণীয়া দেবোৰ থৈলেক তাৰ নাম ॥ ৮৭

অন্যে অন্যে বোলে কিনো অদ্ভুত মিলিলা।
শুখান লৰুৱে কেনে আপুনি গাঁজিলা ॥
নুহিকে মানুষ ইটো জানিলো নিশ্চয়।
কোনোবা দেৱতা আসি জন্মিয়া আছয় ॥ ৮৮

এহিমতে ষোড়শ বৰিষ যেবে ভৈলা।
কামাখ্যা প্রসন্ন হৈয়া মোৰ বুলি লৈলা ॥
অনন্তৰে ধিঙ্গ হুয়া বণক ধৰয়।
অনুক্রমে কিছু ভূঞা কৰিলেক ক্ষয় ॥ ৮৯

বিশুৰ হাতত ভূঞা সকলৰ পৰাজয়

ভূঞা সকলৰ শুনা যাব যেন নাম।
ব্রাহ্মণ কুলত বৰভূঞা অনুপাম॥
বিষয় গুচায়া তান ৰাজ্য লৈলা কাঢ়ি।
আৱৰ ব্রাহ্মণ সৰু ভূঞাক দিলা ধাৰি॥ ৯০

তাহাস্ক খেদিয়া সিয়ো ৰাজ্য কাঢ়িলন্ত।
ঔগুৰীয়া ব্রাহ্মণ ভূঞাক খেদিলন্ত॥
দৈৱজ্ঞ কুলত আছিলন্ত ছুটি ভূঞা।
তাহাস্কো খেদিয়া লৈলা ৰাজ্যক কাঢ়িয়া॥ ৯১

কুসুম ভূঞাক পাচে খেদিয়া গৈলেক।
আপুনিয়ে বিষয় কুসুমে এৰিলেক॥
তাত পাচে দীঘলা ভূঞাক মাৰিলন্ত।
কলীয়া ভূঞাক মাৰি ৰাজ্যক লৈলন্ত॥ ৯২

ঝাৰগঁয়া ভূঞাক মাৰিল অনন্তৰে।
কৰিলাস ভূঞাক মাৰিলা তাতপৰে॥
অনন্তৰে দুর্গাক ভৈলেক বিস্মৰণ।
কর্ণপুৰ ভূঞাক খেদিয়া দিলা ৰণ॥ ৯৩

বিশুৰ পৰাজয়

ধুমাজয় ৰণ ভৈলা ভূঞায়ে সহিত।
যতেক মৰিল সৈন্য নাই পৰিমিত॥
অস্ত্রে শস্ত্রে জাঠি জোঙ্গে খাণ্ডা বাক হানে।
অসংখ্য মৰিল সৈন্য বন্দুক সন্ধানে॥ ৯৪

ছকুৰি মৰিল হস্তী ঘোঁড়া পাঞ্চ শত।
দুতয় শতেক উট ৰণে ভৈলা হত॥
যুদ্ধত নিপুণ বৰ শিৱৰ নন্দন।
দশ হাজাৰেক সৈন্য কৰিল উচন॥ ৯৫

ভূঞাঁয়ো ধৰিলা পাচে অন্যায় সমৰে।
শিৱৰ নন্দনে যুদ্ধ কৰে একেশ্বৰে॥
যিদিনা দুর্গাৰ পাৱে নভৈলা ভকতি।
এতেকতে মনৰে ভৈলেক আশকতি॥ ৯৬

মেচণী স্বৰূপে দুর্গাৰ আগমন আৰু বন্ধন

সেহি হেতু ভঙ্গ ভৈলা ভূঞাৰ ৰণত।
মহেশৰ পুত্র গৈয়া পশিলা ৰণত॥
তিনিদিন নিৰাহাৰে ফুৰে দুখ পাই।
মেচণী স্বৰূপে দেৱী মিলিল মিঠাই॥ ৯৭

মায়াবলে সেহিবনে গৃহ সাজিলন্ত।
শিৱৰ নন্দন সেহি থানে ৰহিলন্ত॥
দেৱীয়ে কুকুৰা মাৰি ভাতক ৰান্ধিলা।
ভুঞ্জিবাক লাগিয়া বিশুৰ আগে দিলা॥ ৯৮

ক্ষুধাত থাকিয়া অন্নে গ্রাস মাৰিলন্ত॥
পুৰিলেক মুখ মেচণীয়ে দেখিলন্ত॥
মায়াৰী মেচণী বোলে একো নাজানস।
তপত ভাতত গ্রাস কিমতে মাৰস॥ ৯৯

তঞি নাজানস একো পূৰ্বাপৰ কথা।
বৰ গোৰখীয়াৰ ভৈলা এনয় অৱস্থা॥
জুৰাইবাক নেদিলিহি যেন মতে ভাত।
তোৰ মুখ পুৰিলেক দেখিলোঁ সাক্ষাত॥ ১০০

অন্নক জুৰাই যিটো কৰয় ভোজন।
সমস্তে শৰীৰ সুস্থ হোৱে তেতিক্ষণ॥
জুৰাইবাক নেদিয়া যিজনে খাই ভাত।
চাৰি ঠাই পোৰে গল-জিহ্বা-তালু-হাত॥ ১০১

ছদ্মবেশিনী দুর্গাৰ উপদেশ

আগ পাচ নুশুণয় ৰৰ গোৰখীয়া।
হঠাতে কৰয় ৰণ জিনিবেক কিয়া॥
হেন শুনি বিশু বোলে মেচণীক চাই।
কিমত হঠাত ৰণ কমন উপাই॥ ১০২

কেনে একো নজানয় ৰৰ গোৰখীয়া।
সকলে কহিয়ো তুমি সমাঙ্গ কৰিয়া॥
মায়াবী মেচণী বোলে শুন মন কৰি।
যিমতে হাৰয় যেন মতে বলে পাৰি॥ ১০৩

হৌক বল পৰাক্রম বুদ্ধি যাৰ নাই।
শশাই মাৰিলা সিংহ কুপত পেলাই॥
শৃগালে মাৰিলে হস্তী পঙ্কত পেলাই
কাকে কৰিলেক কেন সর্পৰ বিলাই॥ ১০৪

ইহাৰ কাৰণ ভাল মতে নজানয়।
আগ পাচ নুশুনিয়া সমৰ কৰয়॥
ৰণক চলয় ঢোল কৰতাল বাই।
ভূঞাও থাকয় সবে সৈন্যক খন্তাই॥ ১০৫

অস্ত্র-শস্ত্র অসংখ্যাত বন্দুক আছয়।
বুদ্ধি বিনে তাক জিনিবাক নপাৰয়॥
বৈশাখৰ বিষু আসি হৈব উপসন।
সৈন্যক বিদায় দিব সন্তোষিয়া মন॥ ১০৬

সেহি শূন্য সময়ত ৰণে দিব ধাৰ।
তেবে ৰৰ ভূঞাক কৰিব বুন্দামাৰ॥
ঢোল কৰতাল আদি সবে বাদ্য এৰি।
মনে মনে চলি যাইব অস্ত্র-শস্ত্র ধৰি॥ ১০৭

দগাহিব লাগয় ভূঞাৰ সৈন্য যত।
তেবে ৰণ জয় হৈব কৈলোঁ স্বৰূপত॥
দুর্গাৰ চৰণ বীৰে শিৰোগত কৰি।
আপন গৃহক গৈলা মৌন পৰিহৰি॥ ১০৮

কবিৰ উপদেশ

দেখা সাধুসব কেন মহন্তৰ দুখ।
অনিত্য সংসাৰ কিঞ্চিতেকো নাই সুখ॥
যত দেখা ধন জন সবে অকাৰণ।
কেৱলে যশস্যা বহে সবে হৱে চন॥ ১০৯

বলৱন্ত রূপৱন্ত ধনুর্ধৰ নুই।
ঈশ্বৰৰ ইচ্ছা যেন সেই মাত্র হই॥
মহাবল পৰাক্রমী শিৱৰ নন্দন।
ক্ষুদ্রবল ভূঞাত যে হাৰিলেক ৰণ॥ ১১০

যিহেতু ভকতি কৈলা দুর্গাৰ চৰণ।
তাতে যে মনৰ বাঞ্ছা হৈলেক পূৰণ॥
ব্রহ্মাণ্ডৰ জীৱ যত সবেও সমান।
উচ নীচ বঢ়া-টুটা ভক্তি যে প্রধান॥ ১১১

মহাব্যাধ বাল্মীকি নাৰদ দাসীসুত।
নামৰ প্রভাৱে ভৈলা জীয়ন্তে মুকুত॥
মহাবেশ্যা পিঙ্গলা আছিলা শতপতি।
নামৰ প্রসাদে পাইলা জীয়ন্তে মুকুতি॥ ১১২

মহামাতকীও তবে লৈলে যাৰ নাম।
ধর্ম-অর্থ-কাম-মোক্ষ সিজে চাৰি কাম॥
আকে জানি কৃষ্ণৰ চৰণ সাৰ কৰি।
নিৰন্তৰে নৰে ডাকি বোলা হৰি হৰি॥ ১১৩

ছবি

অনন্তবে বিশু বীব, চলি যান্ত ধীবে ধীবে,
দুর্গাব চবণ মনে ধবি।

দশভুজাব মূর্তি প্রাপ্তি, পূজা আৰু স্তুতি

পর্বতব সমীপত, ভৈলা গৈয়া উপগত,
দেখে এক মূর্তি আছে পবি॥
সাৱধানে মহাৰাই, হাতত তুলিয়া চাই,
দেখে দশভুজা ভগৱতী।
পৰম হবিষ ভৈলা, শিৰোগত কবি লৈলা,
কবিলন্ত অনেক ভকতি॥ ১১৪

আপোন ঘৰক গৈয়া গোঁসানী ঘৰত থৈয়া,
বলি দিয়া কবিলা পূজন।
বুলিলা অনেক তুতি, শুনা মাঞো ভগৱতী,
আমাত হুয়েক সুপ্রসন॥
স্বর্গে পূজে দেৱগণে, পাতালত নাগজনে,
ত্রিভুবনে পূজে যত লোক।
কবিয়ো দাসক দায়া, তুমি আদি মহামায়া,
তোমাব চবণে ভক্তি হৌক॥ ১১৫

নমো নমো মহাগৌবী নমো দেৱী শাকম্ভৰী,
তুমি দুর্গা সমস্তব মাতা।
নমো নমো কাত্যায়নী, নমো চণ্ডী ত্রিনয়নী,
সেৱক জনক ববদাতা॥

নমো মাতৃ মহেশ্বৰী, সৰস্বতী বিদ্যাধৰী,
তুমি লক্ষ্মী জগত জননী।
উমা সাবঙ্গিনী মেধা, ইন্দ্রাণী ঈশ্বৰী স্বধা,
দাস বুলি ৰাখাঁ নাৰায়ণী॥ ১১৬

দুর্গাব কৃপা

এহি মতে পবি তুতি, কৰিলা ভকতি নতি,
দণ্ডৱতে কৈলা প্রণিপাত।
দেখিয়া তাহান ভক্তি, সন্তোষ লভিলা শক্তি,
সুপ্রসন ভৈলেক সাক্ষাত॥
ঐশ্বর্য্য বিভূতি যত, সবে ভৈলা উপগত,
যেবে দুর্গা সুপ্রসন ভৈলা।
বল বুদ্ধি পৰাক্রম, বাঢ়িল যেহেন যম,
দেখি শত্রুগণ ভয় হৈলা॥ ১১৭

কতিপয় দিন আছে, চৈত্রমাস গৈলা পাচে,
বৈশাখৰ বিষু সময়ত।
ভূঞাসব যি আছিলা, সৈন্যক বিদায় দিলা,
বিনা সৈন্যে ৰহিলা গৃহত॥

ভূঞাৰ পৰাভব

সেই বেলা বিশুৰাই, শূন্য সময়ত যাই,
কর্ণপুৰ ভূঞাক মাবিলা।
তাৰ লগে সৈন্য যত, সবাকে কৰিয়া হত,
মনৰঙ্গে দুর্গাক স্মৰিলা॥ ১১৮

ফুল্লগুৰি ভূঞাৰ যাই, খেদি গৈলা মহাৰই,
সেহিৰূপে মাবিলেক তাক।
শিৱ বীর্য্যে ভৈলা জাত, বল পৰাক্রমে খ্যাত,
ইন্দ্রৰ সদৃশ দেখি যাক॥

তাৰ ফিৰি বৎসৰত, চৈত্ৰ বিষু উপগত,
বৈশাখৰ বিষু আহি ভৈলা।
বেজিনীয়া যিতো ভূঞা, সৈন্যক বিদায় দিয়া,
মহাসুখে নিজ ঘৰে ৰৈলা ॥ ১১৯

শিৱৰ নন্দনে যাই, সেহি সময়ত পাই,
সৈন্য সমে কৰিলা সংহাৰ।
হৰিণক যেন মত, ব্যাঘ্রে পাই বাৰে হত,
বিক্রমে কৰিলা বুন্দামাৰ ॥
পৰতাপ যাৰ নাম, ৰূপে গুণে অনুপাম,
সমস্ত ভূঞাত শ্রেষ্ঠতৰ।
মহাপৰাক্রমী বীৰ, গহীন গম্ভীৰ ধীৰ,
পাণ্ডুনাথে ভৈলা যাৰ ঘৰ ॥ ১২০

তাহাৰ কনিষ্ঠ ভাই. বলে যেন গজৰাই,
স্নান কৰে ব্রহ্মপুত্র জলে।
শিৱৰ নন্দনে যাই, সেহি সময়তে পাই,
তথাতে মাৰিলা বাহু বলে ॥
ভ্রাতৃ মৰিবাক দেখি, প্রতাপ হইল দুখী
মন দুখে কৰিলা ক্রন্দন।
হা হা মোৰ প্রাণভাই, এৰি গৈলা কোন ঠাই,
কিনো মোৰ বিধিবিড়ম্বন ॥ ১২১

হৰিক চিন্তিয়া পাচে, যত দ্রব্য বস্তু আছে,
নৌকাত আনিয়া ভৰা দিলা।
আপোনাৰ সৈন্য যত, সোমাইল অসমত,
আপুনিও তথাকে চলিলা ॥

বেহাৰত ৰাজধানী স্থাপন আৰু বিল্বৰ ৰাজ অভিষেক

প্রতাপ ভূঞা যে গৈলা, তাত পাচে যেন ভৈলা,
শুনিয়োক তাত অনন্তৰ।
সমস্তে শত্রুক মাৰি, বেহাৰত পাট কৰি,
নগৰ সাজিলা ভয়ঙ্কৰ ॥ ১২২

নগৰৰ মহাজ্যোতি, যেন জলে অম্রাৱতী,
উপমা দিবাৰ ঠাই নাই।
গঢ় প্রাঞ্চি গৃহ যত, হীৰা মণি মৰকত,
অসংখ্যাত শোভে ঠাই ঠাই ॥
সকলে সম্পূর্ণ হৈল, পাচে যেন কথা ভৈল,
শুনিয়োক চৰিত্র বিশেষ।
হয় হস্তী প্রজাগণ, চাপিলেক তেতিক্ষণ,
আনো ৰাজা আসিলা নিশেষ ॥ ১২৩

শুভ বাৰ তিথি যোগ, নক্ষত্র কৰণ ভোগ,
দৈৱজ্ঞ সকলে দিলা চাই।
সমস্তকে শুভ জানি, শিৱপুত্র মহামানী,
দূতক পাঞ্চিলা ঠাই ঠাই ॥
তাহান আদেশ পাই, দূত সব শীঘ্রে যাই,
গৈলা সবে দ্বীপ দ্বীপান্তৰ।
গঙ্গা গয়া বাৰাণসী, লৌহিত্য পুষ্কৰ কাশী
গোদাৱৰী নর্মদা সাগৰ ॥ ১২৪

বিশ্বসিংহৰ ৰাজ অভিষেকৰ বর্ণনা

যমুনাই সৰস্বতী, কাবেৰী পৰম গতি,
আনো তীর্থ আছিল যতেক।
সমস্তবে আনি জল, কৰিলেক সুমঙ্গল,
অভিষেক কৰিলে প্রত্যেক ॥

শঙ্খ ঘণ্টা কৰতাল, দুন্দভি বজারে ভাল,
ঢাক ঢোল ডগৰ নাগাৰা।
ৰামবেনা কবিলাস, যাহাৰ মধুৰ ভাষ,
খঞ্জৰীকা মোহৰী দোতাৰা ॥ ১২৫

ৰবাব সাৰিণ্ডা বাঁশী, ঝিলি ঝিঞ্জিৰিকা ৰাশি,
ৰুদ্রক টোকাৰী বারে তুড়ি।
মৃদঙ্গ মন্দিৰা খোল, ধোমচিৰ শুনি ৰোল,
গোগোনা (গগণা ?) যে বজারে মুকৰী ॥
উপাঙ্গ যে ৰবকাঙ্খ, মুচৱই বারে জম্ফ,
জয়কালি বজাৱই ভেৰী।
ৰামশিঙ্গা বামতাল, ঝোঞ্জৰা বজারে ভাল,
গোমুখ বজারে উচ্চ কবি ॥ ১২৬

বীৰকালি সিংঘবান, তবল বজারে ঘন,
পূৰয় অম্বৰু বাদ্যচয়।
পালি ৰণ শব্দ আতি, দোচৰি ঢোলক জাতি,
আনো বাদ্য অসংখ্য বাজয় ॥
উৰুলী জোকাৰ গীত, কন্যাগণ আনন্দিত,
চৌদিশে বেঢ়িলা হৰিধ্বনি।
অসংখ্য বন্দুকচয়, হস্তী ঘোড়া চিহৰয়,
মাত বোল থিতাতে নুশুনি ॥ ১২৭

কুবাচ কছাৰীগণে, মাদল বজারে ঘনে,
তাৰমতে সিও গারে গীত।
তাতে তোলে দেওধাই, অদম্য ভাতক খাই,
সমস্তবে মন আনন্দিত ॥

অসঙ্খ্যাত বিপ্রচয়, বেদমন্ত্র উচ্চাৰয়,
ভাটগণে ভটিমা পঢ়য়।
নট নটী গারে গীত, শুনি আতি আনন্দিত,
তাক দেখি সন্তোষ মিলয় ॥ ১২৮

হোম যজ্ঞ আদি যত, অর্চিলন্ত নানামত,
যজ্ঞ সাঙ্গে দক্ষিণা কবিলা।
ব্রাহ্মণ দৈবজ্ঞগণ, অর্চিলন্ত জনে জন,
সমস্তবে মন সন্তোষিলা ॥
দুখী ভিখী দেশান্তৰী, সমস্তবে মনপূৰী,
অদবিদ্র কবি দিলা দান।
সেহি বেলা লোকজন, আবৰিলা তেতিক্ষণ,
চতুষ্পার্শে ধবিলা যোগান ॥ ১২৯

দণ্ড ছত্র সিংহাসন, আনি দিলা তেতিক্ষণ,
শুক্ল বর্ণ চামৰ শোভন।
ধ্বজ যে পতাকাচয়, শোভা কৰে অতিশয়,
আনি দিলা আনো অস্ত্রগণ ॥
শিব দুর্গা চিন্তি মনে, বসিলন্ত সিংহাসনে,
কনক আঞ্জলী দান দিলা।
বস্ত্র অলঙ্কাৰ যত, দাস দাসী নানামত,
শস্য সমে ভূমি উৎসর্গিলা ॥ ১৩০

ব্রাহ্মণ দৈবজ্ঞগণ, বৈষ্ণব ভকতজন,
দান লৈয়া আনন্দিত ভৈলা।
পৰম তেজস্বী দেখি, মনত হৈলন্ত সুখী,
তান নাম বিশ্বসিংহ থৈলা ॥

শুনিয়োক সভাসদ, বৈষ্ণৱ ৰাজাৰ পদ,
মহাবীৰ শিৱৰ নন্দন।
কৰিল অনেক কৰ্ম, নানাতীর্থ দেৱধর্ম,
পূত্ৰৱতে প্ৰজাক পালন ॥ ১৩১

বিশ্বসিংহৰ মহিমা আৰু মাহাত্ম্যৰ বর্ণনা

যতেক মহিমাঝাক, কোনে কহিবেক তাক,
যত গুণ অক্ষয় অব্যয়।
ব্ৰহ্মাৰ স্বৰূপ ধৰি, সৃষ্টিকৰে উচ্চকৰি,
আপুনি গাৱয় শাস্ত্ৰচয় ॥
হৃষিকেশ ৰূপধৰি, প্ৰজাক পালন কৰি,
বিভূতি স্বৰূপে নৰেশ্বৰ।
যত সাধু সন্তচয়, গো ব্ৰাহ্মণ যত আছয়,
সবাক পালন্ত নিৰন্তৰ ॥ ১৩২

মহা দুষ্ট চোৰ যত, দণ্ড দ্বাৰা কৰে হত,
বৈৰী সকলক ক্ষয় কৰে।
ধৰিয়া মহেশ ৰূপ, পৰম গহন ভূপ,
দুষ্ট প্ৰজাসবক সংহৰে ॥
অজৰ অমৰ কায়, ধৰিলন্ত মহাবায়,
প্ৰাণ সঞ্চয়ন কৰিলন্ত।
ধৰি ৰূপ ইন্দ্ৰ সম, দৰশাৱে পৰাক্ৰম,
যুদ্ধৰ সময়ে বলৱন্ত ॥ ১৩৩

আদিত্য স্বৰূপ ধৰি, জগত প্ৰকাশ কৰি,
একে থানে বসিয়া থাকয়।
তাতে থাকি কৰে দান, বহি যাই নানা থান,
শুক্ল যশে সংসাৰ ঢাকয় ॥

বায়ু ৰূপে নৰেশ্বৰ, ক্ৰোধ কৰে গুৰুতৰ,
দূতগণ পাঞ্চে দশোদিশ।
বায়ুৰ ক্ৰোধত থাকি, মেঘগণ চলে ঢাকি,
সেহিৰূপ বায়ুৰ সদৃশ ॥ ১৩৪

খাণিতেকে শান্ত হয়, বোলে মৃদু বাক্যচয়,
বায়ুৰূপ এতেক লক্ষণ।
ধৰিয়া বৰুণ ৰূপ, পৰম গহন ভূপ,
সবে দেৱ কৰয় পূজন ॥
ধ্যান মন্ত্ৰ জপচয়, হোম যজ্ঞ আচৰয়,
এহিমতে দেৱ আৰাধয়।
বৰুণে যেহেন মতে, জল দিয়ে জগতকে,
প্ৰাণীক সন্তোষ কৰায়য় ॥ ১৩৫

কাল ৰূপে নৰেশ্বৰ, ক্ৰোধ কৰে ভয়ঙ্কৰ,
সংহাৰে ধৰয় যমৰূপ।
অগণিৰ ৰূপচয়, তেজস্বী নির্মল হয়,
নৃপতিৰ এনয় স্বৰূপ।
কুবেৰ স্বৰূপ ধৰে, দৰিদ্ৰক দান কৰে,
অদৰিদ্ৰ কৰে নিৰন্তৰ।
ধৰিয়া গণেশ ৰূপ, অগ্ৰভাগ ভুঞ্জে ভূপ,
এহি ৰূপ জানা নৃপবৰ ॥ ১৩৬

চন্দ্ৰৰ স্বৰূপ ধৰি, প্ৰকৃতিৰ মন পূৰি
ধর্মকার্য্য কৰে প্ৰকাশিত।
সুশীতল বাক্যচয়, দেব দ্বিজ আৰাধয়,
পূৰে প্ৰাণী সবৰ বাঞ্ছিত ॥

সিদ্ধ বিদ্যাধৰ ৰূপে, আনন্দ কৰয় নৃপে,
যক্ষৰূপে ধনক সাঞ্চয়।
গন্ধর্ব স্বৰূপে পুষ্প, চন্দন পিন্ধয় উচ্চ,
নানা বর্ণ বস্ত্রক পিন্ধয়॥ ১৩৭

বাসুকীৰ ৰূপচয়, মণিগণ প্রকাশয়,
ৰত্ন আদি যত অলঙ্কাৰ।
সমস্তকে পিন্ধি আতি, শোভা কৰে মহাজ্যোতি,
যেন ঝিলিমিলি পেচন্দাৰ॥
দানৱৰ বল আতি, ৰূপ যুক্ত মহীপতি,
প্রকাশ কৰয় আতিশয়।
ধৰিয়া দুর্গাৰ ৰূপ, তেজস্বী হৱয় ভূপ,
শত্রুগণ সংহাৰ কৰয়॥ ১৩৮

সর্বভোগ কৰে যত, সত্য কহে নানামত,
পার্বতী স্বৰূপে নৰপতি।
যতেক বিভূতি আছে, থাকে নৃপতিৰ কাছে,
তাক সবে দেখিও সম্প্রতি॥
পৃথিৱীৰ যত নৰে, খাটে নৃপতিৰ ঘৰে,
এহিৰূপ জানা সাগৰৰ।
গহীন গম্ভীৰ ধীৰ, মহাবলৱন্ত বীৰ,
সবাতে কৰিয়া শ্রেষ্ঠত্তৰ॥ ১৩৯

নানা শাস্ত্র গ্রন্থচয়, তত্ত্বক ভেদিয়া লয়,
ধর্ম কার্য্য চলাৱে সম্প্রতি।
বেদ বামায়ণ যত, নিত্যে পঢ়ে ভাগৱত,
সেহিখানি ৰূপ সৰস্বতী॥

গঙ্গাৰূপ নৰেশ্বৰ, মহাশুদ্ধ কলেৱৰ,
যাক দৰশনে পাপ ক্ষয়।
অধর্মক কৰে নাশ, ধর্ম কৰে পৰকাশ,
গঙ্গাগুণ ৰাজাতে আছয়॥ ১৪০

লক্ষ্মীৰ স্বৰূপ যত, নৃপতিৰ শৰীৰত,
সর্ব ধর্ম কৰে নিয়োজিত।
প্রচণ্ড স্বৰূপ ধৰি, চক্ষুক কটাক্ষ কৰি,
চণ্ডৰূপ কৰয় বিদিত॥
যি বেলা আনন্দ হয়, শুনি গীত বাদ্যচয়,
অপেস্বৰা ৰূপ তেতিক্ষণ।
বৃহস্পতিৰূপ হয়, সত্ত্বগুণ প্রকাশয়,
দেৱতাক কৰয় পূজন॥ ১৪১

বিপ্র বৈষ্ণৱক দান, সাধুৰ বঢ়ারে মান,
সত্ত্বগুণ এতেক লক্ষণ।
পৰম্ব্রহ্ম দিবাকৰে, আত্মাক প্রকাশ কৰে,
চন্দ্রে আসি প্রকাশয় মন॥
বল সত্ত্ব নিৰন্তৰে, মঙ্গলে প্রকাশ কৰে,
বুধে আসি বাক্য বোলাৱয়।
বুদ্ধিক বঢ়ারে অতি, দেৱগুৰু বৃহস্পতি,
কামে শুক্র জানিবা নিশ্চয়॥ ১৪২

শনি বাহু কেতু তিনি, ৰূপে নৃপশিৰোমণি,
প্রজাসকলক কৰে ক্ষয়।
স্বর্গ মর্ত্য পাতালত, আছয় বিভূতি যত,
নৃপৰ শৰীৰে প্রকাশয়॥

সিদ্ধ বিদ্যাধৰ ৰূপে, আনন্দ কৰয় নৃপে,
যক্ষৰূপে ধনক সাঞ্চয়।
গন্ধর্ব স্বৰূপে পুষ্প, চন্দন পিন্ধয় উচ্চ,
নানা বর্ণ বস্ত্রক পিন্ধয়॥ ১৩৭

বাসুকীৰ ৰূপচয়, মণিগণ প্রকাশয়,
ৰত্ন আদি যত অলঙ্কাৰ।
সমস্তকে পিন্ধি আতি, শোভা কৰে মহাজ্যোতি,
যেন ঝিলিমিলি পেচন্দাৰ॥
দানৱৰ বল আতি, ৰূপ যুক্ত মহীপতি,
প্রকাশ কৰয় আতিশয়।
ধৰিয়া দুর্গাৰ ৰূপ, তেজস্বী হৱয় ভূপ,
শত্রুগণ সংহাৰ কৰয়॥ ১৩৮

সর্বভোগ কৰে যত, সত্য কহে নানামত,
পার্বতী স্বৰূপে নৰপতি।
যতেক বিভূতি আছে, থাকে নৃপতিৰ কাছে,
তাক সবে দেখিও সম্প্রতি॥
পৃথিৱীৰ যত নবে, খাটে নৃপতিৰ ঘৰে,
এহিৰূপ জানা সাগৰৰ।
গহীন গম্ভীৰ ধীৰ, মহাবলৱন্ত বীৰ,
সবাতে কৰিয়া শ্রেষ্ঠত্তৰ॥ ১৩৯

নানা শাস্ত্র গ্রন্থচয়, তত্ত্বক ভেদিয়া লয়,
ধর্ম কার্য্য চলাৱে সম্প্রতি।
বেদ ৰামায়ণ যত, নিত্যে পঢ়ে ভাগৱত,
সেহিখানি ৰূপ সৰস্বতী॥

গঙ্গাৰূপ নৰেশ্বৰ, মহাশুদ্ধ কলেৱৰ,
যাক দৰশনে পাপ ক্ষয়।
অধর্মক কৰে নাশ, ধর্ম কৰে পৰকাশ,
গঙ্গাগুণ ৰাজাতে আছয়॥ ১৪০

লক্ষ্মীৰ স্বৰূপ যত, নৃপতিৰ শৰীৰত,
সর্ব ধর্ম কৰে নিয়োজিত।
প্রচণ্ড স্বৰূপ ধৰি, চক্ষুক কটাক্ষ কৰি,
চণ্ডৰূপ কৰয় বিদিত॥
যি বেলা আনন্দ হয়, শুনি গীত বাদ্যচয়,
অপেস্বৰা ৰূপ তেতিক্ষণ।
বৃহস্পতিৰূপ হয়, সত্ত্বগুণ প্রকাশয়,
দেৱতাক কৰয় পূজন॥ ১৪১

বিপ্র বৈষ্ণৱক দান, সাধুৰ বঢ়ারে মান,
সত্ত্বগুণ এতেক লক্ষণ।
পৰম্ব্রহ্ম দিবাকৰে, আত্মাক প্রকাশ কৰে,
চন্দ্রে আসি প্রকাশয় মন॥
বল সত্ত্ব নিৰন্তৰে, মঙ্গলে প্রকাশ কৰে,
বুধে আসি বাক্য বোলাৱয়।
বুদ্ধিক বঢ়ারে অতি, দেৱগুৰু বৃহস্পতি,
কামে শুক্র জানিবা নিশ্চয়॥ ১৪২

শনি ৰাহু কেতু তিনি, ৰূপে নৃপশিৰোমণি,
প্রজাসকলক কৰে ক্ষয়।
স্বর্গ মর্ত্য পাতালত, আছয় বিভূতি যত,
নৃপৰ শৰীৰে প্রকাশয়॥

আনো যত দেৱঝাকে, নৃপৰ শৰীৰে থাকে,
এতে বিশ্বৰূপ নৰেশ্বৰ।
হেনয় মহেন্দ্ৰ ৰাজা, পুত্ৰৱতে পালে প্ৰজা,
মহাবল শিৱৰ কুমাৰ ॥ ১৪৩

সিংহাসনে বসি বীৰে, প্ৰকাশয় নিৰন্তৰে,
যেন দেখি সাক্ষাতে বীৰিঙ্গ।
সংসাৰৰ গুণচয়, শৰীৰত প্ৰকাশয়,
এতে তান নাম বিশ্বসিংহ ॥
শুনা সভাসদচয়, নৃপতিৰ মহোদয়,
যদি আত শঙ্কা কৰা মনে।
বিভূতি যোগত কৃষ্ণে, অৰ্জুনত কৈলা নিষ্টে,
বুজিয়োক তাহান বচনে ॥ ১৪৪

হৰগৌৰী সম্বাদত, নৃপতিৰ আখ্যানত,
আপুনি কহিছে ত্ৰিনয়নে।
বিশ্বৰূপ নৰপতি, সকলে প্ৰাণীৰ গতি,
শুনিয়োক সভাসদগণে ॥
তাঙ্ক বিচাৰিয়া চাই, যদি দেখা কথা নাই,
তেবে নিন্দা কৰিবা আমাক।
নিবিচাৰি গ্ৰন্থগণ, নিন্দা কৰে সাধুজন,
তেবে আমি কি বুলিবো কাক ॥ ১৪৫

মঞি মহা মূঢ়মতি, নাজানো ভকতি নতি,
এক কৃষ্ণ চৰণে শৰণ।
অভয় চৰণে মোক, দাস বুলি ৰাখিয়োক,
তযু পাৱে কৰোহোঁ বন্দন ॥

কৃষ্ণে সে দেৱৰ দেৱ, কৃষ্ণ বিনে নাহি কেৱ,
এৰাঁ সবে ভাসভুষ কাম।
আপুনি সংসাৰ ভৰাঁ, পুৰুষ উদ্ধাৰ কৰাঁ,
নিৰন্তৰে বোলাঁ ৰাম ৰাম ॥ ১৪৬

পদ

আত অনন্তৰ কথা শুনা মহামতি।
বিশ্বসিংহ নাম যিতো প্ৰধান নৃপতি ॥
মহাদানী মানী সৰ্ব ধৰ্মত পাৰ্গত।
অম্ৰাৱতী পুৰে পুৰন্দৰ যেন মত ॥ ১৪৭

তান সম কোন আছে ভকত বৎসল।
একছত্ৰে পালিলন্ত ধৰণী মণ্ডল ॥
আনো নানা পৰাক্ৰম কৰিলা যতেক।
সংক্ষেপ পৱাৰে তাঙ্ক কহিবো কতেক ॥ ১৪৮

একদিনা সভামধ্যে কবি আলোচন।
মন্ত্ৰীক সম্বুদ্ধি ৰাজা বুলিলা বচন ॥
যৌৱৰাজ্য পদত ভাতৃ শিশু মাঙ্গল্য ৰজত দ্ৰব্য আন শীঘ্ৰ কৰি।
যুৱৰাজ শিশুক পাতিবো আজি ধৰি ॥ ১৪৯

নৃপতিৰ শুনি হেন প্ৰচণ্ড বচন।
আনিল সকলে দ্ৰব্য যত ভৃত্যগণ ॥
সমস্ত তীৰ্থৰ জল কৰি এক ঠাই।
ব্ৰাহ্মণ দৈৱজ্ঞগণ অনাইলা মতাই ॥ ১৫০

বিজয় মুহূর্ত ক্ষণ তেসম্বে কহিলা।
সেহি বেলা যুৱৰাজ শিশুক পাতিলা॥
শঙ্খ ঘণ্টা ঢাক ঢোল শিক্ষা কালি ভেৰী।
জয় কালি ৰামবেনা বজাৱে মহৰি॥ ১৫১

খোল কৰতাল বাৱে নাগাৰা মৃদঙ্গ।
দোতাৰা সাৰিণ্ডা বাঁশী ববাব উপাঙ্গ॥
ৰামতাল ৰামবীণা বাৱে বৰকাঙ্খ।
সপ্তস্বৰা কলন্দাৰ বজাৱে অসংখ্য॥ ১৫২

আনো অসংখ্যাত বাদ্য অনেক বাজয়।
সংক্ষেপ কহিলোঁ পদ বাহুল্যক ভয়॥
সেহি সময়ত সৈন্য আছিলা যতেক।
তাৰ সংখ্যা কৰি কোনে কহিব প্রত্যেক॥ ১৫৩

গাৱে গাৱে সমস্তৰে সন্তোষিলা মন।
যাক যতোচিত ধন ৰত্ন দিলা দান॥
দুখী ভিখী দেশান্তৰী যতেক আছিলা।
অদৰিদ্র কৰি সমস্তকে দান দিলা॥ ১৫৪

পণ্ডিত ব্রাহ্মণগণ দৈৱজ্ঞ যতেক।
সমস্তকে গাৱে গাৱে তুষিলা প্রত্যেক॥
ৰাজ্যক পুষিলা অন্ন জল কৰি দান।
নাহি কয় যুৱৰাজ তাহান সমান॥ ১৫৫

যুৱৰাজৰ গুণাৱলী

সম দম ভেদ দায়া অস্ত্রশাস্ত্র যত।
শৌচাচাৰ গীত বাদ্য সবাতে পাৰ্গত॥

সুন্দৰ শৰীৰ ধীৰ গম্ভীৰ স্বভাৱ।
দেৱ দ্বিজ সাধুভক্ত পূজে সর্বভাৱ॥ ১৫৬

নাহি লোভ মোহ উপবাসে সদামন।
দুষ্টক দণ্ডয় বৈৰ কৰে সংহাৰণ॥
সত্যবাদী জিতেন্দ্রিয় জানে কাল দেশ।
পৰ উপকাৰে মতি ধর্মাত্মা বিশেষ॥ ১৫৭

মন্ত্রীবাক্য সদা নেৰে সবাতে বিনয়।
বল বীর্য্য পৰাক্রম বুদ্ধি আতিশয়॥
আনো নানা গুণগণ যতেক আছেয়।
সংক্ষেপে কঁহিলো কৰি বাহুল্যক ভয়॥ ১৫৮

যুৱৰাজ চৰিত্রক এহি মানে থওঁ।
তাত পাছে যি কৰিলা তাক কিছু কওঁ॥
যুৱৰাজ পাতি পাচে শিৱৰ নন্দন।
কাহাক পাতিবোঁ মন্ত্রী গুণে মনেমন॥ ১৫৯

শ্রেষ্ঠ মন্ত্রীৰ গুণাৱলী

ভালৰেসে ভাল হয় হীন বংশে হীন।
ধনী বংশে ধনী হয় দুখী বংশে দীন॥
চোৰ বংশে চোৰ হয় সন্ত বংশে সন্ত।
শ্রেষ্ঠ বংশে মন্ত্রী সর্ব শাস্ত্রত কহন্ত॥ ১৬০

অসন্ত বস্তুৰ কৈতো নাহিকে প্রকাশ।
সন্ত বস্তু হৈল কদাচিতো নাই নাশ॥
এহি মনে গুণি সাৰ কৰিয়া মনত।
দূতক সম্বোন্ধি বাক্য বোলে সমাজত॥ ১৬১

শ্রেষ্ঠ বংশে জন্ম যিটো মেচ বাৰ ঘৰ।
মোহোৰ আদেশে তাঙ্ক আনিও সত্তৰ॥
এহি বুলি শীঘ্রে দূত পাঠিয়া দিলন্ত।
বাৰয় ঘৰৰ বাৰ গোটা অনাইলন্ত॥ ১৬২

বাৰমেচ

পাণৰৰ ৰবিহনা ফেদফেদো ৰাই।
ভেদেলা যে গুৱাৰৰ ৰৈহাগু জগাই॥
নামত কাঠিয়া মেঘা গড়কাটা ৰীৰ।
ডোখোৰা যে যুদ্ধাৰৰ বুদ্ধিমন্ত ধীৰ। ১৬৩

এহি বাৰ জন আনি শুভক্ষণ চাই।
সবাকে পাতিলা কার্জি আজ্ঞাক শুনাই॥
ৰবিহনা ৰৈহাগু দুতয় বুদ্ধিমন্ত।
মন্ত্রী কার্য্যে তাৰা দুইকো আদেশ দিলন্ত॥ ১৬৪

মন্ত্রী ৰবিহনা

ৰবিহনা চৰিত্র শুনিয়ো যেন হয়।
বুদ্ধিৰ সাগৰ কাল দেশক জানয়॥
সন্ধি বিগ্রহক জানে শাস্ত্রত পণ্ডিত।
সাৰথিৰ কর্ম বুজে ৰাজাৰ ইঙ্গিত॥ ১৬৫

নৃপতিক চিন্তে জিতেন্দ্রিয় গুণৱন্ত।
যুদ্ধত নিপুণ সর্ব ধর্মক জানন্ত॥
দুষ্টৰ সম্বন্ধি যেন অন্তক সমান।
অপ্রমত্ত দয়াৱন্ত বুদ্ধিত সুজন॥ ১৬৬

মন্ত্রী ৰৈহাগু

আত অনন্তৰে ৰৈহাগুৰ যেন নয়।
সংক্ষেপ কৰিয়া কঁহো জানিবা নিশ্চয়॥

লোভ মোহ খল দম্ভ ক্রোধ বিবর্জিত।
পৰম মন্ত্রজ্ঞ ধন পুত্র প্রতিষ্ঠিত॥ ১৬৭

ধর্ম শাস্ত্র জানে শৌচাচাৰে সদা মন।
মিত্রলাভ আদি মন্ত্রণাত শ্রেষ্ঠজন॥
উত্তম মধ্যম প্রাকৃতৰ যেন নয়।
দৃষ্টি মাত্রে সমস্তৰে চিত্তক বুজয়॥ ১৬৮

দেৱত পিতৃত ভক্ত সর্বগুণান্বিত।
দুষ্টক দণ্ডিত মন সন্তক পালিত॥
এহি দুই মন্ত্রী তান জগততে সাৰ।
শুনিয়োক সেনাপতি যেহেন ৰাজাৰ॥ ১৬৯

সেনাপতি

বুদ্ধাৰৰ নাম তান জগতে বিদিত।
মহা বুদ্ধিমন্ত সর্ব শাস্ত্রত পণ্ডিত॥
ঐশ্বর্য্য যুগুত জিতেন্দ্রিয় অপ্রমত্ত।
ধনুর্বেদ জানে দৃষ্টিশিক্ষাত পার্গত॥ ১৭০

দিনে ৰাত্রি নৃপতিক চিন্তিয়া থাকয়।
ত্যাগত কুশল সুন্দৰত শুচি নয়॥
অশ্ব শিক্ষা বিশাৰদ লোকহিতকাৰী।
যুদ্ধাযুদ্ধ সন্ধি বিগ্রহৰ অধিকাৰী॥ ১৭১

নাহি ৰাগ দ্বেষ শুদ্ধচিত্ত সত্যবাদী।
নিতান্তে পূজয় দেৱদ্বিজভক্ত আদি॥
পৰম কৃতজ্ঞ দেশ কালক জানয়।
মহা তত্ত্বগামী ধর্ম কার্য্যে প্রৱর্তয়॥ ১৭২

হেনয় লক্ষণ যুক্ত ভৈলা সেনাপতি।
বিপ্রৰ চৰিত্র কহোঁ শুনিয়ো সম্প্রতি॥
ৰাজ পুৰোহিত
সার্বভৌম নামে ভৈলা ৰাজ পুৰোহিত।
চাৰি বেদ চৈধ্য শাস্ত্র সবাতে পণ্ডিত॥ ১৭৩

শ্রুতি স্মৃতি বেদ বেদাঙ্গৰ তত্ত্ব জানে।
জানয় বিশেষ চতুষষ্টি কলা মানে॥
বাৰ কন্ধ ভাগৱত পুৰাণ যতেক।
সপ্তকাণ্ড ৰামায়ণ ভাৰন্ত প্রত্যেক॥ ১৭৪

অঠৰয় তন্ত্র কাব্যগণ যত যত।
গীত বাদ্য আদি কৰি সবাতে পার্গত॥
বাঁহ কাঠ আদি কৰি আনো যত কাম।
সবাকে জানয় এতে সার্বভৌম নাম॥১৭৫

ধ্যান মন্ত্রে তুষিলেক পার্বতী গোঁসানী।
যেহি বোলে সেহি হরে বাক্য নহে হানি॥
পৰম গহন ধর্ম শাস্ত্রত পার্গত।
নৃপতিক ধর্ম শিক্ষা দেন্ত নানামত॥১৭৬

দৈৱজ্ঞ
আতপৰে দৈৱজ্ঞৰ শুনা যেন নয়।
শ্রীবৰ যাহাৰ নাম প্রকাশ কৰয়॥
গ্রহ নক্ষত্রৰ গতি ৰাশি যোৱা গ্রন্থ।
ভূত ভৱিষ্যত বর্তমানক জানন্ত॥ ৭৭

মহাশান্তমতি ধীৰ পৰম পণ্ডিত।
নৃপতিৰ হিত মাত্র বাঞ্ছে প্রতিনিত॥

নৃপে যত ধর্ম কার্য্য কৰে নিৰন্তৰ।
গণিয়া কহয় তিথি নক্ষত্র বাসৰ॥ ১৭৮

কালচক্র গণি শুভ অশুভ যতেক।
নৃপতিৰ আগে গৈয়া কহন্ত প্রত্যেক॥
অশুভ হৱয় গ্রহগণ যত যত।
সমস্তকে পূজা কৰে নৃপৰ সম্মত॥ ১৭৯

বৈদ্য
আত পৰে বৈদ্যৰ চৰিত্র শুনিয়োক।
যাহাৰ কাৰণে সবে গুচে ৰোগ শোক॥
বেদ শাস্ত্র জানে ব্যাধি চিনয় নিশেষ।
মহৌষধি গুণ গুণ জানয় বিশেষ॥ ১৮০

সবে ব্যাধি নষ্ট কৰে ঔষধৰ বলে।
অভিচাৰ মন্ত্র যন্ত্র জানয় সকলে॥
সাম যে অথর্ব বেদ শান্তি কর্ম যত।
ভোজনৰ হিতাহিত জানন্ত সমস্ত॥ ১৮১

সবে গুণান্বিত সিটো পৰম প্রধান।
যাত পৰে বৈদ্য আৰ নাহি আন ঠান॥
তামুলী
নৃপৰ তাম্বুলী যেন শুনা আত পৰে।
শাস্ত্রত পণ্ডিত ধর্ম জানে নিৰন্তৰে॥ ১৮২

পৰম নীতিজ্ঞ ধীৰ সুচারু বচন।
প্রসিদ্ধে জানয় তাম্বুলৰ গুণগণ॥
অহোৰাত্র তাম্বুলক সদা যোগায়য়।
নৃপতিত পৰে অন্য দেৱ নজানয়॥ ১৮৩

হেনয় লক্ষণ যুক্ত তাম্বুলী নৃপৰ।

সুপকাৰ (ৱাল্কনি)

সুপকাৰ লক্ষণ শুনিয়ো আত পৰ ॥
কুলীন গম্ভীৰ জীতেন্দ্রিয় সত্যৱাদী।
সন্ত গুণ শাস্ত্র দৃষ্টে কৰে কর্ম আদি ॥ ১৮৪

গৌৰ বর্ণ দেহা প্রিয়ংৱাক্যে সদা ৱতি।
সুকোমল নখ কেশ স্নিগ্ধ স্বচ্ছ আতি ॥
ৱৈদ্য শাস্ত্র বিশাৰদ দ্রব্য গুণ জানে।
যথা প্রিয় বস্তু হরে নৃপৰ ভোজনে ॥ ১৮৫

বাত পিত্ত কফ শ্লেষ্মা যেন নলঙ্ঘয়।
ভোজনৰ দ্রব্য সেহিমতে মিলাৱয় ॥
যি তিথিত যি ব্যঞ্জন খাইতে নিষেধন।
সবাকে জানয় সুপকাৰ শুদ্ধ জন ॥ ১৮৬

ভণ্ডাৰী (ভড়ালী)

ভণ্ডাৰীৰ লক্ষণ শুনিও অনন্তৰ।
সমস্ত কর্মতে শ্রেষ্ঠ নাহি যাত পৰ ॥
দেৱ-দেৱী পূজনে সদায় যাৰ চিত।
শৌচাচাৰ জানে সর্ব শাস্ত্রত পণ্ডিত ॥ ১৮৭

অলুব্ধক জীতেন্দ্রিয় ব্রতে নিষ্ঠ মন।
দম্ভ মোহ বিবর্জিত লাৱণ্য বচন ॥
আয় ব্যয় দুইটো সমভাৱে প্রৱর্তয়।
নৃপৰ ভণ্ডাৰী হেন জানিবা নিশ্চয় ॥ ১৮৮

মজিন্দাৰ

আতপৰে শুনা মজিন্দাৰৰ লক্ষণ।
পৰম পণ্ডিত ধর্ম শাস্ত্রে যাৰ মন ॥

কুলীন গহীন সত্য ধর্ম গুণান্বিত।
দর্শন মাত্রকে বুজে ৱাজাৰ ইঙ্গিত ॥ ১৮৯

সন্ধি বিগ্রহক মিত্রলাভ সুহৃদভেদ।
মন্ত্রণা জানয় সিদ্ধান্তৰ পৰিচ্ছেদ ॥
লঘুহস্ত জিতাক্ষৰ জানে শৌচাচাৰ।
হেনয় লক্ষণ যুক্ত ৱাজমজিন্দাৰ ॥ ১৯০

নৃপৰ চাৰৰ শুনা লক্ষণ যেনয়।

চাৰ (দূত)

ইঙ্গিততে বুদ্ধি মন তত্ত্বক বুজয় ॥
মহা বলৱন্ত ভেশধাৰী প্রিয়ৱাদী।
সত্যতেসে প্রৱর্তয় নহে অপ্রমাদী ॥ ১৯১

যি দেশত যেহি কার্য্য হরে উপগত।
নিশেষ জনাই গৈয়া ৱাজাৰ আগত ॥
হেনয় লক্ষণ চাৰ অনেক আছয়।
সংক্ষেপে কহিলো পদ বাহুল্যক ভয় ॥ ১৯২

দ্ৱাৰী

দ্ৱাৰীৰ লক্ষণ কহো হরে যেন মত।
অহোৰাত্রে নিবাস কৰয় দুৱাৰত ॥
পৰম ধার্মিক শৌচাচাৰে সদা ৱতি।
নৃপতিৰ হিতক বাঞ্ছয় প্রতিনিতি ॥ ১৯৩

সুখ দুখ প্রাণীৰ বুজয় নিৰন্তৰ।
নৃপৰ আগত গৈয়া কহে পূর্ৱাপৰ ॥
বিদেশৰ দূতগণ দ্ৱাৰে উপস্থিত।
তাৰ তত্ত্ব বুদ্ধি গৈয়া কৰে নৃপতিত ॥ ১৯৪

ইসৰক আজ্ঞা কৰি শিৱৰ নন্দন।
বিষয়া পাতিবে প্রতি কৰিলন্ত মন॥
ধর্মিষ্ঠ নীতিজ্ঞ বুদ্ধি বলৱন্ত চাই।
যুদ্ধত প্রপন্ন সংগ্রামক আগুৱাই॥ ১৯৫

ঠাকুৰীয়া শইকীয়া

গণনাতো গণি ভাল ভাল ভৃত্য যত।
বষয়া পাতিবে লৈলা সভাৰ মধ্যত॥
বিংশতি পাইকৰ অধিকাৰী ঠাকুৰীয়া।
শতেকৰ অধিপতি পাতি শইকীয়া॥ ১৯৬

হাজাৰী (হাজৰিকা?) উম্ৰা নবাব

সহস্ৰৰ অধিকাৰী পাতিলা হাজাৰী।
উম্ৰাও তিনি হাজাৰৰ অধিকাৰী॥
বাইশ উম্ৰাৰ পতি নবাব পাতিলা।
এহি মতে ভাগে ভাগে আদেশ কৰিলা॥ ১৯৭

সৈন্য সামন্ত

বৃদ্ধ বালকক এৰি যুবত যতেক।
ভাগে ভাগে গণি গণি বুজিলা প্রত্যেক॥
বাৱন্ন যে লক্ষ সৈন্য পঞ্চিশ হাজাৰ।
সমূহে লেখিলে সৈন্য অসঙ্খ্য অপাৰ॥ ১৯৮

হস্তী ঘোঁড়া গর্ধভ মহিষ উট যত।
অসংখ্য আছয় তাৰ লেখা কৈবোঁ কত॥
এহি মতে সৈন্যগণ কৰি নিৰন্ধন।
অসমক মাৰিবাক কৰিলন্ত মন॥ ১৯৯

শুনা মন্ত্রীসব মোৰ আদেশক ধৰাঁ।
গজ বাজি সৈন্যসব শীঘ্রে সাজ কৰাঁ॥

আহোম ৰাজ্য আক্রমণ

নৃপতিৰ শুনি হেন প্রচণ্ড বচন।
অস্ত্রে শস্ত্রে সৈন্য সব সাজিলা তেখন॥২০০

হস্তী ঘোঁড়া আদি যত যুদ্ধৰ সম্ভাৰ।
উট বলধিত লৈয়া খৰচ অপৰ॥
সৈন্যসব সঙ্গে লৈয়া পাচে নৰেশ্বৰ।
গড়গাঁও মাৰিবাক চলিলা সত্তৰ॥ ২০১

অধর্মত মতি নাই ধর্ম ব্যতিৰেকে।
ৰাজ্য লুটিবাক প্রতি বাধা কৰিলেকে॥
আপোনাৰ খৰচ আনিছে যত যত।
তাকে সে ভুঞ্জোক সবে মোহোৰ সম্মত॥ ২০২

এহি বুলি চলি যান্ত শিৱৰ কুমাৰ।
ত্রিদশ সহিতে যেন দেৱ পুৰন্দৰ॥
অসংখ্য কটক সৈন্য লেখা জোখা নাই।
সৈন্যৰ হিঙ্গনি পান্থ ধূলি উৰি যাই॥ ২০৩

কতো দিন যান্তে পাইলা গাওঁৰ সমুখ।
ধুকাইল খৰচ ভৈল সমস্তৰে দুখ॥
মনে মনে গুণে পাচে শিৱৰ তনয়।
ৰাজ্য লুটিবাক দিলে অধর্ম হৱয়॥ ২০৪

নেদিলেও মৰে দেখোঁ মোৰ সৈন্যগণ।
মন্ত্রীক সম্বুদ্ধি ৰাজা বুলিলা বচন॥
শুনা মন্ত্রীসৱ মোৰ বিশেষ উপাই।
ধর্ম বিনে মোৰ অধর্মত মতি নাই॥ ২০৫

নকৰোহোঁ ৰণ ফিৰি বেহাৰক যাওঁ।
অধিক খৰচ আনি লেঢ়াই লগাওঁ॥
অসমক মাৰিয়া কৰিবোঁ বুন্দামাৰ।
শুনি মন্ত্রীগণে প্রসংশিলা বাৰম্বাৰ॥ ২০৬

এহি হৌক বুলি সবে পাঙ্গাত আসিলা।
কান্ত নামে নগৰত আনন্দে ৰহিলা॥
নগৰ প্রকাশে যেন কৈলাস সমান।
দক্ষিণ পশ্চিম পূব দ্বাৰ তিনিখান॥ ২০৭

কমতেশ্বৰীদেৱীৰ মন্দিৰৰ বর্ণনা

অগ্নি কোণে দেৱীগঞ্জ আছয় সাক্ষাত।
নামত কমতেশ্বৰী দেৱী আছে তাত॥
গন্ধে পুষ্পে ধূপে দীপে যি জনে পূজয়।
মনৰ কামনা সিদ্ধি আৱশ্যকে হয়॥ ২০৮

পাষাণে ইষ্টকে মঠ কৰিছে নির্মাণ।
দ্বিতীয় কৈলাস যেন শোভে থানখান॥
পাৰিষদ সমে হৰি লিখিছে সাক্ষাত।
হৰগৌৰী নন্দী ভৃঙ্গী লিখি আছে তাত॥ ২০৯

ইন্দ্র আদি দিকপাল লিখিয়া আছয়।
বাহন সহিতে সবে প্রকাশ কৰয়॥
মৎস্য কুর্ম আদি কৰি দশ অৱতাৰ।
শ্রীকৃষ্ণক লিখিছন্ত গোপিনীবিহাৰ॥ ২১০

লক্ষ্মী সৰস্বতী লিখি আছন্ত তহিত।
অনন্তক লিখিছন্ত কচ্ছপে সহিত॥

বাসুকিক আদি কৰি অষ্ট নাগগণ।
সুতলৰ বলি ৰাজা কৰিছে লিখন॥ ২১১

অপেস্বৰা লিখিছে লিখিছে পাৰিজাত।
বিদ্যাধৰ গন্ধর্ব লিখিছে অসংখ্যাত॥
আদিত্যক আদি কৰি নৱ গ্রহগণ।
গাৱে গাৱে সমস্তকে কৰিছে লিখন॥ ২১২

গৰুড়ক আদি কৰি পক্ষী সমস্তয়।
ভাগে ভাগে সমস্তক লিখিয়া আছয়॥
মৃগেন্দ্রক আদি কৰি পশুগণ যত।
যাৰ যেন বর্ণ তাক লিখিছে সমস্ত॥ ২১৩

চতুঃষষ্টি যোগিনী আৱৰ ভূতগণ।
প্রমথ ভৈৰৱ লিখি আছে জনে জন॥
জ্যোতিৰ প্রভাৱে চক্ষু মেলন নযাই।
তাম্র কাংস ৰজতে শোভয় ঠাই ঠাই॥ ২১৪

হীৰা মৰকত কতো বৈদূর্য্য বাখৰে।
ফটিক কাঞ্চনে দীপ্তি কৰে নিৰন্তৰে॥
মুকুতা মুৰাৰি থোপা আঁৰি আছে তাত।
দণ্ড ছত্র চামৰ প্রকাশে অসঙ্খ্যাত॥ ২১৫

অগৰু সুৰভি গন্ধে দিশ আমোদিত।
পুষ্পৰস পিয়া ভ্রমৰাই কৰে নৃত্য॥
প্রাতসবে পৰা বিপ্রগণে পূজা কৰে।
বেদ স্তুতি চণ্ডী পাঠ পঢ়ে উচ্চস্বৰে॥ ২১৬

পূজা অৱসানে বিপ্রগণে কৰে জপ।
সেহি বেলা উপস্থিত বিশ্বসিংহ নৃপ ॥

বিশ্বসিংহৰ গোঁসানী পূজা

কুশ হস্ত হৈয়া বসি বিষ্ণুক সুমৰি।
গোঁসানীক পূজা কৰে মূল মন্ত্র স্মৰি ॥ ২১৭

বলি দিয়া স্তুতি কৰি প্রণাম কৰয়।
বেদ মন্ত্র পঢ়ি বিপ্রগণে আশীষয় ॥
নটে-ভাটে গায়নে বায়নে গাৱে গীত।
এহি মতে গোঁসানীক সেৱে প্রতিনিত ॥ ২১৮

বাণেশ্বৰ মহিমা বর্ণন

উত্তৰে আছয় শিৱ বাণেশ্বৰ নাম।
যাক সেৱি পাৱে ধর্ম অর্থ মোক্ষ কাম ॥
থানৰ মহিমা যত কহন নযাই।
অদ্ভুত মহিমা উপমাৰ ঠাই নাই ॥ ২১৯

থানে থানে আছে তাত দিব্য সৰোৱৰ।
উৎপল কুমুদ পদ্ম আছে নিৰন্তৰ ॥
থলে আছে থল পুষ্পগণ অসঙ্খ্যাত।
পদ বাহুল্যক ভয়ে নিলিখিলোঁ আত ॥ ২২০

অসঙ্খ্যাতে বিপ্রে পূজা কৰন্ত সদাই।
তাল যন্ত্র আদি বাদ্য অপর্য্যন্ত বাই ॥
নটে ভাটে প্রার্থীগণে পৰি কৰে স্তুতি।
সেহি সময়ত বিশ্বসিংহ নৰপতি ॥ ২২১

ষোড়শোপচাৰে পূজা আপুনি কৰয়।
ব্রহ্মমন্ত্র জপি মূলমন্ত্রউচ্চাৰয় ॥

দণ্ডৱতে পৰি স্তুতি কৰন্ত বিস্তৰ।
তাহান স্তুতিত তুষ্ট হৱন্ত শঙ্কৰ ॥ ২২২

পূজা অৱসানে ব্রাহ্মণক দেন্ত দান।
অতিথি লোকক গৈয়া কৰন্ত সন্মান ॥
সমস্তকে তুষি পাচে শুনয় পুৰাণ।
হৰিৰ চৰিত্র শুনি কৰয় ভোজন ॥ ২২৩

শুচি আচমন হৈয়া তাম্বুল ভুঞ্জয়।
শত পদ গৈয়া মধ্য চৌৰাত বহয় ॥
সম দম দয়া ভেদ নীতি প্রৱর্তয়।
যাক যথা যোগ্য সুধি সিদ্ধান্ত কৰয় ॥ ২২৪

কতিপয় দিনমান এহি মতে আছে।
আত অনন্তৰে কথা শুনিয়োক পাচে ॥
এক দিনা কার্তিক মাসত নৰপতি।
মধ্য নিশা ভাগে পূজা কৰি ভগৱতী ॥ ২২৫

অমাৱস্যা তিথি মধ্য ৰাত্রি সময়ত।
ৰণ কৰিবাক প্রতি সঙ্কল্প মনত ॥

বিশ্বসিংহৰ স্বপ্ন দুষ্ট

মন্ত্রজপি ধ্যান কৰি চক্ষু মুদি ৰৈলা।
নিজৰূপে মহাকালী উপস্থিত ভৈলা ॥ ২২৬

মহাকালী বোলে পুত্র শুনিয়ো বচন।
ৰণ এৰি বিবাহ কৰিতে কৰা মন ॥
মোৰ ৱৰে অষ্টাদশ পুত্র হৈব জাত।
মহাবলৱন্ত সবে জগত প্রখ্যাত ॥ ২২৭

তঞি ৰণ কৰিতে লাগয় কোন গুণি।
তযু পুত্রগণে সবে জিনিব ধৰণী॥
মহাকালী বাক্য শুনি পাছে নৰেশ্বৰ।
ভকতি প্রণতি তুতি কৰিলা বিস্তৰ॥ ২২৮

দণ্ডৱতে পৰি নমস্কাৰ কৰিলন্ত।
পূজা কৰি বলি দান অসঙ্খ্য দিলন্ত॥
পৰম সন্তোষে কালী কৈলাসক গৈলা।
আত অনন্তৰে শুনা যেন কথা ভৈলা॥ ২২৯

বিশ্বসিংহৰ বিবাহ

একদিনা পাত্র মন্ত্রী সবাকে চপাই।
আজ্ঞা কৰিলন্ত দিব্য সভা মাজে যাই॥
বোলে পাত্র মন্ত্রীলোক শুনিয়ো বচন।
বিচাৰি আনিও কন্যা বত্রিশ লক্ষণ॥ ২৩০

ৰাজাৰ আদেশ সবে কৰি শিৰোগত।
বিচাৰ কৰিতে গৈলা সমস্তে ৰাজ্যত॥
নেপাল দেশত ৰত্নকান্তি নামে কন্যা।
পৰম সুন্দৰী তেহে ৰূপে গুণে ধন্যা॥ ২৩১

হেমপ্রভা পদ্মাৱতী দুই ৰৰনাৰী।
গৌড় দেশ মধ্যে তাঙ্ক পাইলন্ত বিচাৰি॥
চন্দ্রকান্তি পূর্ণকান্তি হেমকান্তি ৰতি।
কামৰূপে চাৰি কন্যা পাইলা মহাসতী॥২৩২

কাশ্মীৰ দেশত পাইলা তিলোত্তমা নাম।
পৰম ৰূপসী গুণে অনুপাম॥

চন্দ্রা চন্দ্রাননা জয়া বিজয়া জয়ন্তী।
কাশী দেশে পাইলা পাঞ্চকন্যা ৰূপৱন্তী॥ ২৩৩

ললিতা লাৱণ্যৱতী নামে পদ্মমালা।
শোণিতপুৰত তিনি কন্যা পাইলা ভালা॥
শতৰূপা কাঞ্চনমালিনী কন্যা দুই।
দর্শন মাত্রকে মহাজনো মোহ হুই॥ ২৩৪

মিথিলাত দুই কন্যা পাইলন্ত বিচাৰি।
পৰম ৰূপসী দুই যেন বিদ্যাধৰী॥
বাসৰ সজায়া আনি থৈলা ভিনে ভিনে।
সমস্তকে বিহা কৰাইলন্ত একে দিনে॥ ২৩৫

গন্ধর্ব বিবাহে বিহা কৰাইলা সাক্ষাত।
নৃত্য গীত বাদ্য ভণ্ড বজাই অসঙ্খ্যাত॥
ব্রাহ্মণ দৈৱজ্ঞ সন্ত মহন্ত যতেক।
দানে মানে সমস্তকে তুষিলা প্রত্যেক॥ ২৩৬

দুখী ভিখী দেশান্তৰী ব্রহ্মচাৰীগণ।
অদৰিদ্র কৰি সমস্তকে দিলা ধন॥
বস্ত্র অলঙ্কাৰ দান দিলা ভাল মত।
তাসম্বাক নেলেখিলোঁ সংক্ষেপ পদত॥ ২৩৭

ব্রহ্মাণ্ডৰ বিভূতি ভৈলেক এক ঠাই।
যতেক ঐশ্বর্য্য ভৈলা লেখা জোখা নাই॥
নাহি দণ্ডবাদ প্রজা আনন্দে বঞ্চয়।
দেশতো ভৈলন্ত লক্ষ্মী অক্ষয় অব্যয়॥ ২৩৮

অষ্টাদশ মন্দিৰ সজাইলা ভালমতে।
জনে জনে ভার্য্যা সব থৈলন্ত তহিতে ॥
পৰম আনন্দে কতিপয় দিন আছে।
পুষ্পোৎসৱ বিৱাহ কৰাইলা তাত পাচে ॥ ২৩৯

অষ্টাদশ বাজকুমাবৰ জন্ম

গর্ভাধান কৰিলন্ত সমস্তে ভার্য্যাত।
পাচে দশ মাসে সমস্তৰে পুত্র জাত ॥
ৰত্নকান্তি ভার্য্যা হন্তে যিটো পুত্র ভৈলা।
দৈৱজ্ঞে গণিয়া নৰসিংহ নাম থৈলা ॥ ২৪০

হেমপ্রভা হন্তে যিটো পুত্র উতপন।
গণিয়া দিলন্ত নাম নৰনাৰায়ণ ॥
পদ্মাৱতী হন্তে যিটো পুত্র উতপতি।
তান নাম শুক্লধ্বজ থৈলন্ত সম্প্রতি ॥ ২৪১

চন্দ্রকান্তি পুত্র যিটো অতি সুকোমল।
তাহান থৈলন্ত নাম গোঁহাই কমল ॥
পুর্ণকান্তি পুত্র যিটো পৰম প্রধান।
তাহাক্ষ গণিয়া নাম থৈলন্ত ময়দান ॥ ২৪২

হেমকান্তি হন্তে যিটো পুত্র জাত ভৈলা।
তুলা ৰাশি হেতু ৰামচন্দ্র নাম থৈলা ॥
ৰতি হন্তে যিটো পুত্র পৰম বীৰঙ্গ।
কুম্ভ ৰাশি পদে নাম থৈলা সুৰসিংহ ॥ ২৪৩

তিলোত্তমা গর্ভ হন্তে পুত্র জাত।
মানসিংহ নাম থৈলা জগতে প্রখ্যাত ॥

চন্দ্রা ভার্য্যা হন্তে যিটো পুত্র উপজিল।
সিংহ ৰাশি হেতু তান মেচা নাম দিল ॥ ২৪৪

চন্দ্রাননা হন্তে জন্ম ভৈলা পুত্র যিটো।
গণিয়া পঢ়িয়া নাম থৈলা বৃষকেতু ॥
জয়া ভার্য্যা হন্তে যিটো পুত্র উতপন।
তাহান থৈলন্ত নাম ৰাম নাৰায়ণ ॥ ২৪৫

বিজয়া ভার্য্যাৰ গর্ভে যি পুত্র ভৈলন্ত।
পণ্ডিতসকলে নাম অনন্ত থৈলন্ত ॥
জয়ন্তী মহিষী হন্তে ভৈলা যিটো সুত।
দীপসিংহ তান নাম থৈলন্ত প্রস্তুত ॥ ২৪৬

ললিতা বণিতা হন্তে যি জন কুমাৰ।
দৈৱজ্ঞসকলে নাম থৈলা হেমধৰ।।
লাৱণ্যবতীৰ গর্ভে যি পুত্র শোভন।
তাহান থৈলন্ত নাম মেঘনাৰায়ণ ॥ ২৪৭

পদ্মমালা হন্তে যিটো তনয় বেকত।
গণিয়া তাহান নাম থৈলন্ত জগত ॥
শতৰূপা হন্তে পুত্র যিজন জন্মিলা।
মঙ্গল পূর্বকে ৰূপচাঁদ নাম দিলা ॥ ২৪৮

কাঞ্চনমালিনী গর্ভে যিটো পুত্র ভৈল।
মঙ্গল কৰিয়া তান নাম সূর্য্য থৈল ॥
একদিনা বিশ্বসিংহ বাজা গুণে মনে।
কাহাক পাতিবোঁ বাজা হৈব কোনজনে ॥ ২৪৯

এহিমতে গুণি গাস্থি আছা নৃপবৰ।
সেহি দিনা আসি দেখা দিলন্ত শঙ্কৰ ॥
শঙ্কৰ বদতি পুত্র নকৰিবি ভয়।
যি জন হৈবন্ত ৰাজা দেখিয়ো প্রত্যয় ॥ ২৫০

ভাবী নৃপতি নির্বাচন

অষ্টাদশ দ্রব্য আনি কৰি এক স্থান।
ভিনে ভিনে টোপোলা বান্ধিবা বিদ্যমান ॥
মৃত্তিকাৰ টোপোলাক যি জনে নিৱয়।
সেহি জনে ৰাজা হৈব নাহিকে সংশয় ॥ ২৫১

এহি বুলি সদাশিৱ ভৈলা অন্তর্ধ্যান।
বিশ্বসিংহে কৰিলন্ত কথাৰ প্রমাণ ॥
সোণা ৰূপা তাম্র কাংস সেতু বাঙ্গ সীহা।
মুকুতা পিতল মাটি যৱধান্য লোহা ॥ ২৫২

কপাস সৰিষ মাষ অস্থি ভস্ম কাষ্ঠ।
গুপ্তভাবে টোপোলা বান্ধিলা কৰি নিষ্ঠ ॥
যজ্ঞ কৰি সভাৰ মধ্যত থাপিলন্ত।
পুত্র সকলক পাচে আদেশ দিলন্ত ॥ ২৫৩

শুন পুত্র সব মোৰ আদেশ বচন।
জনে জনে টোপোলাক আন এতিক্ষণ ॥
ৰাজাৰ বচন শুনি পাচে পুত্রগণ।
টোপোলাক আনিয়া দিলন্ত জনে জনে ॥ ২৫৪

কর্ম বিভাজন

স্বর্ণৰ টোপোলা নৰসিংহে আনিলন্ত।
বিদেশত ৰাজা হৈব আজা কৰিলন্ত ॥

মল্লদেৱে মৃত্তিকাৰ টোপোলা আনিলা।
এন্তে ৰাজা হুইব বুলি আদেশ কৰিলা ॥ ২৫৫

শুক্লধ্বজে আনিলন্ত লোহাৰ টুপলী।
বোলে যুবৰাজ হৈব এহেঁ মহাবলী ॥
অস্ত্রত শাস্ত্রত ইটো হৈবন্ত পার্গত।
ৰণ ধর্ম সমস্তকে জানিব সাম্প্রত ॥ ২৫৬

1629- 11022.

যৱধান্য আনিলন্ত গোহাঁই কমল।
বোলে শুক্ল যশ হৈব সুকৃতি নির্মল ॥
আলি মঠ পুষ্কৰ কৰিব থানে থান।
গোহাঁই কমলক দিলা এতেক বিধান ॥ ২৫৭

ৰূপৰ টোপোলা ৰামচন্দ্রে আনিলন্ত।
ভণ্ডাৰৰ অধিকাৰৰ তাঙ্ক পাতিলন্ত ॥
সেতুৰ টোপোলা আনিলন্ত ময়দান।
শিল সাঁকো বান্ধিবে বুলিলা থানে থান ॥ ২৫৮

মেচায়ে আনিলা যিতো সীহাৰ টুপলি।
বুলিলা বন্দুকী হৈব ইটো মহাবলী ॥
ৰাঙ্গৰ টোপোলা সুৰসিংহে আনিলন্ত।
সোণাৰীৰ অধিকাৰ তাক পাতিলন্ত ॥ ২৫৯

পিতলৰ টোপোলা আনিলা ৰৃষকেতু।
কমাৰ কঁহাৰ অর্পিলন্ত তান হেতু ॥
হৰিসিংহে কাংসৰ টোপোলা আনিলন্ত।
গায়ন বায়ন যত তাহাঙ্ক দিলন্ত ॥ ২৬০

মাষৰ টোপোলা নিলে ৰামনাৰায়ণ।
তাঙ্ক দিলা সত্রসভা কৰি নিয়োজন ।।
সৰিষাৰ টোপোলাক আনিলা অনন্ত।
তেলী সকলৰ অধিকাৰ পাতিলন্ত ।। ২৬১

অস্থিৰ টোপোলা আনি দীপসিংহে দিলা।
হস্তী ঘোঁড়া গৰু পশু পক্ষী তাঙ্ক দিলা ।।
তামৰ টোপোলা নিলা যিতো হেমধৰ।
বোলে নীতি প্ৰৱর্তাইব ব্রাহ্মণ সবৰ ।। ২৬২

কপাসক আনিলন্ত মেঘনাৰায়ণ।
তাঙ্ক দিলা ধোবা তাঁতী যত জোলাগণ ।।
মুকুতাক আনিলা যি জন সূর্য্যবৰ।
তাহাঙ্ক নিলন্ত যত আছে সদাগৰ ।। ২৬৩

কাষ্ঠৰ টোপোলা গোট জগতে আনিলা।
যত দেবালয় গণ তাঙ্ক সমর্পিলা ।।
ভস্মৰ টোপোলা ৰূপচাঁদে আনিলন্ত।
পঞ্চশস্য আদি যত তাহাঙ্ক দিলন্ত ।। ২৬৪

মল্লদেৱ আৰু শুক্লধ্বজৰ বাৰাণসী গমন

সন্ন্যাসী বৈৰাগী দুখী ভিখা দেশান্তৰী।
তাসম্বাক পূজা কৰিবহি আজি ধৰি ।।
এহি মতে ভাগে ভাগে আজ্ঞা কৰিলন্ত।
মল্ল শুক্ল দুইকো পঢ়িবাক পঠাইলন্ত ।। ২৬৫

পিতৃৰ চৰণ দুই ভাই বন্দিলন্ত।
পঢ়িবাক লাগি বাৰাণসীক গৈলন্ত ।।

ব্রহ্মানন্দ সন্ন্যাসীক পাইলা দৰিশন।
সেহি স্থানে পঢ়িয়া ৰহিলা দুইজন ।। ২৬৬

পঢ়াৰ বিষয়

সন্ন্যাসীও দায়া কৰি দুহাঙ্কো ৰাখিলা।
গুৰুৰ বচনে দুয়ো শাস্ত্র অভ্যাসিলা ।।
ব্যাকর্ণ পুৰাণ শ্রুতি স্মৃতি মীমাংসাৰ।
শিকিলন্ত অস্ত্রশাস্ত্র অথর্ববেদৰ ।। ২৬৭

সম দম দায়া ভেদ ন্যায় নীতি যত।
জ্যোতির্বেদ তর্ক শাস্ত্র শিকে নানামত ।।
এক মনে পঢ়ে দুয়ো ত্যজি আন কাম।
ভণে সূর্য্যখড়ি ডাকি বোলা ৰাম ৰাম ।। ২৬৮

লেচাৰি

বিশ্ব সিংহৰ পিতৃৰ বিষয়ে পুত্র নৰসিংহৰ প্রশ্ন

একদিনা নৰসিংহ দেৱ পিতৃৰ চৰণে কৰি সেৱ,
বুলিলন্ত তযু পিতৃ হন্ত কোন জন।
নৃপতি বদতি শুনা সুত ইটো কথা আতি অদভুত,
মোৰ পিতৃদেৱ যিটোজন ত্রিয়নয়।
ব্রহ্মা আদি যাক কৰে সেৱ চৈধ ভুবনত তেহে দেৱ,
দেৱতাৰ দেৱ তাঙ্কে বোলে মহেশ্বৰ।
নৰসিংহে বোলে শুনা বাণী, যদি তযু পিতা শূলপাণি
মোক আজি দেখা দিয়ন্তোক দিগম্বৰ ॥ ২৬৯

শুনি বিশ্বসিংহে কষ্ট কৰি তিনি দিন মৌন ব্রত ধৰি
একাগ্রে চিন্তিলা সিটো দেৱ সদাশিৱ।
পুত্রৰ চিন্তনে ত্রিনয়ন, আসিলন্ত শীঘ্রে তেতিক্ষণ
বোলে পুত্র মোক চিন্তিলিহি আজি কিয়॥

বিশ্বসিংহ আৰু নৰসিংহৰদ্বাৰা শিৱ দর্শন

পিতৃৰ চৰণে নৰপতি দণ্ডৱতে পৰি কৰি নতি,
স্তুতি স্তোত্র মন্ত্রে বুলিলা অনেক বাক।
নালাগয় মোক আন বৰ নালাগে বিভূতি ব্রহ্মাণ্ডৰ
দেখা দিয়াঁ নাতি নৰসিংহ বোলে যাক॥ ২৭০

পুত্রৰ বচনে ত্রিনয়ন নৰসিংহ আগে দৰিশন,
দিয়া বোলে নাতি লৈয়ো আজি ইষ্টবৰ।
নৰসিংহে বোলে পশুপতি যদি দায়া আছে মোক প্রতি,
দিয়াঁ বৰ মোক হৈবোহোঁ যেন অমৰ॥
শিৱে বোলে কলি যুগ ইটো খুজিলিহি তঞি বৰ যিটো
দেৱৰো অযোগ্য নুহিকে দিবে উচিত।
তথাপিতো তোক দিলোঁ মঞি প্রভাততে শিশু
হৈবি তঞি,
মধ্যাহ্নত যুবা হৈবিহি বাল বর্জিত॥ ২৭১

সায়াহ্নত বৃদ্ধ ৰূপ হৈবি ত্রহি মতে দিনে দিনে ৱৈবি,
মধ্য নিশাভাগে দুই দণ্ড মৃত্যু হৈব।
পুনৰোপি জীবি পূর্বৱতে, ৰাজা হৈয়া ৱৈবি পর্বততে
ধর্মাৰাজা নাম সংসাৰৰ লোকে কৈব॥
মৃত্যু অধিকাৰ কালদেৱ তাহাক পূজিবি কৰি সেৱ,
এতেকতে তঞি হৈব জানা জাতিস্মৰ।
দিলন্ত কালৰ মূল মন্ত্র পূজা সেৱা স্তৱ জপ যন্ত্র,
কালৰ কৃপাত হৈবিহি তঞি অমৰ॥ ২৭২

এহি বুলি শিৱ মৌন ভৈলা আপন পুত্রক দায়া কৈলা,
সুৱর্ণৰ হনুমন্তী দণ্ড গোট দিলা।
এহি দণ্ড গোট সুৱর্ণৰ সমুখ হোৱয় যি দিশৰ
সেহি দিশে জয় হৈবন্ত শিৱে বুলিলা॥
এহি বুলি অন্তর্ধ্যান ভৈলা কৈলাস পুৰক চলি গৈলা
শুনিয়োক আত অনন্তৰে যেন কথা।
পাচে বিশ্বসিংহ নৰপতি ভুঞ্জি অকণ্টৰা বসুমতী
পঞ্চিশ বৎসৰ পৃথিৱী পালিলা তথা॥ ২৭৩

কৈলাসক নিবে শিবৰ মন, স্বপ্নত দিলেক দৰিশন
বোলে পুত্র তঞি নাথাকিবি পৃথিৱীত।
এহি বুলি অন্তর্ধ্যান ভৈলা বিশ্বসিংহ ৰাজা স্বস্থ
পাইলা,
কৈলাসে চলিতে ভৈলন্ত তাহান চিত॥

বিশ্বসিংহৰ নির্দেশ ক্রমে ব্রাহ্মণৰ বৃদ্ধ আঙ্গুলী ছেদন ব্রাহ্মণৰ অভিশাপ আৰু মৃত্যু

মহাকালে আসি লগ লৈলা, নৃপতিৰ মতিভ্রম ভৈলা,
এক ব্রাহ্মণত পুচিলন্ত প্রয়োজন।
ব্রাহ্মণৰ বৃদ্ধ আঙ্গুলীত মনুষ্যে সেৱয় কি নিমিত্ত
মোহোৰ আগত কহিয়ো তুমি এখন॥ ২৭৪

ব্রাহ্মণ বদতি মহাৰাজ, বৃদ্ধাঙ্গুষ্ঠী মধ্যে শুক্ল তেজ,
ব্রহ্মতেজ হেতু সেৱন্ত সমস্ত প্রাণী।
ব্রাহ্মণৰ আয়ু অৱসান ৰাজায়ো নকৰি অৱধান,
ফলাইলা আঙ্গুলী নৃপতি বটালী হানি॥
দেখে নাহি শুক্ল বর্ণ তেজ, লগাইলন্ত আনি বহু বেজ
ব্রাহ্মণৰ ৰক্ত নভৈলা তভো ৰক্ষণ।
ব্রাহ্মণে বোলন্ত নৰপতি কৰিলি মোহোৰ যেন গতি
তেমতে খহুতে হৈবেক তোৰ মৰণ॥ ১৭৫

এহি বুলি নাম স্মৰি দ্বিজ কৃষ্ণৰ চিন্তিলা মন্ত্র বীজ,
জাপিয়া ব্রাহ্মণে ত্যজিলা তেবেজীৱন।

বিশ্বসিংহবদ্বাৰা ব্রাহ্মণৰ প্রেত কর্মাদি সম্পাদন

দেখি মন কষ্ট ভৈলা ৰাজাৰ বিপ্রৰ কৰাইলা সংস্কাৰ
প্রেত কর্ম ক্রিয়া কৰাইলা সবে তেখন॥
দানোৎসর্গ ব্রহ্মভোজ আদি সঙ্কলিলা যত কর্মবিধি
আপোনাৰ অর্থে কৰাইলন্ত প্রায়শ্চিত।
বিপ্রৰ কাৰণে দিলা দান ব্রাহ্মণে পাইলন্ত সজ স্থান,
যজ্ঞ কৰি ৰাজা বিলাইলন্ত ধন বিত॥ ২৭৬

বিশ্বসিংহ খহৰোগত আক্রান্ত

পক্ষেক অন্তৰে নৰেশ্বৰ শাপ লাগ লৈলা ব্রাহ্মণৰ
জ্বৰত পৰিয়া বৰ খসু দেখা দিলা।
উমান পাইলন্ত মহামানী অৱশ্যে মৰিবোঁ মনে জানি,
পুত্র পাত্র মন্ত্রীসকলক মাতি নিলা॥

বিশ্বসিংহ নির্দেশ

মোৰ বাক্য শুনা সাৱধান নকৰিবাঁ কেৱেঁ অন্য কাণ
মোৰ বংশে কন্যা নানিব অন্য জাতিৰ।
ভাল ভাল ৰূপ গুণ চাই যথাত সুন্দৰ কন্যা পাই
আনিবাহাঁ কন্যা কোঁচ মেচ কছাৰীৰ॥ ২৭৭

আৰু মোৰ বংশে ব্রাহ্মণৰ নকৰিব দ্রোহ একোনৰ,
নকৰিব দণ্ড অঙ্গুলীকো নোটোঁৱাইব।
অন্যত্র জাতিৰ কন্যা আনে ব্রাহ্মণক দণ্ডে দোষবিনে
নিশ্চয়ে তাহাৰ ছত্রখান ভঙ্গ যাইব॥
এহি বাক্য বুলি নৰপতি শিৱৰ চৰণে দিয়া মতি,
জপিলা হৃদয়ে শিৱ বাম নিৰঞ্জন।
পুত্রৰ শঙ্কট জানি মনে নন্দীক পাঠিলা ত্রিনয়নে
মোহোৰ পুত্রক আনি যোগোৱাঁ এখন॥ ১৭৮

বিশ্বসিংহৰ মৃত্যু

শিৱৰ আদেশ শিৰে ধৰি গৈলা সেনাপতি শীঘ্র কৰি,
লগত গৈলন্ত ভূত প্রেত দৈত্যচয়।
পাইলন্ত শোণিতপুৰী যাই, বিশ্বসিংহ ৰাজা আছে
যি ঠাই,
তথা গৈয়া আজ্ঞা সেনাপতি নন্দী কয়॥
শুনা ৰাজা তযু পিতৃবাক্য মোহোক পঠাইছে
নিবে তোমাক
এহি বিমানত উঠিয়ো সত্তৰ কৰি।
ৰাজা চক্ষু মেলি চাইলা আগত নদীক দেখা
পাইলা
উঠিলা বিমানে শিৱ শিৱ নাম স্মৰি॥ ২৭৯

কৈলাসৰ বর্ণনা

জয়ধ্বনি বাদ্য-ভণ্ডৰোল লঙ্ঘিলেক গৈয়া স্বর্গ কোল,
শিৱলোক পাইলা যথা আছে মহাদেৱ।
তথা গঙ্গা দুর্গা ভগৱতী নন্দী ভৃঙ্গী কার্তি গণপতি
দেখিয়া সবাকে কৰিলন্ত লক্ষ সেৱ॥
চৌপাশে আবৰি ভূতচয় দানবে ভৈৰৱে উপাসয়
বৃন্দ বৃন্দ প্রেত পিশাচৰ সীমা নাই।
প্রথম গুহ্যক বিদ্যাধৰ গন্ধর্ব অপ্সৰা নিৰন্তৰ
তেনস্থে চৌপাশে উপায়ন্ত গীত গাই॥ ২৮০

থানৰ মহিমা কি কৈবো আতি প্রকাশ কৰন্ত
দিনেৰাতি
কোটি সূর্য্য চন্দ্র সম জ্বলে ফট্ ফট্।
সুৱর্ণ ৰজত বৈদূর্য্যৰ ইন্দ্রনীল পান্না মাণিকৰ
প্রকাশে প্রবাল হীৰা মণি মৰকত।

সৌৰভ সুগন্ধ আমোদিত মলয়া পৱন বহে নিত,
নাহি ক্ষুধা তৃষ্ণা জৰা মৃত্যুভয় শোক।
নাহি দণ্ডবাদ কায় ক্লেশ ইৰিষা মৎসৰ দম্ভ দ্বেষ
সর্বত্রে কল্যাণ এতে বোলে শিৱলোক ॥ ২৮১

পুত্রক দেখিয়া সদাশিৱ, আনন্দে বুলিলা জীৱ জীৱ
পাৰিষদ পাতি থৈলন্ত নিজ সঙ্গত।
দেৱৰ সম্পতি লৈলা লাগ, দিলা সদাশিৱে পূজাভাগ,
থাকিলন্ত তথা দেৱৰ মধ্যে ৰঙ্গত ॥
ৰায় ৰাজেশ্বৰ নৃপবৰ পয়ান শুনয় যিটো নৰ,
তাহাৰ বিভূতি সম্পত্তি সুখ মিলয়।
কৃষ্ণৰ চৰণ শিৰে ধৰি ভনিলা লেচাৰি সূর্য্যখড়ি
বোলা ৰাম ৰাম পাপৰ হৌক প্রলয় ॥ ২৮২

পদ

বিশ্বসিংহৰ মৃত্যুত পুত্র ভার্যা আৰু পাত্র মন্ত্রীসকলৰ ক্রন্দন

চলিলা কৈলাসে যদি শিৱৰ নন্দন।
শোণিতপুৰত তেবে ভৈলেক ক্রন্দন ॥
একে লগে কান্দে ভার্য্যাগণ ঠাই ঠাই।
পাত্রে পুত্রে কান্দে গুণ বর্ণাই বর্ণাই ॥ ২৮৩

ক্রন্দনৰ ঊর্মি উথলিলা মহাৰোল।
পূর্ণিমা দিৱসে যেন সাগৰ কল্লোল ॥
কতোক্ষণে স্বস্থ ভৈলা প্রজাগণ যত।
নিত্য নৈমিত্তিক কর্ম কৰিলা সমস্ত ॥ ২৮৪

তিথি বাৰ খেন লগ্ন শুভ যোগ চাই।
সেহি পাটে ৰাজা ভৈলা নৰসিংহ ৰাই ॥

নৰসিংহৰ অভিষেক

তীর্থোদক অনায়া কৰিলা অভিষেক।
অসংখ্যাত ধনৰত্ন বিলাইলা প্রত্যেক ॥ ২৮৫

ব্রাহ্মণ দৈৱজ্ঞ সন্ত মহন্ত সকলে।
সিঞ্চিলা শিৰত শান্তি বেদ শুদ্ধ জলে ॥
গায়নে বায়নে নটে ভাটে নিৰন্তৰে।
তেসন্বে গাইলন্ত গীত শুভ মঙ্গলৰে ॥ ২৮৬

নাৰীগণে গীত গাই দিলন্ত জোকাৰ।
তাসন্বাক দিলা ৰত্ন বস্ত্র অলঙ্কাৰ ॥
সন্ন্যাসী বৈৰাগী যতী যোগী ব্রহ্মচাৰী।
ৰাণপ্রস্থী দুখিত দৰিদ্র ভেশধাৰী ॥ ২৮৭

অ-দৰিদ্র কৰি সমস্তকে দিলা দান।

নৰসিংহৰ কীর্তি

নাহিকন্ত ৰাজা নৰসিংহৰ সমান ॥
শুক্ল কীর্তি যশস্যা গৈলেক তিনি লোক।
মিত্রে পাইলা আনন্দ শত্রুরে পাইলা শোক ॥ ২৮৮

মল্লদেৱ আৰু শুক্লধ্বজলৈ পিতৃৰ মৃত্যুসংবাদ আৰু নৰসিংহ ৰজা হোৱাৰ বার্তা প্রেৰণ

মল্ল শুক্ল দুইৰ ধাই মাতৃ আছিলন্ত।
তাহান মনত দুখ ভৈল অপর্য্যন্ত ॥
মনে বোলে বিশ্বসিংহ ৰাজা আজ্ঞা দিলা।
মল্ল শুক্ল দুইক ৰাজা হৈৰাক বুলিলা ॥ ২৮৯

আজি দেখোঁ সেহি বাক্য ভৈল বিপর্য্যয়।
দেখোঁ কেন মতে নৰসিংহ ৰাজা হয় ॥

এহি বুলি মনে মনে পত্র লেখিলন্ত।
বাৰাণসী থানে শীঘ্রে দূত পঠাইলন্ত ॥ ২৯০

পত্র সন্দেশ

স্বস্তি শ্রীশ্রীমৎ মল্ল শুক্ল দুই ভাই।
তযু পিতা পৰলোক জানা সমুদায় ॥
নৰসিংহ ৰাজা ভৈলা পিতৃৰ ৰাজ্যত।
তোৰা দুই পাচে ৰাজা হৈবা কেন মত ॥ ২৯১

এহি লিখা দেখি শীঘ্রে আহা দুইজন।
ৰাজ্য লৈয়া সাধা আপুনাৰ প্রয়োজন ॥
পত্র সমে দূত গৈয়া বাৰাণসী পাইল।
মল্ল শুক্ল দুইৰ আগে পত্রক দেখাইল ॥ ২৯২

সেহি লিখা পত্র দিলা গুৰুৰ হাতত।
পত্র দেখি সন্ন্যাসীৰ বিষাদ মনত ॥
বোলে মল্ল শুক্ল দুয়ো লৈয়ো ইষ্টবৰ।
অস্ত্রশাস্ত্র বিদ্যা দুয়ো জানা নিৰন্তৰ ॥২৯৩

অভেদ কবচ দিলা দুহান্তৰ গারে।
বোলে দুই জন যায়ো আপোনাৰ ঠারে ॥
যেহি দিশে যোৱা সেহি দিশে হৈব জয়।
শুদ্ধ চিত্তে আশীর্বাদ দুইকো দিলোঁ মঞি ॥ ২৯৪

নৰসিংহৰ সৈতে মল্লদের আৰু শুক্লধ্বজৰ যুদ্ধ আৰু নৰসিংহৰ পলায়ন

এহি বুলি আশীর্বাদ সন্ন্যাসীয়ে দিলা।
গুৰুক অর্চিয়া নিজ দেশক আসিলা ॥
যেতিক্ষণে নিজদেশ পাইলা দুই ভাই।
ধুমাজয় ৰণ দিলা নৰসিংহ পাই ॥ ২৯৫

ৰণ হাৰি নৰসিংহে পুত্র হাতে ধৰি।
মৰঙ্গ দেশক গৈলা পলাই লৰৰি ॥
দেখি দুয়ো ভাই পাচে পিচতে খেদিলা।
মৰঙ্গৰ ৰাজা আমি সসৈন্যে ৰৰিলা ॥ ২৯৬

তৈৰপৰা ৰাজা নেপালত সোমাই ৰৈলা।
গুৰুক সেৰিয়া দুয়ো ভাই খেদি গৈলা ॥
নেপালৰো ৰাজা সৈন্য সমে ৰৰিলন্ত।
তৈৰপৰা কাশ্মীৰ দেশক চলিলন্ত ॥ ২৯৭

খেদিয়া দুর্গম পন্থ আসিলন্ত ফিৰি।
পিতৃৰাজ্য পাইল দুয়ো ভৈল ৰাজচিৰি ॥
পাত্রমন্ত্রী সকলে আসিয়া লগ লৈলা।
শুনা নৰসিংহ ৰাজা যৈক লাগি গৈলা ॥ ২৯৮

পলাতক নৰসিংহ ভোটৰ ৰজা

কাশ্মীৰ দেশৰ হন্তে শিৰক চিন্তিয়া।
পুত্র সমে হিমৰন্ত গিৰী পাইল গৈয়া ॥
শঙ্খ যে হিন্দোলা দুই নদীৰ মধ্যত।
শৈল্য নৃপতিৰ পাট আছিল পূৰতি ॥ ২৯৯

নব গোটা স্বর্ণগৃহ নির্মিছে বিধাতা।
জ্যোতির্ময় স্থান তান নাম পূর্ণাখাতা ॥
সেহি গৃহ মধ্যে ঘণ্টা আছে অসংখ্যাত।
ৰুণ ৰুণ বাদ্য সর্বকালে বাজে তাত ॥ ৩০০

মধ্যে মহাকালী মূর্তি প্রকাশন্তে আছে।
অনেক গোঁসাই মূর্তি আছে চাৰি কাষে ॥

সুগন্ধ প্রদীপ ধূপ বিচিত্র চামৰ।
দিব্য চন্দ্র তাপ আছে সবাৰ উপৰ ॥ ৩০১

অনেক গেলেঙ্গ ভোটে পৰিচর্য্যা কৰে।
সেহি থানে ৰৈলা নৰসিংহ নৃপবৰে ॥
নিশাভাগে স্বপ্নে দেখা দিলা ত্রিনয়ন।
এহি থানে থাক তঞি বুলিলো বচন ॥ ৩০২

মোৰ বৰে তোক ভোটগণে ৰাজা লৌক।
পর্বতৰ যতলোক সবে বশী হৌক ॥
এহি বুলি সদাশিৱ অন্তর্ধ্যান ভৈলা।
মহাকাল কালী দুইবো মন্ত্র তন্ত্র কৈলা ॥ ৩০৩

চেতন লভিয়া পাচে নৰসিংহ বাই।
মহাকাল কালীকাৰ সম্ভাব যন্তাই ॥
মন্ত্রে তন্ত্রে ষোড়শোপচাৰে পূজিলন্ত।
পুৰশ্চৰণ কৰি তথা ৰহিলন্ত ॥ ৩০৪

বাৰশ নেলেঙ্গ সমে নিতে গান গাই।
পৰম আনন্দ হুয়া ৰহিলা সদাই ॥
দেবাক পাতিলা সর্ব ৰাজ্য অধিকাৰী।
তাহান আজ্ঞাত চলি থাকে:নৰনাৰী ॥ ৩০৫

ৰজা নৰসিংহৰ তিনি বিষয়া

পাতিলা পল্লৱ পূৰে:নামত দাগাৰ।
দক্ষিণৰ পল্লবৰ নামত টংচাৰ ॥
পচিমৰ পল্লবৰ পাৰ যাৰ নাম।
এহি তিনি বিষয়া সবাতে অনুপাম ॥ ৩০৬

ই তিনিৰ নামে ৰৰ জোংপেন পাতিলা।
টাচিৰ জোনৰ থানে অধিকাৰ দিলা ॥
এক গোটা জোংপেন পূর্ণ যে খাতাৰ।
আৰু গোটা জেংপেন উন্দি যে ফোৱাৰ ॥ ৩০৭

দোনৰ কালৰ এক ৰৰ যে দেৱান।
পত্রৰ ৰাহৰ এক সবাতে প্রধান ॥
জেমাদাৰী গৰে পাতা পন অসংখ্যাত।
প্রধান বিষয়া সবে জগতে প্রধান ॥ ৩০৮

আৰু জোংপেন্ বেহাৰত আছে এক।
আৱৰ বিৰাঙ্গচুঙ্গা জানিবা প্রত্যেক ॥
জোঙ্গাৰ দেশত জোংপেন এটা আছে।
জাহুঙ্গ আর্তিয়া দুপ্পা কার্জি তাত পাচে ॥ ৩০৯

উজিৰ ঠাকুৰ ডুমা পাত্র অসংখ্যাত।
পদ বাহুল্যক ভয়ে নেলেখিলোঁ আত ॥
ইটো সবে ৰাজ্যক কৰয় প্রতিপাল।
এহিমতে আছে নৰসিংহ মহীপাল ॥ ৩১০

ধর্মা নৃপতিৰ কথা এহিমানে থওঁ।

মল্লদেৰ আৰু শুক্লধ্বজৰ বেহাৰলৈ প্রত্যাগমন

মল্লে শুক্লে যি কৰিলা তাক কিছু কওঁ ॥
নৰসিংহ নৃপতিক খেদিয়া নাপাই।
ফিৰিয়া আসিলা দুয়ো বেহাৰক লাই ॥ ৩১১

মল্লদেৰৰ অভিষেক

বাপেকৰ ৰাজ্যখনি সীমা ফুৰি চাইলা।
দেখি সব সৈন্যগণে আনন্দক পাইলা ॥

বিজয় মুহূর্ত শুভক্ষণে লগ্ন চাই।
অভিষেক দ্রব্যমানে আনিলা চাই ॥ ৩১২

সমস্ত তীর্থৰ জলে স্নান কৰাইলন্ত।
বাপেকৰ দণ্ডে পাটে নৃপতি ভৈলন্ত ॥
আপুন ভ্রাতৃক যুব নৃপতি পাতিলা।
আনন্দতে সংগ্রামসিংহ যে নাম দিলা ॥ ৩১৩

ব্রাহ্মণ দৈৱজ্ঞ সন্ত মহন্ত যতেক।
গাঁৱে গাঁৱে সবাহাঁকে তুষিলা প্রত্যেক ॥
অদবিদ্র কৰি দান সবাকে দিলন্ত।
যতেক দক্ষিণা নাহি আদি অন্ত ॥ ৩১৪

পাইকৰ নিবন্ধন

পাচে ৰাজা পাইকৰ মোহোলা কৰিলা।
ৰাৱণ লক্ষ পঞ্চিশ হাজাৰক পাইলা ॥
চাৰি পোৱা দৰে গোট একৈক পাইকৰ।
নব শাখীয়াক শুনিয়োক আতপৰ ॥ ৩১৫

ৰজক সোণাৰী তন্তবায় নট তেলী।
চমাৰ কুমাৰ আদি আনো যত মালী ॥
ই সবক বাজে লোক লস্কৰ অনেক।
সংক্ষেপ পদত তাক কহিবো কতেক ॥ ৩১৬

আহোম ৰাজ্য আক্রমণ কৰাৰ প্রস্তুতি

একদিনা নৰনাৰায়ণ নৃপবৰ।
বোলে শুনিয়োক প্রজাগণ নিৰন্তৰ ॥
পূর্বে মম পিতৃ অসমক ধাৰ দিলা।
খৰচ ঢুকাল জানি ফিৰিয়া আসিলা ॥ ৩১৭

পিতৃৰ বাক্যক পুত্রে লাগে কৰিবাক।
নকৰিলে লোকে দুৰাচাৰ বোলে তাক ॥
এতেকে পিতৃৰ বাক্য কৰিবাক লাগে।
জানি নিৰন্তৰে আলি বান্ধিয়োক আগে ॥ ৩১৮

আলি বান্ধিবলৈ ভ্রাতৃ গোঁহাই কমলৰ প্রতি মল্লদেৱৰ নির্দেশ

শুনিয়ো কমল ভ্রাতৃ মোহোৰ বচন।
সৈন্য সব লৈয়া সাজ হয়ো এক মন ॥
আলি এক বান্ধ পর্শু কুঠাৰক লাগি।
নকৰিবি সৰু যেন হৱে বৰ ঘাগি ॥ ৩১৯

দুই প্রহৰৰ অন্তে এক সবোৱৰ।
তাতে যেন জলপান কৰে নিৰন্তৰ ॥
হেন বাক্য শুনি পাচে গোঁহাই কমল।
সৈন্য সব বাচি লৈলা পৰম প্রধান ॥ ৩২০

আলি নির্মাণ

দো দো প্রহৰৰ অন্তে এক সবোৱৰ।
বেহাৰৰপৰা খান্দিলন্ত নিৰন্তৰ ॥
দিনে ৰাত্রি আলি বান্ধিলন্ত অবিশ্রান্তে।
প্রবন্ধে বান্ধিলা পর্শু কুঠাৰ পর্য্যন্তে ॥ ৩২১

ৰাজাত কহিলা এক বছৰ অন্তৰে।
আলি বান্ধা ভৈল মহাৰাজ নিৰন্তৰে ॥
শুনি নৃপতিৰ মনে আনন্দ মিলিলা।
পাত্র মন্ত্রী সমস্তক আদেশ কৰিলা ॥ ৩২২

পূর্বে মোৰ পিতৃ অসমক খেদি গৈলা।
খৰচ ঢুকাইল হেতু ফিৰিয়া আসিলা ॥

এতেকে খৰচ সব লও ভৰি পূৰি।
চিপাহী চলোক উট বলধিক জুৰি ॥ ৩২৩

এহি বুলি পণ্ডিতগণক মাতি আনি।
শুভযাত্রা চাইলন্ত নৃপতি মহামানী ॥
মঙ্গল কৰিয়া ওলাইলন্ত নৰপতি।
অসম ৰজাৰ ৰাজ্য মাৰিবাক প্ৰতি ॥ ৩২৪

প্ৰথম নিশাত দেখা দিলা সদাশিৱ।
মল্লদেৱৰ সপোন বোলে আপেনাৰ নীতি এৰিলিহি কিয় ॥
কছাৰীৰ মতে এভো কৰিও নাচন।
তোৰ জয় হৈব কৈলো স্বৰূপ বচন ॥ ৩২৫

এহি বুলি মহাদেৱ অন্তৰ্ধ্যান ভৈলা।
চেতন লভিয়া ৰাজা সন্তাৰ ছপাইলা ॥
সোণকোষ নদীৰ তীৰত থানা গাৰি।
পাতিলা নাচন যত আনিয়া কছাৰী ॥ ৩২৬

হংস পাৰ মদ ভাত মহিষ শূকৰ।
কছাৰী নৃত্য কুকুৰা ছাগল উপহাৰ নিৰন্তৰ ॥
পাতিলা নাচন তথা মাদল বজাই।
সবাৰো মাজত তুলিলন্ত দেওধাই ॥ ৩২৭

পূজা পাই তুষ্ট ভৈলা যত দেৱগণ।
দেওধাই বুলিলন্ত স্বৰূপ বচন ॥
শুনা মহাৰাজা পাইলো পূজা যত বিধি।
এখনে যায়োক কাৰ্য্য হৈব সৰ্ব সিদ্ধি ॥ ৩২৮

সসৈন্যে সহিতে নৰনাৰায়ণ ৰায়।
সংগ্ৰাম সিংহক আগ কৰি চলি যায় ॥
ৰৌটাৰ বড়ি টামটুমনিত ৰৈল ৰৌটাৰ বড়িত।
তাতে বাৰখান দলে ভেটিলা ত্বৰিত ॥ ৩২৯

বাঢ়য় দলৰ ভেটি প্ৰথমতে লৈলা।
সেহিতো গ্ৰামৰ নাম বাৰদলা থৈলা ॥
তৈৰপৰা ৰৈলা গই ভ্ৰমৰাকুণ্ডত।
ত্ৰিশূল দেৱীৰ ধনেশ্বৰীৰ মধ্যত ॥ ৩৩০

পৰ্বতত গড় বান্ধিলন্ত যত্ন কৰি।
পৰম দুৰ্জয় গড় দেখি যাক ডৰি ॥
ত্ৰিশূল দেৱীৰ পূৰ্ব পাৰে কৰি থান।
এক গোটা মঠ তাতে কৰিলা নিৰ্মাণ ॥ ৩৩১

দেৱীৰ প্ৰতিমা থাপি কৰি নমস্কাৰ।
মঠ নিৰ্মাণ মঠৰ দিলন্ত নাম নল যে খামাৰ ॥
সুৱৰ্ণৰ ভৃঙ্গাৰ আৱৰ ঝাৰি এক।
ৰজতৰ দণ্ডছত্ৰ দিলন্ত প্ৰত্যেক ॥ ৩৩২

ষোড়শোপচাৰে বলি দিলন্ত অপাৰ।
ষোড়শোপচাৰে পূজা কৰি চণ্ডিকাৰ ॥
তিনিখান পটি দিলা মহ পঠা কাটা।
ৰজতৰ খাটি খোৱা দিলা চাৰি গোটা ॥ ৩৩৩

সিংহাসন মাইহাঙ্গ বটা ঠগি দিলা।
শংখ ঘণ্টা আদি দ্ৰব্য উচৰ্গা কৰিলা ॥

এঘৰ কছাৰী দিলা তাহান দেউৰী।
যুপি নৃপতিক দিলা প্রধান পূজাৰী ॥ ৩৩৪

সাতো দুৱাৰৰ ভোট কছাৰী আনিলা।
আদেশ কৰিয়া সত্য শপত খুৱাইলা ॥
ফুলগুৰী বিজনীৰ নৃপতি সহিতে।
প্রজা সকলক তৈক নিয়াইলা দ্বৰিতে ॥ ৩৩৫

শপত খুৱাই ৰাজা বুলিলা বচন।
শুনিয়ো সমস্তে মোৰ বাক্য নিবন্ধন ॥
গোঁহাইকমল আলি মধ্যে সীমা কৰি।
উত্তৰৰ ফালে আছে যতেক কছাৰী ॥ ৩৩৬

পূজা নিবন্ধন

সেহি ফালে দেৱালয় আছে যত যত।
কোচে মেচে পূজিবেক মোহোৰ বাক্যত ॥
দক্ষিণৰ ফালে পূজা ব্রাহ্মণে কৰিব।
এহি নিবন্ধনে সবে ধর্ম প্রৱর্তিব ॥ ৩৩৭

ভোট কছাৰীয়ে তঞি মদ ভাত খাবি।
মাটিৰ কাৰণে মোক সোণা ঘোঁড়া দিবি ॥
এহি নিবন্ধন বান্ধি পাচে নৰেশ্বৰ।
শিঙ্গৰিত ৰৈল গই সজাই ৰাসৰ ॥ ৩৩৮

নীতি নিৱন্ধন কৰি নৃপ মহামানী।
গোপেশ্বৰ গোঁসাইক দিলন্ত পূজা পানী ॥
তৈৰপৰা ভৈৰৱীত ৰৈল নৰপতি।
দেখে ভৈৰৱীৰ আছে দুই সোতা খাতি ॥ ৩৩৯

সংগ্রামসিংহৰ নাম চিলাযায়

তাৰে এক গোটা সোঁত ঘোঁড়ায়ে সহিত।
সত্বৰে সংগ্রামসিংহে চেৰাইলা ত্বৰিত ॥
ঝাম্প দিয়া ৰীৰে যদি ভৈৰৱী চেৰাইলা।
প্রশংসিয়া সবে চিলাৰাই নাম থৈলা ॥ ৩৪০

গড়গাঁওত আহোম ৰজাৰ আলোচনা

আত অনন্তৰে শুনা গড়গাঞৰ কথা।
অসমৰ ৰাজা মেল কৰিলন্ত যথা।
বড়গোঁহাই বুঢ়াগোঁহাই ৰৰপাত্র সমে।
বড়চেউটিয়া বড়ৰুৱা আদি অনুক্রমে ॥ ৩৪১

ৰাজখোৱা ফুকন আছয় যত যত।
সবাকে অনায়া ৰাজা বসিয়া মেলত ॥
সবে আলচিয়া মন্ত্র কৰিল প্রত্যেক।
সবে মিলি লোহাৰ গঢ়িলা পঠা এক ॥ ৩৪২

আহোম স্বর্গদেৱৰঘাৰা নৱনাৰায়ণৰ ওচৰলৈ কটকী প্রেৰণ

কটকীক আনি ৰাজা বুলিলা বচন।
পঠা লৈয়া যাও যথা নৱনাৰায়ণ ॥
যদি একে ঘাৱে পঠা কাটিৰাক পাৰে।
তেৰে মোৰ ৰাজ্য পাইব কৈলো সাৰে সাৰে ॥ ৩৪৩

ৰাজ আজ্ঞা শিৰে ধৰি কটকী গৈলন্ত।
নৱনাৰায়ণ ৰাজা যথাত আছন্ত ॥
কটকী আসিল দেখি পাত্র মন্ত্রীগণে।
নৃপতিৰ আগে গৈয়া জনাইলা তেখনে ॥ ৩৪৪

নৱনাৰায়ণে বোলে শুনা পাত্রলোক।
কটকীক বাসা দিয়ো তথাতে ৰহোক ॥

শুনি পাত্রে বাসা দিলে ৰাজাৰ আদেশে।
ভোজন সম্ভৃত যত দিলেক নিশেষে॥ ৩৪৫

স্বর্গ নৃপতিৰ বার্তা সন্দেশক কই।
থাকিল কটকী সুখে বাসাঘৰ লই॥
পাচে নৰনাৰায়ণ নৃপতি দুর্জয়।
বিপৰীত কথা শুনি মনত গুণয়॥ ৩৪৬

গুণি থিৰ কৰিলন্ত নৃপ মহামানী।
ভ্রাতৃ শুক্লধ্বজক কহিলা হেন বাণী॥
আমাৰ দেৱীসে ইষ্টদেৱ সর্বকাল।
ঈশ্বৰীক চিন্তনে আমাৰ হৈবে ভাল॥ ৩৪৭

তান অনুগ্রহতেসে সর্ব কার্য্য হয়।
বুলিলন্ত শুক্লধ্বজে শুনা মহাশয়॥
হবিষ্য কৰিয়া তুমি চিন্তিয়ো দেৱীক।
অৱশ্যে সিজিবে কার্য্য চিন্তা কৰা কিক॥ ৩৪৮

নৰনাৰায়ণৰ ব্রত আৰু স্বপ্ন

এহি শুনি ৰাজা নিৰাহাৰ ব্রত ধৰি।
দেৱীক চিন্তিয়া থাকিলন্ত নিদ্রা কৰি॥
স্বপ্নতে দেৱীক দেখিলন্ত নৃপবৰে।
নিজ ৰূপে আসিলন্ত তাঙ্ক দয়া তবে॥ ৩৪৯

গোঁসানী বোলন্ত পুত্র চিন্তা নকৰিবি।
এক হাল পঠা কাটি মোহোক পূজিবি॥
পাচে অসমৰ সিতো লোহাৰ পঠাক।
বলি দিবি মোহোক বুলিলো নিষ্ট বাক॥ ৩৫০

হেন স্বপ্ন দেখি ৰাজা নিদ্রাৰ জাগিয়া।
নৰনাৰায়ণৰ দেৱী পূজা
স্নান দান কৰি নিত্য কর্ম সমাপিয়া॥
গোঁসানীক তুতি তোত্র কৰিয়া বিস্তৰ।
এক হাল পঠা বলি দিলা নৃপবৰ॥ ৩৫১

পাচে কটকীক আনিলন্ত সেহি থানে।
লোহাৰ পঠাক ধুৱাইলন্ত বিদ্যমানে॥
অদভুত দেখি সর্বজনে চাহি আছে।
তীক্ষ্ণত্তৰ খড়্গ ৰাজা ধৰিলন্ত পাচে॥ ৩৫২

একে ঘাৱে লোহাৰ পঠাক কাটি বলে।
লোহাৰ পঠা ছেদন
পৃথিৱীকো ভেদি খড়্গ লুকাইলা সচলে॥
আজুৰিয়া খড়্গ ৰাজা তুলি অবিকলে।
পঠাৰ মুণ্ডক পাচে আনি মহাবলে॥ ৩৫৩

গোঁসানীৰ আগে সিয়ো মুণ্ড বঢ়াইলন্ত।
অদভুত দেখি আতি কটকী চাহন্ত॥
আনো লোকে বিস্ময়ে দেখিয়া আছে চাই।
লোহাৰ ছাগক কাটিলন্ত মহাবাই॥ ৩৫৪

অনন্তৰে মহাৰাজা বুলিলা বচন।
আহোম কটকীৰ প্রতি নৰনাৰায়ণ
শুনিয়ো কটকী তঞি চলিও এখন॥
লোহাৰ পঠাৰ মাথা গোঁসানী আগত।
উচৰ্গিয়া দিয়া আছোঁ দেখিছ সাম্প্রত॥ ৩৫৫

সেহি মুণ্ড নিয়া তোৰ ৰাজাক দেখাৱ।
শীঘ্রে ঐৰ হন্তে তঞি মুণ্ড লৈয়া যাৱ॥

মহা ভয়ে মুণ্ড লৈয়া কটকী গৈলন্ত।
অসম ৰজাক সিটো মুণ্ড দেখাইলন্ত ॥ ৩৫৬

নৰনাৰায়ণ আৰু চিলাৰাইৰ বল-বিক্রমৰ বিষয়ে আহোম কটকীয়ে স্বর্গদেৱৰ ওচৰত কয়

কটকী বোলন্ত শুনিয়োক স্বর্গদেৱ।
নৰনাৰায়ণ সম ৰাজা নাহি কেৱ ॥
আগতে আছিলো এঞি দুই নেত্রে চাই।
লোহাৰ পঠাক ধৰিলন্ত মল্লৰাই ॥ ৩৫৭

একে ঘাৱে কচু যেন কাটিলন্ত বলে।
মাটিত লুকাইল সিতো খড়্গ সমূলে ॥
হেন বলৱন্ত নৰনাৰায়ণ ৰাই।
শুক্লধ্বজ নামে আৰো তানে ছোট ভাই ॥ ৩৫৮

নৰনাৰায়ণ চিলাৰায়ৰ সৈন্য-সামন্ত

নাহি কয় আন তান সম মহাবলী।
ঘোটকে সহিতে যিটো চেৰাইলা ভবলী ॥
পাঞ্চলক্ষ বত্রিশ হাজাৰ ললে বীৰ।
বলিষ্ঠ পাৰ্গত আতি নিক্কজ শৰীৰ ॥ ৩৫৯

স্বর্গদেৱৰ ভয় বিহ্বল অৱস্থা

আনো অসংখ্যাত প্রজা আছয় লগত।
তাক্ষ কোনে সমুখ হৈবেক সংগ্রামত ॥
এহি শুনি মহাভয় হৈয়া নৃপবৰ।
পাত্র মন্ত্রীসকলক মিলায়া সত্তৰ ॥ ৩৬০

বড়গোঁহাই বুঢ়াগোঁহাই চেউটিয়া নাম।
ৰৰপাত্র ফুকন বৰুৱা অনুপাম ॥
আনো পাত্র মন্ত্রীক অনায়া আলোচিলা।
নপাৰিও যুদ্ধে তাক সৰেও বুলিলা ॥ ৩৬১

আহোম স্বর্গদেৱৰ পলায়ন

পাচে পাত্র মন্ত্রী সমে অসম নৃপতি।
পলাই চৰাই খোৰোঙ্গক গৈলন্ত সম্প্রতি ॥
এহি কথা শুনি ৰাজা নৰনাৰায়ণে।
ভ্রাতৃ সমে আলোচ কৰিয়া বঙ্গমনে ॥ ৩৬২

সৈন্য-সামন্তৰ সৈতে গড়গাঁও অভিমুখে নৰনাৰায়ণৰ যাত্রা

সসৈন্যে গৈলন্ত ৰাজা গড়গ্রাম লাগি।
দেখন্ত অসম নিৰন্তৰ গৈলা ভাগি ॥
ৰহিলন্ত ৰাজা তাতে সসৈন্যে সহিতে।
ভুঞ্জি খাই থাকিলন্ত আনন্দে তহিতে ॥ ৩৬৩

চুটিয়াৰজাৰ বৃত্তান্ত

পূর্বে চুটিয়াৰ ৰাজা সিঠাৰে আছিল।
অন্যায়ে অসম ছল কৰিয়া মাৰিল ॥
যিমতে মাৰিল তাৰ শুনিয়ো কাহিনী।
বলে নপাৰিয়া স্বর্গী ৰাজা মনে গুণি ॥ ৩৬৪

ৰাজাৰ কন্যাক বিহাইলন্ত মিত্র কৰি।
ৰাজায়ো দিলন্ত কন্যা তাহাক্ষ সাদৰি ॥
এক দিনা কন্যাত পুছন্ত স্বর্গীদেৱ।
তোমাৰ পিতৃক বণে নপাৰন্ত কেৱ ॥ ৩৬৫

কিবা হেতু নপাৰে কহিয়ো প্রাণেশ্বৰী।
হেন শুনি কন্যা বাক্য বুলিলা সাদৰি ॥
আমাৰ পিতৃৰ ঘৰে আছে এক জন্তু।
সোণাৰ বিড়াল তাৰ শুনিয়োক হেতু ॥ ৩৬৬

তাকে পূজা কৰি যদি ৰণক চলয়।
অৱশ্যকে সিতো ৰণ নৃপতি জিনয় ॥

হেন শুনি অসম ৰাজায়ে বুলিলন্ত।
মোক প্রতি স্নেহ তযু কতেক আছন্ত ॥ ৬৬৭

কিবা মোত দায়া কিবা শশুৰত চাৰ।
ঝাণ্টে কহা প্রাণেশ্বৰী আগত আমাৰ ॥
কন্যা বোলে তুমি চাৰ সমস্ততে কৰি।
হেন শুনি ৰাজা বাক্য বুলিলা সাদৰি ॥ ৩৬৮

সোণাৰ বিড়াল গোট মোক দিয়া আনি।
আনি দিবো কন্যায়ে বুলিলা হেন বাণী ॥
বাপেকৰ ঘৰে গই বিড়াল খুজিলা।
হেন শুনি নৃপতিয়ে মনত গুণিলা ॥ ৩৬৯

দৈবে বিড়ম্বিলা মোক আন নাহিকন্ত।
সুৱর্ণ বিড়াল আনি জীউক দিলন্ত ॥
অসম ৰাজাক নিয়া দিলন্ত তেখনে।
তাক পাই শশুৰক মাৰিলন্ত ৰণে ॥ ৩৭০

তাৰ পুত্র ভাই যত সকলে পলাইল।
মিৰি মিচিমিত পশি প্রাণক ৰাখিল ॥
চুটিয়াৰ ৰাজাক মাৰিয়া ছলে বলে।
লৈলা সেহি ৰাজ্যক অসমে কৌতূহলে ॥ ৩৭১

নৱনাৰায়ণৰ ওচৰত চুটিয়া ৰজাৰ বংশধৰ-সকলে শৰণ লয়

পলৰীয়া চুটিয়াৰ পুত্র নাতি যত।
মল্লদেৱ আসিবাৰ শুনিয়া সাম্প্রত ॥
শৰণে পশিয়া সবে বৃত্তান্ত কহিলা।
হেন শুনি নৃপতিৰ দায়া সম্পজিলা ॥ ৩৭২

নকৰিবি ভয় বুলি দিলন্ত নির্ভয়।
দিলা বণ্টা তাসম্বাক নৃপ মহাশয় ॥
ভাঠীদেশে যায়ো বুলি নৃপতি পাঞ্চিলা।
বাঁহবাৰি নামে গ্রাম তথাতে থাপিলা ॥ ৩৭৩

আত অনন্তৰে শুনা যেন কথা ভৈলা।
যেবে মল্লদেৱ গড়গ্রাম মধ্যে ৰৈলা ॥
ভ্রাতৃ শুক্লধ্বজক মাতিলা মহাৰাই।
অসমৰ প্রতি দূত দিয়োক পঠাই ॥ ৩৭৪

আহোম ৰজাৰ ওচৰলৈ কটকী প্রেৰণ

ৰৰিষেক আছোঁ ঐত লোক নাহি কয়।
আতি ভয়াতুৰ হৈয়া অসম নাসয় ॥
শুক্লধ্বজে বোলে দূত শীঘ্রে কৰি যায়ো।
নৃপতিৰ আজ্ঞা গই ৰাজাত কহিও ॥ ৩৭৫

যদি যুদ্ধ কৰে শীঘ্রে আসন্তোক কাচি।
নুহি ময়ে চৰাই খোৰোঙ্গকে যাওঁ যাচি ॥
নুহি মোতে শৰণ পশোক শীঘ্র কৰি।
হেন শুনি দূত চলি গৈল দৰদৰি ॥ ৩৭৬

নৱনাৰায়ণ নৃপতিৰ আজ্ঞাচয়।
অসম ৰাজাত কৈলা দূতে এৰি ভয় ॥
শুনি স্বর্গী ৰাজা ভয়ে কম্পমান ভৈলা।
পাত্র মন্ত্রী সমে আলোচিয়া, মেল কৈলা ॥ ৩৭৭

মল্লদেৱৰ ওচৰত আহোম স্বর্গদেৱৰ শৰণ

বলে আমি নোৱাৰোহো শৰণে সে ভাল।
একে চিলাৰাই আমাসাৰ হৈবে কাল ॥

এহি বুলি অসমে ৰৰিবে সাজ হৈল।
এক চক্ক সোণা ৰূপা দুই চক্ক লৈল ॥ ৩৭৮

সুৱর্ণে কচাইলা এক হস্তী ময়মত্ত।
আৰো এক হস্তীক যে কচাইল ৰজত ॥
মত্ত হস্তী তিনি কুড়ি দেখিতে অনিন্দ।
তিনি কুড়ি বিচিত্র কাপোৰ কুনমিন্দ ॥ ৩৭৯

ষোলে ঘৰ মটীয়া অসম কুড়ি ঘৰ।
আৱৰ দিলন্ত নামে সুন্দৰ কোঁঞৰ ॥
এহি সব দিলা আনি দূতৰ আগত।
এক পত্র লেখি তাৰ দিলন্ত হাতত ॥ ৩৮০

নৰনাৰায়ণ নৃপতিৰ ছোট ভৈলোঁ।
এহি সব বস্ত্র দিয়া ৰাজাক ভেণ্টিলোঁ ॥
পত্রতো বিনয় বাক্য লিখিলা সম্প্রতি।
সুন্দৰ কোঁঞৰে সেৱা কৰিব প্রণতি ॥ ৩৮১

মোহোৰ বদলে সিতো মাননি কৰিব।
মোক প্রতি মহাৰাজা ক্রোধক ত্যাগিব ॥
হেন শুনি দূতে সিতো সমস্তকে লই।
নৰনাৰায়ণ নৃপতিত কৈলা গই ॥ ৩৮২

হে প্রভু তোমাক ভয়তে অসমৰ।
সকলে বিশ্রুতি কাৰো নাহিকয় থৰ ॥
শৰণ মাগিলোঁ বুলি কহিলে আমাত।
পত্র এক দিয়া আছে বুজিয়ো সজ্ঞাত ॥ ৩৮৩

আৰো যত ধন বস্ত্র হস্তী নৰগণ।
সুন্দৰ কোঁঞৰ নাম পৰম শোভন ॥
সবাকে ৰাজাৰ আগে ভেণ্টাই দিলন্ত।
সুন্দৰ কোঁঞৰে দণ্ডৱত ৰৰিলন্ত ॥ ৩৮৪

নৃপতিৰ বদল আমাক দিয়া আছে।
এহি বুলি নমস্কাৰ কৰিলেক পাচে ॥
অসম নৃপতিয়ে যেবে ৰৰিলন্ত।
মল্ল-শুক্ল দুয়ো আতি আনন্দ ভৈলন্ত ॥ ৩৮৫

সৈন্য সামন্তৰ সৈতে ডেমেৰাত স্থিতি

তৈৰপৰা মৰঙ্গ গ্রামৰ মাজে গিয়া।
ডেমেৰাত ৰৈলন্ত সমস্তে সৈন্য লৈয়া ॥
তাত কাঠ গড়া বান্ধি ৰহিলন্ত ৰাজা।
থানে থানে ৰৈলা যত অসংখ্যাত প্রজা ॥ ৩৮৬

পৰম আনন্দে ৰাজা ভ্রাতৃ সমন্বিতে।
অন্নপান ভোজন কৰিলা পঞ্চামৃতে ॥
পৰম আনন্দে ৰাজা নিশা বঞ্চিলন্ত।
প্রভাতে উঠিয়া পাচে নৃপতি মহন্ত ॥ ৩৮৭

স্নান দান কৰি নিত্যকর্ম সমাপিলা।
অনন্তৰে নৃপৰৰ সভাত বসিলা ॥
মেহিৰেলা যুৱৰাজ শুক্লধ্বজ ৰাই।
হেন ৰাক্য বুলিলন্ত নৃপতিক চাই ॥ ৩৮৮

হেড়ম্ব ৰাজ্য অভিমুখে সৈন্যসহ চিলাৰাইৰ যাত্রা

হেড়ম্ব নামত ৰাজা আছে হৰ্মেশ্বৰ।
তাক লাগি মোক দদা পাঞ্চিয়ো সত্তৰ ॥
ৰাজা বোলে যায়ো বাপু বিলম্ব নকৰি।
কৰি ইন্দ্র পাত্রক নিয়োক লগে কৰি ॥ ৩৮৯

ৰাজ ইন্দ্র পাত্র আৰু দামোদৰ কার্জি।
মেঘা মুকুতুম আনো বীৰগণ সাজি ॥
কুড়ি গোটা চিপাহী লৈয়োক বীৰ বাচি।
অস্ত্র শস্ত্র ধৰি সবে চলন্তোক কাচি ॥ ৩৯০

ৰাজাৰ আদেশে শুক্লধ্বজ মহাবীৰ।
ঘোঁড়াত চৰিলা গৈয়া নিৰুজ শৰীৰ ॥
পাত্র বীৰ চিপাহীয়ো ঘোঁড়াত চৰিলা।
মহাৰঙ্গে শুক্লধ্বজ হেড়ম্বে চলিলা ॥ ৩৯১

বীৰগণ সমে ফুৰি চাহিয়া নগৰ।
ৰাজাৰ দুৱাৰে আসি ৰৈলা ৰবাবৰ ॥
দুই চাবুকৰ কোব দুৱাৰে মাৰিলা।
শীঘ্র বেগে নৃপতিৰ সমীপে আসিলা ॥ ৩৯২

ভাগিল দুৱাৰ চাবুকৰ কোব পাই।
হেন অদভুত দেখি হের্মেশ্বৰ ৰাই ॥
বজ্রসম দ্বাৰ ইটো আতি অনির্বাৰ।
ইহাক ভাঙ্গিবে শক্তি আছয় কাহাৰ ॥ ৩৯৩

হেড়ম্ব ৰাজ্যৰ বজা হের্মেশ্বৰৰ সন্ত্রাস

শুনি আছোঁ শুক্লধ্বজ মহাবীৰ বলী।
দ্বাৰ ভাঙ্গি তেহেঁ পুনৰোপি গৈলা চলি ॥
এহি বুলি মন্ত্রী সমে আলোচন কৰি।
মনে বোলে ভয় এৰাওঁ নৃপতিক ৰবি ॥ ৩৯৪

শুনা নৰনাৰী শিৱবংশাৱলী কথা।
চুম্বক কৰিয়া কৈবো নাহি অন্যৱথা ॥

শুনন্তে আনন্দ মিলে আতি মনোৰম।
কোন বীৰ আছে মল্লশুক্লধ্বজ সম ॥ ৩৯৫

ইকথা থাকোক আপোনাৰ চিন্তা হিত।
ৰাম নামে নিস্তৰিও দুর্ঘোৰ কলিত ॥
নামক ধৰিয়ো ডাটি আন কাম এৰি।
মহন্তে সহিতে হৰি কথা শুনা বেৰি ॥ ৩৯৬

নাম বিনে আন বন্ধু নাই সংসাৰত।
ডাকি ৰাম ৰাম বুলি বঞ্চা বৈকুণ্ঠত ॥

দুলড়ী

মন্ত্রীৰ লগত হের্মেশ্বৰৰ আলোচনা

হের্মেশ্বৰে পাচে মনে:শুনি আছে
কিমতে এৰাও ভয়।
চাহিয়া পাত্রক বুলিলন্ত বাক,
শুনা আৰো প্রজাচয় ॥
নৰনাৰায়ণ নৃপতি প্রধান,
যুবৰাজ চিলাৰাই।
তাহান সমান বলিষ্ঠ প্রধান
অন্য কেহোঁ বীৰ নাই ॥ ৩৯৭

পশিবো শৰণ এৰি আন মন
শীঘ্রে কৰা সবে সাজ।
বৰিলে এৰিবে যুদ্ধ নকৰিবে
তেবে ৰৈবে ইতো ৰাজ ॥

সুৱৰ্ণে কচাই আনা ভাল চাই,
দুই গোটা মত্তগজ।
আৰো দুই হাতী ভাল চাই আতি
ৰজতে কৰিয়া সাজ ।৩৯৮

চতুৰ বিংশতি আৰো মত্ত হাতী
সুৱৰ্ণৰ ঝাৰী এক।
এ গোটা ৰূপৰ ঝাৰী চমৎকাৰ
আনিয়ো শীঘ্ৰে প্ৰত্যেক ॥
আৰু এক ঘৰ পুত্ৰ কুঞৰীৰ
আনা পুত্ৰ পৰিয়াৰে।
এক কুড়ি গিৰি আনা ঝাণ্ট কৰি
আদেশ জানি আমাৰে ॥ ৩৯৯

নৰনাৰায়ণৰ ওচৰত থকা ৰজা হৰ্মেশ্বৰৰ শৰণ

শুনি পাত্ৰগণে আনি তেতিক্ষণে
নৃপতিৰ আগে দিলা।
এহি সব লই হৰ্মেশ্বৰে গই
ৰাজাৰ পাৱে নমিলা ॥
দেখি দুয়ো ভাই মহাৰঙ্গ পাই
ৰাজাক দিলা নিৰ্ভয়।
বস্ত্ৰ অলঙ্কাৰ আনিয়া বিস্তৰ
ৰণ্টা দিলা মহাশয় ॥ ৪০০

মল্লদেৱ ৰাই হেড়ম্বক চাই
বুলিলা নিৰ্ভয় বাণী।
শুনা হৰ্মেশ্বৰ মোহোৰ উত্তৰ
এৰিয়ো সংশয় জানি ॥

বৎসৰে বৎসৰ দিবা যত কৰ,
তাৰ শুনিয়োক সংখ্যা।
সত্তৰি হাজাৰ ৰূপৰ মোহৰ
হাজাৰেক সোণা লেখা ॥ ৪০১

খাৰি গোটা হস্তী ভাল চাই আতি
যোগাইবা আমাৰ ঠাই।
এহি খানি কৰ, বৎসৰে বৎসৰ
দিবাহা দূত পঠাই ॥
নৰনাৰায়ণ এতেক বচন
বুলি মৌন হুয়া ৰৈলা।
শুনি হৰ্মেশ্বৰে পৰম সাদৰে
ৰাজাক মাতিৰে লৈলা ॥ ৪০২

শুনা নৰদেৱ পাৱে কৰো সেৱ,
তযু ইটো আজ্ঞাবাণী।
অৱশ্যেকে মঞি কৰিবো নিচই
জানিবাহা মহামানী ॥
মোৰ ৰাজ্যভাৰ তযু অধিকাৰ
নাকাটি ৰাখিলা ঘিণে।
আৰো আমাসাৰ নাহি অধিকাৰ
কেবলে তেখেতে চিনে ॥ ৪০৩

শুনি মল্লৰাই দিলন্ত বিদায়
পূৰ্বৰ পাটে থাকিয়ো।
মঞি বিদ্যমানে কি কৰিব আনে
ইসব শঙ্কা এৰিয়ো ॥

শুনি হেৰ্মেশ্বৰ আনন্দিত বৰ,
ৰাজাৰ নামি চৰণ।
আছে প্রজা যত কৰিয়া লগত
গৃহক কৈলা গমন ॥ ৪০৪

ছবি

আত অনন্তৰে কথা, শুনা যেন ভৈল তথা
নৃপতিৰ বিজয়বিক্রম।
মণিপুৰে যাইবে মনে, পাচে নৰনাৰায়ণে
কৰিলন্ত যুদ্ধক উদ্যম ॥
হেন দেখি চিলাৰাই বুলিলা ৰাজাক চাই,
শুনা দাদা মোহোৰ বচন।
চাহি আতি বলিয়াৰ দিয়া আজ্ঞা আপুনাৰ
দূতক পাঞ্চিয়ো এতিখণ ॥ ৪০৫

মণিপুৰলৈ কোচ কটকী প্রেৰণ

মণিপুৰে চলি যাউক, ৰাজাৰ আগত কৌক
ৰবোক আসিয়া আমাসাত।
যদি নৱৰয় জানি, বুলিলো নিচয় বাণী,
তেবে কৰিবোহো কন্ধপাত ॥
ভাতৃৰ বচন শুনি পাচে ৰাজা মনে গুণি
পত্র দিয়া দূতক পঠাইল।
দূত গৈয়া খৰত্তৰে পশিলন্ত মণিপুৰে,
পত্র দিয়া ৰাজাত যোগাইলা ॥ ৪০৬

পাচে মণিপুৰ ৰাজা মিলায়া সমস্তে প্রজা
আলোচ কৰিয়া নৰপতি।

প্রজাসমূহৰ লগত মণিপুৰৰ ৰজাৰ আলোচনা

নৰনাৰায়ণ ৰাজা তান সঙ্গে বহুপ্রজা,
যুদ্ধে তাঙ্ক নাহিকে শকতি ॥
তানে ভাই চিলাৰাই, যাৰ সম যোদ্ধা নাই,
তাঙ্ক জিনিবেক কাৰ বাপ।
এতেকেসে ৰবিবোহো, নিচয় কৰিয়া কহোঁ
লাগে ভয় শুনিয়া প্রতাপ ॥ ৪০৭

এতেকে বুলিয়া ৰাজা, গজ বাজী যত প্রজা
সঙ্গে লৈয়া ৰবিৰে আসিলা।

নৰনাৰায়ণৰ ওচৰত মণিপুৰৰ ৰজাৰ শৰণ

হেন বার্তা দূতে পাচে গৈয়া নৃপতিৰ কাছে,
দণ্ডৰতে প্রণাম জনাইলা।
শুনি নৰনাৰায়ণ ৰাজা ভৈলা ৰঙ্গমন
মেলঘৰে বসিল ওলাই।
মগল দেশৰ ৰাজা আসি আছে যত প্রজা,
দিলা মেল সবাকো অনাই ॥ ৪০৮

বিংশতি হাজাৰ ধন, এক সহস্রেক সোণ,
হস্তী দুই বিংশতি দিলন্ত।
এহি সব ভেন্টি লই মেল গৃহ পশি গই
নৰনাৰায়ণক ৰৰিলন্ত ॥
শুনিয়োক সভাসদ, শিৱৱংশাৱলীপদ,
শ্রৱণে আনন্দ হৱে মন।
মহাবল পৰাক্রম তাঙ্ক কোনে হৈব সম,
মল্লদেৱ নৃপতি গহন ॥ ৪০৯

ইকথা থাকোক এবে সংসাৰ তৰিবা যেবে
হৰিৰ চৰণে কৰা সাৰ।
এৰিয়োক আন কাম ডাকি বোলা ৰাম ৰাম
তেবে পাইবা সংসাৰৰ পাৰ ॥ ৪১০

পদ

অনন্তৰে নৰনাৰায়ণ চিলাৰাই।
পৰম আনন্দ আতি ভৈলা দুয়ো ভাই ॥
মণিপুৰ নৃপতিক প্রশংসি অপাৰ।
নির্ভয় দিলন্ত দুয়ো ভাই বাৰম্বাৰ ॥ ৪১১

মণিপুৰৰ ৰজাৰ প্রতি নৰনাৰায়ণৰ নৰ্দেশ

পাচে নৰনাৰায়ণে বুলিলা বচন।
শুনা মণিপুৰ ৰাজা কৰি এক মন ॥
নামাৰোঁ তোমাৰ ৰাজ্য জানিবাহা সাৰ।
বৎসৰে বৎসৰে মোক দিবা কৰ ভাৰ ॥ ৪১২

বিংশতি হাজাৰ ৰূপ তিনি শত সোণ।
দশ গোটা গজ দিবা পৰম নিপুণ ॥
দূত পঠাই বৎসৰত দিবা এহি খানি।
তেবে নিৰোপদ্রে ৰক্ষা পাইবে সবে প্রাণী ॥ ৪১৩

মণিপুৰ ৰাজা পাচে দিলন্ত উত্তৰ।
তোমাৰ আজ্ঞাক পালিবোহো নৰেশ্বৰ ॥
হেন শুনি হাসি পাচে মল্লদেৱ ৰাই।
বণ্টা দিয়া নৃপতিক দিলন্ত বিদায় ॥ ৪১৪

আত অনন্তৰে শুনা যেন কথা ভৈলা।
জয়ন্তীয়া ৰজাৰ লগত চিলাৰাইৰ যুদ্ধ; জয়ন্তীয়া ৰজাৰ পৰাভৱ
তৈৰ হন্তে জয়ন্তা নগৰে চলি গৈলা ॥
জয়ন্তাৰ বজা সমে যুদ্ধ লাগিলন্ত।
ৰণে জিনি চিলাৰাই তাক মাৰিলন্ত ॥ ৪১৫

ভয়ে পলাইলন্ত যত আছে মানে প্রজা।
দেখিলন্ত তাক নৰনাৰায়ণ ৰাজা ॥
দায়ায়ে তাহাৰ নিজা তনয়ক আনি।
জয়ন্তাতে ৰাজা পাতিলন্ত মহামানী ॥ ৪১৬

জয়ন্তা ৰাজাৰ পুত্রে ঘোঁড়া একশত।
দশ সহস্রেক ৰূপ দিলেক ভয়ত ॥
সোণ এক হাজাৰ আনিলা ভাল বাছি।
বস্ত্র অলঙ্কাৰ পিন্ধি আসিলন্ত কাচি ॥ ৪১৭

তৰোৱাল নামে খাণ্ডা মুখ্য অস্ত্র হয়।
জয়ন্তীয়া ৰজাৰ পুত্রই নৰনাৰায়ণৰ ওচৰত শৰণ লয়
হেন তৰোৱাল খাণ্ডা আনি শতচয় ॥
এহি খানি ভেন্টি দিয়া জয়ন্তাৰ সুত।
দণ্ডৱতে পৰি তুতি কৰিলা বহুত ॥ ৪১৮

বোলে মোক মোহৰ মাৰিবে আজ্ঞা কৰা।
ৰাজা বোলে ইটো আশা দূৰে পৰিহৰা ॥
তথাপি পার্থিলি যদি শুনিয়ো উত্তৰ।
মাৰিবি মোহৰ বুলি জয়ন্তা নগৰ ॥ ৪১৯

ৰূপ দশ সহস্র দিবিহি মোৰ ঠাই।
সত্তৰি ঘোটক দিবি ভাল ভাল চাই ॥

তিনি শত নাকৈ দাও দিবি তীক্ষ্ণত্তৰ।
দূত পঠাই বৎসৰে বৎসৰে দিবি কৰ ॥ ৪২০

এহি বুলি বণ্টা দিয়া দিলন্ত বিদাই।
ৰহিলন্ত আনন্দে তহিতে দুয়ো ভাই ॥
আত অনন্তৰে শুনা যেন কথা ভৈলা।
ত্রিপুৰাৰ ৰাজাক যুঝিবে মন কৈলা ॥ ৪২১

আলোচিলা ৰাজা পাত্র মন্ত্রীক মিলাই।
অনন্তৰে মাতিয়া বোলন্ত চিলাৰাই ॥
শুনিয়োক দদা মঞি কথা কহো সাৰ।
মোৰ লগে যুঝিবেক কমন যুদ্ধাৰ ॥ ৪২২

এহি শুনি নৰনাৰায়ণ মহাৰাই।
সাধু সাধু মহাবীৰ চিলাৰাই ভাই ॥
শীঘ্রে যাহা বাপু তুমি ত্রিপুৰা বধিতে।
শুনি শুক্লধ্বজ ভৈলা আনন্দিত চিত্তে ॥ ৪২৩

চিলাৰাইবদ্বাৰা ত্রিপুৰা ৰাজ্য জয়

চল্লিশ হাজাৰ বীৰ চিপাহীক লই।
ত্রিপুৰা সহিতে ঘোৰ যুদ্ধ কৈলা গই ॥
মাৰিলন্ত তাক শুক্লধ্বজে সমৰত।
প্রজাক মাৰিলা ৰণে তিনি ষাঠি শত ॥ ৪২৪

আৰো যত সৈন্যমানে পলাইল নিশেষ।
মহা ভয়াতুৰ হৈয়া গৈলা নানা দেশ ॥
ত্রিপুৰাৰ ভাই আমি শৰণ পশিল।
দেখি চিলাৰায়ৰ আতি দয়া সম্পজিল ॥ ৪২৫

দশ সহস্রেক ৰূপ সোণ এক শত।
তিনি দশ ঘোঁড়া আতি ৰণত পাৰ্গত ॥
এহি সব ভেন্টি সমে শুক্লধ্বজ ৰাই।
আনিলন্ত তাক নৰনাৰায়ণ ঠাই ॥ ৪২৬

ভেন্টি সব দিয়া সিটো পশিলা শৰণ।
তাক দেখি ভৈলা নৰনাৰায়ণ ॥
দিলন্ত নির্ভয় তাক মল্লদেৱ ৰাই।
ৰাজা হুই তঞি চলি যাহ নিজ ঠাই ॥ ৪২৭

বৎসৰে বৎসৰে কৰ যোগাইবি আমাত।
যিবাখিনি দিবি কহোঁ শুনিয়ো সাম্প্রত ॥
নৱ সহস্রেক সোণ যোগাইবি বৎসৰে।
এবিলোহো তোক মঞি অতি দয়াত্তৰে ॥ ৪২৮

শুনি ত্রিপুৰাৰ ভাই নামত বিশাল।
বোলে মহাৰাজা যত কহিলাহা ভাল ॥
সমস্তে কৰিবো তযু আজ্ঞা মহামানী।
মোক দায়া নচাৰিবা তযু ভৃত্য জানি ॥ ৪২৯

হেন শুনি ৰাজা ভাল বণ্টাক অনাই।
তাহাক পিন্ধায়া ৰঙ্গে দিলন্ত বিদাই ॥
আত অনন্তৰে শুনা যেন ভৈলা কাজ।
শুক্লধ্বজ নৰৰাৰায়ণ মহাৰাজ ॥ ৪৩০

বান্ধিলন্ত আলি গড় পুখুৰী খানিলা।
সমস্তে লোকক মহাৰাজা বণ্টা দিলা ॥

মাৰিলা জয়ন্তা ত্রিপুৰাৰ নৃপতিক।
শুনি ত্রিপুৰাৰ মুখে বার্তা অতিৰেক ॥ ৪৩১

খৈৰামৰ ৰজাৰ শৰণ

হেন মনে খৈৰামৰ ৰাজা গুণিলন্ত।
অৱশ্যেকে মোকো আসি ৰণে মাৰিবেক ॥
পাত্র সমে আলোচিয়া কৰিলেক সাৰ।
ৰবিলেসে ৰৈব জানা জীৱন আমাৰ ॥ ৪৩২

মহাবলশালী ৰাজা ধর্মবন্ত বৰ।
যাচি গৈলে আমাক ৰাখিবা নৰেশ্বৰ ॥
এহি বুলি তিনি কুড়ি ঘোটক লৈলন্ত।
চল্লিশ দন্তাল হস্তী মহাবলৱন্ত ॥ ৪৩৩

চল্লিশ হাজাৰ ৰূপ সোণ দশ শত।
আনো উপহাৰ দ্রব্য লৈলন্ত লগত ॥
নৰনাৰায়ণ চিলাৰাই দুয়ো ভাই।
বঙ্গে বসি আছে যেন মাহেন্দ্র পৰাই ॥ ৪৩৪

খৈৰাম নৃপতি গই ৰৰিলা ৰাজাক।
ভেন্টি সব নিয়া বুলিলন্ত তুতি বাক ॥
হেন শুনি চিলাৰাই বুলিলা বচন।
খৈৰাম নৃপতি আসি পশিল শৰণ ॥ ৪৩৫

খৈৰামৰ নৃপতিৰ প্রতি নৰনাৰায়ণৰ নির্ভয়বাণী

হেন জানি দদা আঙ্ক ৰাখিতে লাগয়।
তুমি মহাধর্মী ৰাজা কি কৈতে লাগয় ॥
হেন শুনি ৰাজা খৈৰামক বোলে বাক।
ভয় নকৰিবা মঞি ৰাখিলোঁ তোমাক ॥ ৪৩৬

আপুনি আসিছা যাচি ৰক্ষাৰ কাৰণে।
হেনয় ৰাজাক নাৰাখিবো কি কাৰণে ॥
মোত তুমি কিবা খোজা কহিয়ো সত্তৰ।
হেন শুনি বাজা পাচে দিলন্ত উত্তৰ ॥ ৪৩৭

খৈৰাম বদতি মহাৰাজা শুনিয়োক।
মোহৰ মাৰিবে প্রতি আজ্ঞা দিয়ো মোক ॥
হেন শুনি সংগ্রামকেশৰী চিলাৰাই।
মাতিৰাক লৈলা খৈৰামৰ মুখ চাই ॥ ৪৩৮

সুত ভৈলা ৰবি তুমি আসি আমাসাৰ।
মোহৰ মাৰিবে যোগ্য নহয় তোমাৰ ॥
মল্লদেৱ নামে তুমি মোহৰ মাৰিবা।
তোৰ নামে মাৰা যেবে প্রতিকাৰ পাইবা ॥ ৪৩৯

হেন শুনি খৈৰামে মাতন্ত পুনর্ৰাৰ।
তযু আজ্ঞা কোন জনে নকৰিব আৰ ॥
পাচে শুনি নৰনাৰায়ণ মহাৰাজা।
দিলা বণ্টা খৈৰামক লগে যত প্রজা ॥ ৪৪০

বৎসৰে বৎসৰে শুনা কৰ দিবা যত।
ত্রিশ গোটা হস্তী আতি যুদ্ধত পার্গত ॥
পঞ্চদশ সহস্র টঙ্কাক দিবা আনি।
নৱ শত সোণা দিবা কৈলো নিষ্ট বাণী ॥ ৪৪১

পঞ্চাশ ঘোটক দিবা ভাল ভাল চাই।
বৎসৰে বৎসৰে দিবা সৰে মোৰ ঠাই ॥

এহি বুলি বিদায় দিলন্ত মহাৰাজা।
খৈৰাম গৈলন্ত লগে লৈয়া নিজ প্রজা॥ ৪৪২

আত অনন্তৰে সবে শুনা পাচ কথা।
কৰিলন্ত দুইভাই যিমত ব্যৱস্থা॥
গৈলেক খৈৰাম যেবে নিজ দেশে চলি।
আলোচ কৰিয়া দুয়ো ভাই মহাবলী॥ ৪৪৩

আনো পাত্র মন্ত্রী সমে যুগুত কৰিয়া।
ভঠিয়াই আইলা ৰাজা আনন্দিত হিয়া॥
আত অনন্তৰে শুনা সভাসদগণ।
মৃগকাঙ্ক নামে ৰাজা আছিলা গহন॥ ৪৪৪

ডুমৰুৱা ৰজাৰ সৈতে কোচসৈন্যৰ যুদ্ধ পৰাভৱ

তানে বংশে ডুমৰুৱা দেশৰ নৃপতি।
মহা পৰাক্রমী ধর্মবন্ত মহামতি॥
সেহি দেশে প্রবেশিলা নবনাৰায়ণ।
দেখি ডুমৰুৱা ৰাজা দিলে ঘোৰ ৰণ॥ ৪৪৫

ৰণে জিনি চিলাৰাই ৰাজাক ধৰিলা।
নৰনাৰায়ণ নৃপতিৰ আগে দিলা॥
বন্দী কৰি থৈলা দিয়া কটোৱাল হাতে।
আৰো এক কথা ৰাজা দেখিলা সাক্ষাতে॥ ৪৪৬

বলয়া আকাৰ ব্রহ্মপুত্র আছিলন্ত।
পাণ্ডুনাথ সীমা কাৰ দক্ষিণ কুলত॥
পাচে নবনাৰায়ণ ৰাজা চিলাৰাই।
পাত্র মন্ত্রী সমে আলোচিলা দুয়ো ভাই॥ ৪৪৭

খাৰুৱা আকাৰে আছে ইতো তীর্থবৰ।
সৈন্য সবে জাঠি জোঙ্গ ধৰিয়া সত্তৰ॥
তৰোৱাল চিপৰাঙ্গ ধৰিয়া এখনে।
সবে লোকে হেলা এৰি খানিয়ো যতনে॥ ৪৪৮

হাজোৰ সোতাত মহাবঙ্গে পেলাই দিয়ো।
চন্দ্রদিবাকৰে এক গোটা কীর্ত্তি থৈয়ো॥
খর্গসোতা খনন যেবে আজ্ঞা কৰিলন্ত নবনাৰায়ণ।
খানিবে লাগিলা জাঠি জোঙ্গে তেতিক্ষণ॥ ৪৪৯

কতো চিপৰাঙ্গে খানে আতি কুতূহলে।
হাজোৰ সোতাত নিয়া পেলাইলা সকলে॥
এহিসে কাৰণে সোতা বহল ভৈলন্ত।
খর্গসোতা তাৰ নাম প্রসিদ্ধ ভৈলন্ত॥ ৪৫০

চমু হৈল বহল ভৈলন্ত অদভুত।
দেখিয়া আনন্দ ভৈলা বিশ্বসিংহ সুত॥
পাচে মল্ল ৰাজা শুক্লধ্বজ দুই ভাই।
পাত্র-মন্ত্রী সমে সবে সৈন্যক জন্তাই॥ ৪৫১

তৈৰ হন্তে বহা নামে গ্রামক গৈলন্ত।
বহাত কোচসৈন্যৰ স্থিতি গড় বান্ধি সর্ব সৈন্যে তথা ৰহিলন্ত॥
পাত্র-মন্ত্রী সৈন্যগণে আবৰি ৰহিলা।
ডুমৰুৱা নৃপতিক বন্দি কৰি থৈলা॥ ৪৫২

ঘোগ পক্ষীৰ বিৱৰণ

আৰো এক কথা শুনা আতি বিপৰীত।
ঘোগ নামে পক্ষী সর্বজনতে বিদিত॥

সীমা সংখ্যা নাই পক্ষী আসিল বিস্তৰ।
পৰিয়া থাকিলা সবে বৃক্ষৰ উপৰ। ৪৫৩

অনাহাৰে পৰি আছে গোটেকো নযাই।
হেন দেখি পাচে নৰনাৰায়ণ ৰাই॥
পাত্র মন্ত্রী সবত পুছিলা নৃপবৰ।
শুনা সবে সেনাপতি মোহোৰ উত্তৰ॥ ৪৫৪

কি কাৰণে ইতো ঘোগ পক্ষী অপর্য্যন্ত।
নলৰে নচৰে পানী আহাৰ নখান্ত॥
ইহাৰ কাৰণ মোত কহিয়ো সত্তৰ।
হেন শুনি পাত্র-মন্ত্রী দিলন্ত উত্তৰ॥৪৫৫

শুনিয়োক মহাৰাজা আমাৰ বচন।
কহিবাক নপাৰোহো ইহাৰ কাৰণ॥
শুনি মহাৰাজা হেন সবাহাৰে বাণী।
ডুমৰুৱা নৃপতিত পুছিলা কাহিনী॥ ৪৫৬

ডুমৰুৱা বোলে শুনিয়োক মহাৰায়।
মোক স্নেহে পক্ষীগণে এৰিয়া নজাই॥
আহাৰো নাখাই নৰলয় নচৰয়।
ইহাৰ কাৰণ শুনিয়োক মহাশয়॥ ৪৫৭

মৎস্য নামাৰো মঞি এখান বিলত।
পক্ষীসবে মৎস্য ভুঞ্জে আনন্দ মনত॥
সেহিসে কাৰণে মোক এৰিয়া নযাই।
তযু আগে কথা যত কৈলো মহাৰায়॥ ৪৫৮

হেন শুনি বিস্ময় ভৈলন্ত নৃপবৰ।
ৰক্ষা সকলক চাই বুলিলা উত্তৰ॥
ডুমৰুৱা ৰজাক মুক্তিদান
ভৈলো বৰ তুষ্ট শুনি ৰাজাৰ বচন।
বন্দিশালা হন্তে আঙ্ক মলিয়ো এখন॥ ৪৫৯

হেন শুনি কটোৱালে মেলিলন্ত যাই।
দেখি আতি মনোৰঙ্গে বোলে চিলাৰাই॥
শুনা দদা ডুমৰুৱা নৃপতি ধর্মিষ্ঠ।
পক্ষীকো পালয় ৰাজা কিনো আতি শিষ্ট॥ ৪৬০

বণ্টা দিয়া দেশক পঠায়ো পুনৰাৰ।
বৎসৰে বৎসৰে ৰাজা দিবে কৰভাৰ॥
সাত সহস্রেক ৰূপ দিবেক বৎসৰে।
হেন শুনি নৰনাৰায়ণ নৃপবৰে॥ ৪৬১

ভাতৃৰ বচনে মনৰঙ্গে মহাৰায়।
সুৱর্ণৰ বণ্টা অনাইলন্ত ভাল চাই॥
দিলেক ৰাজাক আতি আনন্দিত মনে।
দেশক যাইবাক আজ্ঞা কৰিলা তেখনে॥ ৪৬২

ডুমৰুৱা ৰাজা আতি আনন্দে মনত।
মল্লদেৱ চৰণে কৰিয়া দণ্ডৱত॥
চলিলন্ত দেশে ৰাজা প্রজাগণ যত।
ঘোগ পক্ষী সবো চলি গৈলন্ত লগত॥ ৪৬৩

সেহি ধৰি ডুমৰুৱা ৰাজাৰ বংশত।
ঘোগ পক্ষী গোটেকো নকৰে কেহোঁ হত॥

আত অনন্তৰে সবে শুনা পাচ কথা।
দুই ভাই কৰিলন্ত যি মত ব্যৱস্থা ॥ ৪৬৪

জয়ন্তাৰ নৈঋতে আছয় ৰাজা এক।
চিৰাঠ দেশৰ সিতো পাৎছা অতিবেক ॥
মহা পৰাক্রমী সৈন্য বিস্তৰ আছয়।
অনেক চিপাহী উট হস্তী ঘোঁড়া চয় ॥ ৪৬৫

চিলেট অভিমুখে কোচসৈন্যৰ যাত্রা

তাক যুঝিবাক প্রতি মতি কৰিলন্ত।
সর্ব সৈন্য লৈয়া পাচে চিৰাঠে গৈলন্ত ॥
শুনক সভাসদ ৰাজবংশাৱলীচয়।
যাতো মহেশৰ অংশ তেসম্বে হোৱয় ॥ ৪৬৬

তাতে সেই সব কথা আতি ৰুচিকৰ।
ইকথা থাকোক আবে শুনা সবে নৰ ॥
ভাৰতে জনম লভিলাহা কত ভাগে।
বোলা ৰাম ৰাম যেবে তৰিবাক লাগে ॥ ৪৬৭

দুলড়ী

পাচে নৰনাৰা য়ন চিলাৰায়
দূতক পাঞ্চি দিলন্ত।
চিলেট দেশ অভিমুখে কোচ ৰাজদূত প্রেৰণ
আসোক চিৰাঠ নহৌক পৰাঠ,
কহিবাহা ভাল মত ॥

শুনিয়া দুই দূত চলিয়া গৈলন্ত
চিৰাঠৰ নগৰক।
দ্বাৰীক বোলয় শুনা মহাশয়
ভেণ্টায়ো তোৰ ৰাজাক ॥ ৪৬৮

শিৱবংশে জাত, জগতে প্রখ্যাত
নৰনৰায়ণ ৰাজা।
ভ্রাতৃ চিলাৰায় বলে সম নাই
সঙ্গে গজ বাজি প্রজা ॥
পাঞ্চিলা আমাক কৈলো নিষ্টবাক
নৃপতিত দিয়া জান।
শুনিয়া দুৱাৰী আথ বেথ কৰি
গৈলেক ৰাজাৰ থান ॥ ৪৬৯

সকলে বৃত্তান্ত কহিলা ৰাজাত
দ্বাৰী আতি ভয় মনে।
শুনিয়া চিৰাঠ কৰি মনকষ্ট
চলি গৈলা তেতিক্ষণে ॥
দূতক দেখিয়া ক্রোধত জলিয়া
চিলেট দেশৰ ৰজাৰ ক্রোধ
বচন বোলে প্রখৰ।
নৰনাৰায়ণ চিলাৰায় বীৰ
মোহোত কৰিয়া বৰ ॥ ৪৭০

নজাইবোহো মঞি চলি ঘাস তঞি
ৰাজাত কৈয়ো সত্তৰ।
হয় হস্তী প্রজা সমস্তকে ৰাখি,
দেশৰ হৌক অন্তৰ ॥

হেন শুনি পাচে দুয়ো দূতে গই,
নৃপতিত জান দিলা।
চিৰাঠৰ বাণী দুয়ো ভাই শুনি
ক্রোধত আতি জলিলা॥ ৪৭১

প্রজাক জন্তাই পাচে দুয়ো ভাই,
যুদ্ধক কৰিলা মন।
পাচে চিলাৰায় নৃপতিক চাই
বুলিলা হেন বচন॥
শুনা দদা তুমি এহি থানে থাকা,
মঞি যুদ্ধে যাওঁ চলি।
কিছো সৈন্য লৈয়া চিৰাঠক গৈয়া,
দেখোঁ কতমান বলী॥ ৪৭২

চিলেটৰ নৃপতিৰ বিৰুদ্ধে চিলাৰাইৰ সমৰ যাত্রা

পাচে মল্লদেৱ ভাতৃক বোলয়
যায়োক সত্তৰ কৰি।
শুনি চিলাৰাই সৈন্যক জণ্টাই,
গৈলা অতি দৰদৰি॥
শুনিলা চিৰাঠ মিলিল পৰাঠ,
সাজিলেক যুদ্ধ কাচে।
হস্তী ঘোঁৰাচয় চিপাহী চলয়
নৃপতিৰ আগে পাচে॥ ৪৭৩

মহা চমৎকাৰে ৰণক গৈলন্ত
দেখি চিলাৰায় বীৰ।
ক্রোধে আৰকত দুই চক্ষু আতি
কাম্পে সবে উৰু শিৰ॥

যত যত ৰাজা, আমাত ৰৰিল
হস্তী ঘোঁড়া ভেন্টি কৰি।
চিৰাঠে নমানে ৰণকেসে মনে,
আসিছন্ত দৰদৰি॥ ৪৭৪

এহি বুলি আসি হাজাৰ চিপাহী
ৰণক পাছিয়া দিল।
কোচসৈন্য আৰু চিলেটসৈন্যৰ যুদ্ধ
চিৰাঠৰ সৈন্যে আগুৱাই আসি
দুৰ্ঘোৰ যুদ্ধ কৰিল॥
তিনি দিন মান ভৈলা ঘোৰ ৰণ
কাকো কেৱে নিজিনয়।
বিস্তৰ ঘোটক হস্তী বীৰ প্রজা
পৰি গৈল যমালয়॥ ৪৭৫

দেখি চিলাৰায় ক্রোধে গৈলা ধাই
খাণ্ডা বাৰু ধৰি হাতে।
বাৰুৰ ছাটিত নেদেখি মাটিত
ছিলনী যেন সাক্ষাতে॥
ঝাম্পে ঝাম্পে সৈন্য কাটন্তেসে যাই
হস্তী ঘোঁড়া যত পাই।
সপ্তম প্রহৰে এক লক্ষ সেনা
মাৰিলন্ত চিলাৰায়॥ ৪৭৬

চিলাৰাইৰ হাতত চিলেট ৰজাৰ মৃত্যু চিলেট সৈন্যৰ পৃষ্ঠভঙ্গ

চিৰাঠ ৰাজাক বাগি দিয়া ছেৱে
মাৰিলন্ত খাণ্ডা ঘাই।
হেন দেখি যত সৈন্য আছে মানে,
ভয়তে সবে পলাই॥

বিমুখ সেনাক দেখি নকাটয়
ধর্মশালী চিলাৰায়।
ৰহিলন্ত তথা, শুনা যেন কথা
কৰিলা ৰাজাৰ ভাই ॥ ৪৭৭

চিৰাঠৰ ভাই নামে অসিৰাই
ভয় ভৈলা আতি মনে।
সম্ভাৰ বহুত কৰিয়া যুগুত
গৈলা ৰৰিবাক মনে ॥
চিলাইৰাইৰ ওচৰত অসিৰাইৰ বৈশ্যতা স্বীকাৰ
হস্তী এক শত ঘোঁড়া নৱ বিংশ,
তিনি লক্ষ ধন লই।
দশ সহস্রেক সুৱর্ণৰ টঙ্কা
এতেক সম্ভাৰে গই ॥ ৪৭৮

সংগ্রামসিংহৰ চৰণে কাতৰ,
কৰিলন্ত ভয় মনে।
দেখি চিলাৰায় মনে গুণি চাই,
বুলিলা হেন বচনে ॥
নৃপতিৰ আগে, যাইবাক লাগয়
এহি সম্ভাৰক লই।
চিলাৰায়ৰ বাণী অসিৰাই শুনি
বুলিলা হেন বচন ॥
তযু যেন বাক্য শুনিলোহো তাক,
যাইকে মঞি এতিক্ষণ।
এহি বুলি পাচে চিলাৰায় সমে,
চলি গৈলা বঙ্গমন ॥ ৪৭৯

চিলাৰায় পাচে ৰাজাক ভেণ্টাইলা
সবে ধন হস্তী লই।
নৃপতিৰ মন আনন্দ কৰাইলা
সবে সমাচাৰ কই ॥
শুনা সভাসদ, শিৱৰ বংশৰ
বল আতি অদভুত।
তিনিয়ো দিশক জিনিলা কৌতুকে
সিতো বিশ্বসিংহসুত ॥ ৪৮০

ইতো কথা যত শুনিবা পাচত
সঙ্গে লৈয়ো হৰিনাম।
তেৰেসে নিস্তৰি দুর্গতিক তৰি
লভিবা ৰৈকুণ্ঠ ধাম ॥
নামক নেৰিবা নিচয় কৰিবা
শাস্ত্রৰ বুজিয়া সাৰ।
তেজি আন কাম বোলা ৰাম ৰাম
তৰিবাক ইচ্ছা যাৰ ॥ ৪৮১

পদ

নৰনাৰায়ণৰ-দ্বাৰা অসিৰাইক নির্ভয় দান
আত অনন্তৰে শুনা যি কথা ভৈলন্ত।
চিৰাঠৰ ভাইক চিলাৰায় ভেণ্টাইলন্ত ॥
তুতি নতি কৰি সিতো ৰৰিলা ৰাজাক।
ৰাজায়ো নির্ভয় বাণী বুলিলা তাহাঙ্ক ॥ ৪৮২

নৰনাৰায়ণ ৰাজা ভাতৃ সমে দুই।
বসিয়া আছন্ত আতি আনন্দিত হুই॥
অনন্তৰে শুক্লধ্বজে বুলিলা বচন।
চিৰাঠৰ ভাইক বণ্টা দিয়ো বুজি মন॥ ৪৮৩

ভাতৃৰ বচন শুনি পাচে মহাৰাজ।
বণ্টা সব অনাইলন্ত কৰি সব সাজ॥
চিৰাঠৰ ভাইক চাই বুলিলা বচন।
ইতো বণ্টা সব পিন্ধিয়োক বঙ্গমন॥ ৪৮৪

চিৰাঠ দেশৰ ৰাজা পাতিলো তোমাক।
বৎসৰে বৎসৰে কৰ যোগাইবা আমাক॥
হস্তী এক শত ঘোঁড়া দুই শত ভাল।
বৎসৰত আমাক দিবাহা কৰ মাল॥ ৪৮৫

তিনি লক্ষ টঙ্কা দশ হাজাৰ সোণাৰ।
যোগাইবা আমাক দূত পঠাই আপুনাৰ॥
হেন শুনি চিৰাঠ ৰাজাৰ সিতো ভাই।
প্রণামি বোলন্ত আবে শুনা মহাৰাই॥ ৪৮৬

বৎসৰত এহি কৰ যোগাইবো তোমাক।
নতো পাৱা যেবে তেবে দণ্ডিবা আমাক॥
এহি বুলি সিতো নমস্কাৰ কৰিলন্ত।
কৰ যোৰ কৰি পুনু বাক্য বুলিলন্ত॥ ৪৮৭

ৰবিলো তোমাক কার্য ভৈলেক সুন্দৰ।
আবে মোক বিদায় দিয়োক নৃপবৰ॥

অসিৰাইক বিদায় দান

পাচে মহাৰাজা তাঙ্ক দিলন্ত বিদায়।
আজ্ঞা পাই চিৰাঠ গৈলন্ত নিজ ঠাই॥ ৪৮৮

আত অনন্তৰে শুনা যেন কথা ভৈলা।
চিৰাঠ চলিয়া যেবে নিজ দেশে গৈলা॥
পাচে নৰনাৰায়ণে বোলে চিলাৰায়।
ইথানে আমাৰ থাকিবাৰ কার্য্য নাই॥ ৪৮৯

তিনিয়ো দিশৰ সন্নিতৰ ৰাজাগণ।
বলে নপাৰিয়া সবে পশিলা শৰণ॥
পচিম দিশত আছে নৃপতি ডাঙ্গৰ।
তাহাক সমুখে মঞি চলিবো সত্তৰ॥ ৪৯০

চিলাৰাই বোলে দদা পচিমক যাইবো।
আগে নীলাচলে গৈয়া গোঁসানী দেখিবো॥
নৰনাৰায়ণে বোলে আসা তেবে যাওঁ।
নয়ন ভৰিয়া গোঁসানীৰ থান চাওঁ॥ ৪৯১

নীলাচল অভিমুখে নৰনাৰায়ণ-চিলাৰাইৰ যাত্রা

এহি বুলি আলোচিয়া ৰাজা মহামতি।
গোঁসানীৰ থানে দুয়ো চলিল সম্প্রতি॥
নীল পর্বতৰ মধ্যে মহাৰম্য স্থান।
ভগ্ন মঠ চিহ্ন দেখিলন্ত বিদ্যমান॥ ৪৯২

মঠ বান্ধিবাক মতি ভৈলা নৃপবৰ।
সেহি বেলা জন্মত প্রৱেশ শনীশ্বৰ॥
দ্বাদশ ৰাশিত থিত গুৰু বৃহস্পতি।
অষ্টমত ৰাহু থাকি বঢ়াইলা কুমতি॥ ৪৯৩

ভাতৃক সম্বুদ্ধি মাতিলন্ত মহাৰাই।
পচিম দেশত আগে যুদ্ধ কৰোঁ যাই॥
আপোনাৰ বাহুবলে মাৰো ৰাইজখান।
পাচে গোঁসানীৰ মঠ কৰিবো নির্মাণ॥ ৪৯৪

কোচসৈন্যৰ গৌড় ৰাজ্য অভিমুখে যাত্রা, গৌড়েশ্বৰ লগত যুদ্ধ, কোচ-সৈন্যৰ পৰাজয়, চিলাৰাই বন্দী

কুগ্রহৰ ফলে হৃদয়ত গর্ব ভৈলা।
তৈৰপৰা পচিম দিশক চলি গৈলা॥
হয় হস্তী পদাতিৰ লেখা জোখা নাই।
যেহেন আকাশ ঢাকি ফৰিঙ্গ উজাই॥ ৪৯৫

কতিপয় দিনে গৈয়া পাইলা গৌড়েশ্বৰ।
পাৎছায়ে সহিতে ঘোৰ লাগিলা সমৰ॥
হস্তীয়ে হস্তীক যুঝে পদাতি পদাতি।
ঘোটকে ঘোটকে যুঝে মাৰে ঝাপলাথি॥ ৪৯৬

চিপাহীয়ে খাণ্ডা ধৰি মাৰে বাৰু ছাট।
বন্দুকৰ শব্দে বসুমতী মেলে ফাট॥
উভয় দলৰ সৈন্য মৰিল যতেক।
সংক্ষেপ পদত তাক কহিবো কতেক॥ ৪৯৭

দিনে ৰাত্রি দশম দিবস ভৈলা ৰণ।
পাৎছাৰ ৰণত ভঙ্গ নৰনাৰায়ণ॥
অস্ত্রহীন ভৈলা যদি বীৰ চিলাৰাই।
এক দৌল খাগৰিক দেখিলা সি ঠাই॥ ৪৯৮

ঝাম্প দিয়া খাগৰিৰ সমীপক গৈলা।
কাণ্ডৰ সদৃশ কৰি হানিবাক লৈলা॥

হিয়াত পৰিয়া পিঠি ভাগে বাজ হয়।
কতো দুই কতো তিনি বীৰক মাৰয়॥ ৪৯৯

হস্তীয়ো মৰিল সেহি খাগৰিৰ হানে।
ঘোড়াগণ মৰিয়া থাকিল থানে থানে॥
দিনমানে যুদ্ধ কৰিলন্ত চিলাৰাই।
যতেক মৰিল সৈন্য লেখা জোখা নাই॥ ৫০০

একেশ্বৰে নিৰাহাৰে যুদ্ধ কৰিলন্ত।
হানন্তে হানন্তে খাগৰিও ভৈলা অন্ত॥
পলাইবাক পাৰি তথাপিতো নপলাইলা।
নপলাই আপোনাৰ বিক্রম দেখাইলা॥ ৫০১

একদিন মন্দ আৰো গোসানীৰ খঙ্গ।
এতেকে সে নৃপতিৰ ৰণে ভৈলা ভঙ্গ॥
অৱশেষ সৈন্য যত সৰে পলাই গৈলা।
খাণ্ডা ছিঙ্গি যুবৰাজ অস্ত্রহীন ভৈলা॥ ৫০২

এতেকে পাৎছাৰ হাতে ভৈলেক বন্ধন।
আপুন গৃহত ৰৈল নৰনাৰায়ণ॥
ধৰি নিয়া চিলাৰায়ক বন্দী কৰিলন্ত।
লোহা লগাইবাক তাঙ্ক আদেশ দিলন্ত॥ ৫০৩

পাৎছাৰ আদেশে কটোৱালে লোহা নিলে।
কমাৰক নিয়া লোহা লগাইবাক দিলে॥
ক্রোদ্ধে বোলে যুবৰাজে হয়া ভয়াহীন।
বোলে ওৰে পাৎছা তোৰ ৰৰতো কমিন॥ ৫০৪

পৰম দৰিদ্র ভণ্ডাৰত স্বর্ণ নাই।
মোক থৈবে দিয়ে নীচ লোহাক লগাই॥
নাহিকয় মন্ত্রী সবে পৰম নিস্থল।
যদি মন্ত্রী আছে দেউক স্বর্ণৰ নিহল॥ ৫০৫

সেহি কথা দূতে পাৎছা আনে কৈলা যাই।
শুনি পাৎছা সুবর্ণৰ পইঘড়া গঢ়াই॥
সাধু বুলি নৃপতিক প্রশংসা কৰিলা।
স্বর্ণৰ পইঘড়া নিয়া দুই পাৱে দিলা॥ ৫০৬

নব কাৰাগাৰ বান্ধি থৈলা বন্দী কৰি।
কষ্ট মনে ৰৈলা তৈতে গোঁসানীক স্মৰি॥
তৃষায়ে পীড়িত হুয়া জল খুজিলন্ত।
ভয়ত থাকিয়া কেহো জল নেদিলন্ত॥ ৫০৭

প্রতাপ ভুঁয়াৰ পুৰোহিত বিপ্র এক।
তাম্রৰ ঘটত জল দিলন্ত প্রত্যেক॥
সেহি জলপানে ৰাজা সন্তোষিত ভৈলা।
বিপ্রক সম্বুদ্ধি বাক্য বুলি বাক লৈলা॥ ৫০৮

মঞি যদি ৰাজ্য পাওঁ দেশ আপোনাৰ।
তেবে সত্যে সত্যে ভাল সাধিবো তোমাৰ॥
এহি বুলি নিৰাহাৰে ব্রত ধৰিলন্ত।
কায়বাক্যমনে গোঁসানীক চিন্তিলন্ত॥ ৫০৯

চিলাৰাইৰ দেৱী স্তুতি

বোলে মাতৃ ভগৱতী জগত জননী।
পতিতপাৱনী ভৱভয়বিনাশিনী॥

মহিষমর্দিনী নমো শুম্ভবিনাশিনী।
নমো দেৱমাতা নমো দুর্গতিতাৰিণী॥ ৫১০

নীলকুটনিবাসিনী নমো কামেশ্বৰী।
দেৱতাক ৰাখি আছা অসুৰ সংহৰি॥
তযু মঠ নাৰান্ধিলো অবজ্ঞা কৰিলোঁ।
এতেকে শত্রুৰ হাতে বন্দীত পৰিলোঁ॥ ৫১১

ক্ষমা কৰা মহামায়া অপৰাধ মোৰ।
দান্তে তৃণ ধৰি স্তুতি বোলে কৰজোৰ॥
পূর্বে ৰাজ্যভাৰ মোক দিলাহা আপুনি।
এবে মোক বন্দীত পেলাইলা কোন গুণি॥ ৫১২

কৰিয়ো কৰুণা মোক খণ্ডায়ো দুর্গতি।
চিলাৰাইৰদ্বাৰা স্বপ্ন দৃষ্ট
ক্ষমা অপৰাধ লৈলো শৰণ সম্প্রতি॥
এতেক বোলন্তে দুর্গা ভৈলন্ত প্রসন্ন।
স্বপ্নত আসিয়া তবে দিলা দৰিশন॥ ৫১৩

উঠ চিলাৰাই তঞি নকৰিবি ভয়।
উপায় কৰিয়া মুক্ত কৰিবো নিচয়॥
নীলপর্বতৰ মঠ বঙ্গালে ভাঙ্গিলা।
নৰনাৰায়ণে মঠ বান্ধিবো বুলিলা॥ ৫১৪

ৰণক আসিলি মঠ নাৰান্ধিয়া মোৰ।
এতেকে যে অত দুষ্খ হুয়া আছে তোৰ॥
চিলাৰাই বোলে আই কৰা পৰিত্রাণ।
সত্যে সত্যে তযু মঠ কৰিবো নির্মাণ॥ ৫১৫

দেৱী বোলে মোৰ বাক্য শুনা দৃঢ় কৰি।
বঙ্গালে যি নাও টানে দিয়া কুশ জৰি॥
তাৰে ছিঙ্গা বজু এক খুতেৰি আনিবি।
মঞি কহোঁ মূল মন্ত্র তাহাতে জপিবি॥ ৫১৬

সেহি জৰি পাৎছাৰ পঠাধি ভিতৰক।
সর্পৰূপ ধৰি মঞি দংশিবো মাকক॥
নাপাৰিব গুছাইবাক বৈদ্য কোনো জনে।
সান্দহুৱা মন্ত্র কহোঁ শুনা সাৱধানে॥ ৫১৭

বস্ত্রত বান্ধিয়া গাণ্ঠি দিবিহি পঠাই।
তাহাক মেলিয়া যেন পাৎছা মাকে চাই॥
এহি বুলি দুইগুটি মন্ত্র শিখাইলন্ত।
আপোন স্থানক দেৱী চলিয়া গৈলন্ত॥ ৫১৮

যেহি ৰূপে মন্ত্র শিখাইলন্ত দেৱী আই।
পাৎছাৰ মাতৃক সেহিৰূপে কুশ জাবি দিলন্ত পঠাই॥
সর্পই দংশন কৰে বজু গুচি সর্প হুয়া গৈলা অভ্যন্তৰ।
পাৎছাৰ মাকক গৈয়া দংশিলা সত্তৰ॥ ৫১৯

পাৎছাৰ ভিতৰে বৰ বৌঢ় উঠিলন্ত।
অনেক দেশৰ বৈদ্যগণ অনাইলন্ত॥
বৈদ্যগণে তন্ত্রমন্ত্র অনেক কৰিলা।
তথাপিতো বিষ নমাইবাক নপৰিলা ৫২০

আর্ত হুয়া পাৎছা তেবে কান্দিতে লাগিল।
অনেক দেশৰ বৈদ্য আনিবাক দিল॥

পাৎছাৰ আদেশে বৈদ্য অনিবাক যাই।
আহুদিত কথা শুধিলন্ত চিলাৰাই॥ ৫২১

বোলে পাৎছাৰ অভ্যন্তৰে কেনে বৌঢ় কৰে।
ক্রন্দন কৰয় শুনু যত নাৰী নৰে॥
আহুদি বোলয় শুনিয়োক মহাৰাজ।
পাৎছা অভ্যন্তৰে ঘোৰ মিলিল অকার্য্য॥ ৫২২

সর্পে দংশিলেক আজি জননী পাৎছাৰ।
শীঘ্রে চলি যাওঁ আমি বৈদ্য আনিবাৰ॥
ৰাজা বোলে আহুদি শুনিয়ো মোৰ বাণী।
কিবা তোমাঠেৰ বৈদ্যগণ ভৈলা হানি॥ ৫২৩

আহুদি বোলয় শুনিয়োক মহাৰাই।
যদি জানা দিয়া তুমি ইহাৰ উপাই॥
ৰাজা বোলে পাৎছাত জনাও শীঘ্র কৰি।
ঔষধ কৰিবো সুমৰিয়া ধনন্তৰি॥ ৫২৪

তেতিক্ষণে আহুদিয়ে পাৎছাত জনাইলা।
নিহাল চোৰায়া পাৎছা আগক নিয়াইলা॥
পাৎছা বোলে শুনা মহাৰাজ চিলাৰাই।
আমাৰ মাতৃক তুমি দিওৰে জীয়াই॥ ৫২৫

পাচে চিলাৰাই কামাখ্যাক স্মৰিলন্ত।
সন্দেশ পঢ়িয়া বস্ত্রে গাণ্ঠিক দিলন্ত॥
বোলে এহি গাণ্ঠিক মেলিব ধৰি চাই।
গাণ্ঠি মেলি বুলিব ইহাত কিছু নাই॥ ৫২৬

চিলাৰাইৰদ্বাৰা পাৎছাৰ মাতৃক জীৱ দান

সেহি গাণ্ঠি অভ্যন্তৰে পঠাই দিলন্ত।
মেলি চাহি পাৎছা মাকে নাহি বুলিলন্ত ॥
তেতিক্ষণে সর্প বিষ সকলে গুচিল।
পূর্ৱৱতে পাৎছা মাক উঠিয়া বসিল ॥ ৫২৭

বোলে মোক কোনে কৰিলেক পৰিত্রাণ।
আসিয়া মোহোক কোনে দিলে জীৱদান ॥
পাৎছা বোলে বন্দীত আছিল চিলাৰাই।
তেঁহে মন্ত্র কৰি তোমাক দিলন্ত জীয়াই ॥ ৫২৮

শুনিয়া মনত বৰ আনন্দ মিলিলা।
দূত পাঞ্চি চিলাৰাইক সেহি থানে নিলা ॥
পাৎছায়ে সহিতে দুইকো কৰাইলা সাক্ষাত।
দুইহান্তক দুই ফালে বৈসাইলা কোলাত ॥ ৫২৯

পাৎছাৰ মাতৃৰ-দ্বাৰা চিলাৰাইক পুত্রৰূপে গ্রহণ

বোলে আজি ধৰি দুইৰো কথা হৌক এটা।
সত্যে সত্যে দুয়ো জন ভৈলি মোৰ বেটা ॥
আজি ধৰি দ্বন্দ্ব নকৰিবি দুয়ো ভাই।
বাপেৰ শপত আৰো আল্লাৰ দোহাই ॥ ৫৩০

পাৎছাৰ মাতৃৰ-দ্বাৰা কোচ আৰু গৌড় ৰাজ্যৰ সীমা নির্ধাৰণ

গঙ্গা সীমা কৰি ৰাজ্য এক দুপৰৰ।
আজি ধৰি ভৈলা চিলাৰাই তনয়ৰ ॥
আৰু কিবা লাগে বুলি দুনাই সুধিলন্ত।
সোণৰ ৰূপৰ যত ভণ্ডাৰ দিলন্ত ॥ ৫৩১

যেহি লাগে তাকে নিয়া এৰি দিলো মঞি।
লাগে মানে নিয়া তুমি নকৰি সংশয় ॥

পাচে চিলাৰাই ভণ্ডাৰক বিচাৰিলা।
হীৰা মণি মৰকত অনেক দেখিলা ॥ ৫৩২

বৈদুর্য্য বৈক্রান্ত ইন্দ্রনীল ৰত্ন যত।
কাকো নাদৰিলা ৰাজা গুণিয়া মনত ॥
অনেক ভণ্ডাৰ চাই আসিলন্ত ফুৰি।
হাতত আনিলা পাই এখন খঞ্জৰি ॥ ৫৩৩

চিলাৰাইৰ প্রত্যাগমন

পাৎছাত কহিলা ভণ্ডাৰত কিছো নাই।
এহি বুলি নিজ দেশে আইল চিলাৰাই ॥
পাৎছা বোলে বিপক্ষে নিন্দিলা মোক জুৰি।
এহি বুলি ৰৈলা পাৎছা আঙ্গুলী কামুৰি ॥ ৫৩৪

যুৱৰাজে পাইলা যেৰে আপুন ভৱন।
পৰম আনন্দ ভৈলা নৰনাৰায়ণ ॥
সুধিলন্ত কমনে আসিলা চিলাৰাই।
বোলে মোক কৃপা কৰিলন্ত কামাখ্যা আই ॥ ৫৩৫

কামাখ্যা দেৱীৰ মঠ পুনর্নির্মাণ

শুনিয়া সবাৰ মনে আনন্দিত ভৈলা।
মেঘামুকদুমক আনি দুয়ো আজ্ঞা কৈলা ॥
বোলে লৈও এতিক্ষণে সৈন্যক জণ্টাই।
নীলাচলে দেৱী মঠ সজায়োক যাই ॥ ৫৩৬

ৰজা আদেশ যেতিক্ষণে শুনিলন্ত।
মেঘামুকদুমক তবে মতাই নিলন্ত ॥
শিলাকুটি সূতাৰ বাঢ়ই শিল্পকাৰ।
চুনেৰী সোনাৰী আৰু কমাৰ কুমাৰ ॥ ৫৩৭

অসংখ্য পদাতিগণ কৰি এক ঠাই।
বোলে নীলাচলে মঠ সজায়োক যাই॥
ৰাজাৰ আদেশ শুনি মেঘামুকদুম।
অসংখ্য পদাতি সৈন্য কৰিয়া নিয়ম॥ ৫৩৮

ৰাজাক প্রণামি নীলাচলক গৈলন্ত।
প্রথমতে গোঁসানীক পূজা কৰাইলন্ত॥
প্রথমে শিলাৰ মঠ নির্মাণ কৰিলা।
এক ৰাত্রি থাকি সিতো খসিয়া পৰিলা॥ ৫৩৯

পুনৰপি সেহি মঠ নির্মাণ কৰন্ত।
ৰজনী অন্তৰে পুনু খসিয়া পৰন্ত॥
দেখিয়া সবাৰ মনে ভৈলন্ত বিস্ময়।
কোন দোষ গুণে হেন ভৈল বিপর্য্যয়॥ ৫৪০

এহি বুলি মুকদুমে বান্ধিবে এৰিলা।
ব্রাহ্মণ আনিয়া পূজা কৰাইবে লাগিলা॥
সপ্ত দিন হবিষ্য কৰিয়া ধৰি ব্রত।
এতেকে পার্বতী দেখা দিলন্ত স্বপ্নত॥ ৫৪১

দেৱী বোলে পূর্বে মঠ যবনে ভাঙ্গিলা।
আৰু কলিযুগ আসি আপুনি মিলিলা॥
এতেকে শিলাৰ মঠ নুহিকন্ত ভাল।
কুমাবে পাগোক ইটা বান্ধি অগ্নিশাল॥ ৫৪২

সেহি ইটা আনি তঞি ঘৃতত ভাজিবি।
কৰাল পাগিয়া মঠ নির্মাণ কৰিবি॥

ইটাৰদ্বাবা কামাখ্যাৰ মন্দিৰ নির্মাণ

এহি বুলি মহেশ্বৰী ভৈলা অন্তর্ধ্যান।
চেতন লভিয়া মেঘা ভৈলা দিব্য জ্ঞান॥ ৫৪৩

কুমাৰ আনিয়া ইটা সজাইবাক দিলা।
পাগিয়া ইটাক আনি ঘৃতত ভাজিলা॥
কৰাল পাগিয়া পুনু ভৈলা সাৱধান।
মৃন্ময় মঠ তবে কৰিলা নির্মাণ॥ ৫৪৪

ছয় মাস মানে মঠ যেবে বান্ধা ভৈলা।
তেবে নৃপতিৰ ঠাই দূতক পঠাইলা॥
দূতে গৈয়া কহিলন্ত নৃপতিৰ আগে।
মঠ বান্ধা ভৈল আজ্ঞা কৰা যেন লাগে॥ ৫৪৫

নৰনাৰায়ণ আৰু চিলাৰাইৰদ্বাবা কামাখ্যাদেৱীৰ মঠ প্রতিষ্ঠা আৰু পূজা

তেবে নৃপতিৰ মন আনন্দিত হৈলা।
উচৰ্গা কৰিবে দুয়ো ভাই চলি গৈলা॥
বিধিৱতে মঠক প্রতিষ্ঠা কৰাইলন্ত।
যতেক দক্ষিণা দিলা নাহি আদি অন্ত॥ ৫৪৬

মহিষ ছাগল হংস মৎস্য পাৰাৱত।
হৰিণ কচ্ছপ বলি উপহাৰ যত॥
পূজা কৰাইলন্ত চতুঃষষ্টি উপচাৰে।
সপ্ত দিন আছে দুই ভাই নিৰাহাৰে॥ ৫৪৭

তিনি লক্ষ হোম দিলা এক লক্ষ বলি।
সাত কুড়ি পাইক দিলা কৰি তাম্রফলি॥
সুৱর্ণ ৰজত তাম্র কাংস্য পাত্রচয়।
অখণ্ড প্রদীপ উচৰ্গিলা মনোময়॥ ৫৪৮

দিনে দিনে পাঠ হোম পূজা কৰিবন্ত ।
প্রতিদিনে পঞ্চ পুৰা চাউল লগাইবন্ত ॥
বিল ভূমি গ্রাম শস্য সমে উচর্গিলা ।
তাল যন্ত্র শঙ্খ ঘণ্টা বাদ্য সব দিলা ॥ ৫৪৯

দণ্ড ছত্র সিংহাসন শ্বেত যে চামৰ ।
উচর্গা কৰিলা নাৰায়ণ নৃপবৰ ॥
ব্রাহ্মণ দৈৱজ্ঞ নট ভাট তাঁতী মালী ।
কমাৰ কঁহাৰ বাঢ়ই ধোবা সালেই তেলী ॥ ৫৫০

সোণাৰী কুমাৰ হিৰা কৈবর্ত চমাৰ ।
মুচিয়াৰ হাৰী আদি দিলা নিৰন্তৰ ॥
সাঙ্গোপাঙ্গে ধন দিলা পচিশ হাজাৰ ।
আপোনাৰ প্রতিমাক সজাইলা শিলাৰ ॥ ৫৫১

বোলে গোঁসানীৰ পূজা প্রথমে কৰিব ।
গোঁসানীৰ প্রসাদ আমাক আগে দিব ॥
এহিমতে নাৰায়ণে কৰি নিবন্ধন ।
দণ্ডৱতে প্রণমিলা দুর্গাৰ চৰণ ॥ ৫৫২

প্রদক্ষিণ কৰিলন্ত এক শত বাৰ ।
সহস্রেক নাম জপি থাকিল দুর্গাৰ ॥
সেহি নিশা সাক্ষাত ভৈলেক ভগৱতী ।
দুই ভাতৃ কৰজোৰে কৰিলন্ত স্তুতি ॥ ৫৫৩

গোঁসানী বুলিলা পুতা নকৰিবি ভয় ।
চাৰিও দিশত দুইৰো হৈবেক বিজয় ॥

এহি বুলি অন্তর্ধ্যান ভৈলা দেৱী আই ।
প্রভাতে উঠিয়া স্নান কৈলা দুয়ো ভাই ॥ ৫৫৪

নিত্য নৈমিত্তিক কর্ম কৰি অৱসান ।
ভোজন কৰায়া ব্রাহ্মণক দিলা দান ॥
মেঘামুকুদুমক বটা বাহন দিলন্ত ।
তেবে দুই ভাই নিজ দেশক গৈলন্ত ॥ ৫৫৫

৺কামাখ্যা নাটমন্দিৰৰ ফলি

"লোকানুগ্রহকাৰকঃ করুণয়া প্রার্থোধনুর্বিদ্যয়া
দানেনাপি দধীচিকর্ণ সদৃশো মর্য্যাদয়াম্ভোনিধি ।
নানাশাস্ত্রবিচাৰচারুচরিতঃ কন্দর্পরূপোজ্জ্বলঃ
কামাখ্যাচরণার্চকোবিজয়তে শ্রীমল্লদেৱনৃপঃ ॥
প্রাসাদমদ্রিদুহিতুশ্চরণাৰবিন্দ ভক্ত্যা কৰোতু
দনুজো বৰনীলশৈল্যে ।
শ্রীগুরুদেৱইমমুল্লসিতোপলেন শাকে তুৰঙ্গগজ-
বেদশশাঙ্কসংখ্যে ॥
তস্যৈব প্রিয়সোদৰঃ পৃথুযশাবীৰেন্দ্রমৌলিস্থলী,
মাণিক্যং ভজমান কল্পবিটপী নীলাচলে মঞ্জুলং ।
প্রাসাদং মুনিনাগবেদশশভৃৎশাকে শিলাৰাজিভিঃ
দেৱীভক্তিমতাম্বৰো ৰচিতবানশ্রীশুক্লপূর্ৱধ্বজঃ ॥"

পদ

শুনিয়োক সভাসদ ৰাজাৰ চৰিত্র ।
নৰনাৰায়ণ ৰাজা পৰম পৰিত্র ॥
ধর্মতেসে মতি অধর্মত মতি নাই ।
নাৰায়ণ অংশে জন্মিছন্ত দুই ভাই ॥ ৫৫৬

অসমীয়া ভাষাত শাস্ত্রাদি ৰচনা কৰিবলৈ ৰাজাজ্ঞা

কলিযুগে মনুষ্য সবাৰে চিন্তি হিত।
শাস্ত্র সমস্তৰ গ্রন্থ কৰাইলা বিদিত ॥
ব্যাকৰ্ণৰ গ্রন্থ ৰত্নমালা কৰাইলন্ত।
যতেক কৰাইলা পদ নাহি আদি অন্ত ॥ ৫৫৭

নৰনাৰায়ণৰ প্রজাহিতকৰ কাম

বিপ্র শূদ্র চাণ্ডালেও পঢ়ে যত্ন কৰি।
নহৈবেক ৰাজা নৰনাৰায়ণ সবি ॥
আলি মঠ পুখুৰি কৰাইলা ঠাই ঠাই।
যত বৃক্ষ ৰোৱাইলন্ত আদি অন্ত নাই ॥ ৫৫৮

অন্নশালা পানীশালা কৰাই দেশে দেশে।
ভোজন কৰন্ত তাতে অতিথি নিশেষে ॥
হেন ৰাজা চৰিত্র শুনিতে অনুপাম।
পাতেক চাৰোক ডাকি বোলা ৰাম ৰাম ॥ ৫৫৯

ইন্দ্রবজ্রা ছন্দ

শুনিয়োক অনন্তৰে কথা।
নৰনাৰায়ণে কৰিলা যথা ॥
আপোনাৰ গৃহ দুয়ো পাইল।
শিৱ পার্বতীক চিন্তিয়া ৰৈল ॥ ৫৬০

কৰিলন্ত যজ্ঞ বলি বিধান।
বিপ্র দৈৱজ্ঞক কৰিলা দান ॥
নাহিকে দুর্ভিক্ষ মৰক মাৰি।
শস্য মৎস্য ঘাই নিতান্তে বাঢ়ি ॥ ৫৬১

প্রজাৰ পিৰীতি বাঢ়য় নৱ।
দিনে দিনে বৃদ্ধি ৰঙ্গ উৎসৱ ॥
বিপ্রসবে কৰে বেদক ধ্বনি।
দৈৱজ্ঞে থাকয় গ্রহক গণি ॥ ৫৬২

বৈষ্ণৱে থাকয় নামক ধৰি।
নটে ভাটে থাকে কীর্তন কৰি ॥
যবনে ফার্চ্ছি কৰে কোৰাণ।
স্বধর্মত পৰে নিচিন্তে আন ॥ ৫৬৩

বাণিজাৰু গণে বাণিজ কৰে।
কৃষকৰ নিতে আনন্দ চৰে ॥
ৰাজা নিতে কৰে মহোৎসৱ।
এহি মতে বাঢ়ে আনন্দ নৱ ॥ ৫৬৪

নৰনাৰায়ণৰ প্রতি সম্রাট আকবৰৰ চিঠি

এহি ৰূপে আছে ৰবিযেক।
গৌড়ৰ পাৎছাৰ মাক মৰিলেক ॥
তাৰ দুই বর্ষ অনন্তৰে।
শুনিলন্ত পাৎছা একাব্বৰে[১] ॥ ৫৬৫

সন্ন্যাসীক পঠাই কাকত লেখি।
নাৰায়ণ সমে কৰিলা সখী ॥
শুনিয়ো সখি মোৰ সম্মত।
গৌড় পাৎছা গোট আছে মধ্যত ॥ ৫৬৬

আসন্তোক সখী পূর্বৰপৰা।
যেনে যাই গৌড় পাৎছা মাৰা ॥

(১) একাব্বৰ—আকবৰ

সসৈন্য জণ্টাই মঞো যাইবো।
পচিমৰপৰা খেদি পাইবো ॥ ৫৬৭

দুয়ো দলে তেবে দিবোহো ধাৰী।
গৌড়ৰ পাৎছাক পেলাইবো মাৰি ॥
তেবে দুইকো দুয়ো পাইবো লাগ।
লৈবো ৰাজ্য কৰি সমভাগ ॥ ৫৬৮

সেহি পত্র চাই চিলাৰাই।
নৃপতিৰ আগে দেখাইলা যাই ॥
শুনিয়া নৃপতি পত্রৰ জান।
সন্ন্যাসীক কৰি বহু সন্মান ॥ ৫৬৯

আকবৰ আৰু নৰনাৰায়ণ উভয়ৰে সমবেত শক্তিৰে গৌড়ৰাজ্য জয় কৰাৰ প্রস্তুতি

হৈব ৰণ বুলি আদেশিলা।
পাৎছাক লাগিয়া কাকত দিলা ॥
বোলে আসন্তোক সখী আমাৰ।
গৌড়ৰ পাৎছাক দিবোহো ধাৰ ॥ ৫৭০

গৌড়ক মাৰিতে মোহোৰো মতি।
সখীয়ো কহিলা তাক সম্প্রতি ॥
এহি কথা পত্রে লিখন কৰি।
শিকাইলা দূতক শাস্ত্রানুসৰি ॥ ৫৭১

সন্ন্যাসীৰ লগে পঠাইলা দূত।
পাৎছা আগে লিখা দিলা প্রস্তুত ॥
দেখিয়া পাৎছাৰ আনন্দ ভৈলা।
যুদ্ধক লাগিয়া আৰম্ভ কৈলা ॥ ৫৭২

বুলিলা দূতক পাৎছায়ে চাই।
সখীৰ আগত কহিবি যাই ॥
ৰণৰ সম্ভাৰ মিলাইলো আজি।
দেখ ৰথ যত গজ বাজী ॥ ৫৭৩

ৰাজা মানসিংহ পঠাইবো মঞি।
সখীৰ আগত জনাইবি তঞি ॥
এহি বুলি দূতক সন্তোষি মন।
পঠাইলন্ত দিয়া বটাবাহন ॥ ৫৭৪

পাৎছায়ে দূতত কহিলা যত।
নিশেষে জনাইলা ভূপ আগত ॥
শুনিয়া ৰাজাৰ আনন্দ ভৈলা।
ভাতৃক সম্বুদ্ধি বুলিবে লৈলা ॥ ৫৭৫

শুন ভাতৃ মোৰ চিলাৰাই।
যুদ্ধৰ সম্ভাৰ মিলায়ো যাই ॥
গোঁসানীৰ পূজা কৰায়ো আগে।
তেবেসে যুদ্ধক যাইবাক লাগে ॥ ৫৭৬

ৰাজাৰ আদেশে যুবৰাজ।
মন্ত্রীক আনিয়া পাতি সমাজ ॥
সমস্ততে কৈলা আজ্ঞা শুনাই।
শীঘ্রে সাজ কৰা যুদ্ধক যাই ॥ ৫৭৭

শুনিয়া আদেশ মন্ত্রীগণে।
দূতগণ পাঞ্চি দিলা তেখনে ॥

প্রথমে পূজাৰ সম্ভাৰ আনি।
তিনি দিন পূজি ঠাকুৰাণী ॥ ৫৭৮

দিলন্ত অনেক বলি বিধান।
হোম যজ্ঞ কৰি অৱসান ॥
যেবে মহামায়া তুষ্ট ভৈলা।
তেবেসে ৰণক চলিয়া গৈলা ॥ ৫৭৯

হয় হস্তী প্রজা অসংখ্য যাই।
অনেক মঙ্গল বাদ্য বজাই ॥
পাইলন্ত গৌড়ৰ সমীপ যেবে।
নাবঙ্গচা পাৎছাই যুঝিলা তেবে ॥ ৫৮০

দিল্লীৰ পাৎছা সেহি সময়।
চতুৰঙ্গ দলে যুঝিবে যাই ॥
মানসিংহ নামে ৰাজাক দিলা।
সৈন্য লৈয়া তেহে যুদ্ধে চলিলা ॥ ৫৮১

গৌড় পাৎছাৰ পৰাজয় আৰু পলায়ন

গৌড়ৰ পাৎছাক দিলন্ত ধাৰী।
অনেক লোকক পেলাইলা মাৰি ॥
লাগিল মহিম দুয়ো দলৰ।
হৰাইলা চুৰুতি গৌড় পাৎছাৰ ॥ ৫৮২

পলাই গৈলন্ত ফিৰিঙ্গ দেশে।
ভঙ্গ ভৈলা গৌড় প্রজা নিশেষে ॥
নৰনাৰায়ণ চিলাৰাই।
মানসিংহ সমে এক ঠাই ॥ ৫৮৩

দুয়ো দলে ভৈল মিত্রৱতি।
কোচ আৰু মোগল সাম্রাজ্যৰ সীমা নির্ধাৰণ বিভাগিয়া ৰাজ্য লৈল সম্প্রতি ॥
মধ্যত গঙ্গাক সীমা কৈল।
মানসিংহ ৰাজা দিল্লীক গৈল ॥ ৫৮৪

বেহাৰৰ পৰা দূত গৈলন্ত।
যুবৰাজৰ পুত্র জন্ম ৰাজাৰ আগত বার্তা কৈলন্ত ॥
জন্মিলন্ত পুত্র যুবৰাজৰ।
শুনিয়া আনন্দ ভৈলা অপাৰ ॥ ৫৮৫

চিনাকোনীয়া ব্রাহ্মণক নিলা।
পুত্র-জন্মৰ বাবে যুবৰাজৰ দান দক্ষিণা কনক অঞ্জলী দান দিলা ॥
আৰো চিনাকোনা নামে গ্রাম।
দিলা ব্রহ্মোত্তৰ কৰি নাম ॥ ৫৮৬

অনেকক দান দিলন্ত যত।
তান সংখ্যা আমি কহিবো কত ॥
শুনিয়ো সমস্তে সভাসদ।
বৈষ্ণৱ ৰাজাৰ ইতো পদ ॥ ৫৮৭

বৈষ্ণৱ বিষ্ণুৰ একে নাম।
জানি সবে বোলা ৰাম ৰাম ॥

লেচাৰী

অনন্তৰে যুবৰাজ বৰ, গঙ্গাৰ তীৰতে উঠি জ্বৰ,
ওলাইলন্ত গুটি সবে শৰীৰক ছানি।
চিলাৰাইৰ বসন্ত এৰিলন্ত অন্ন জলাহাৰ, বাজায়ে বিসম পাইল গাৰু,
মনত চিন্তিলা গঙ্গাদেৱী ঠাকুৰাণী ॥

মনে বোলে আয়ু ক্ষীণ ভৈলা, জানিলো ঈশ্বৰে আজ্ঞা কৈলা,
মোৰ এহি বেলি নাহি জানো প্রতিকাৰ।
নাহি কয় একো সুখ শান্তি থিৰ কৰিলন্ত গুণি গাণ্ঠি
মনে মাধৱৰ চৰণে কৰিলা সাৰ ॥ ৫৮৮

শুনিয়োক দদা নাৰায়ণ, মোহোৰ অৱশ্যে হৈবে মৰণ,
সম্পিলো তোমাত উপজিছে পুত্রখানি।
হৰি হৰি কিনো ভৈল অসুখ, নেদেখিলোঁ নিজ পুত্রমুখ,
পালিবা পুত্রক আপুনাৰ যেন জানি ॥
গো ব্রাহ্মণৰ কৰিবা পতি, যেনে তুষ্টে থাকে ভগৱতী
তাকেসে কৰিবা নকৰিবা আন মন।
মোক লাগি শোক এৰিয়োক, চলোঁ আজি মঞি পৰলোক,
কৰিলা আদেশ মোক দেৱনাৰায়ণ ॥ ৫৮৯

এহি বুলি গঙ্গা জলে নামি চিন্তিলন্ত সনাতন স্বামী,
নাৰায়ণ বুলি ত্যজিলন্ত পঞ্চপ্রাণ।
চিলাৰায়ৰ মৃত্যু
শুক্ল হংসৰূপে জীৱ গৈলা, অক্ষয় স্বর্গক গৈয়া পাইলা,
নাৰায়ণ দেৱে দিলা আপোনাৰ থান ॥
ভাতৃৰ সুকৃতি দেখিয়া ৰাজা, আনন্দিত ভৈলা অনেক প্রজা,
সবে জয় জয় কৰিলন্ত জয়ধ্বনি।
অনেক মঙ্গল বাদ্য বজাই, অগৰু চন্দনে দাহ কৰাই,
আকাশ লঙ্ঘিয়া উঠিয়া গৈলা অগনি ॥ ৫৯০

নৰনাৰায়ণৰ দান-দক্ষিণা
কৰাইলন্ত দশ পিণ্ডদান, দূত পাঞ্চি দিলা থানেথান,
দ্রব্যক অনাই বৃষোৎসর্গ কৰাইলন্ত।
অলেখ কৰিয়া দান দিলা, বিপ্র বৈষ্ণৱক সন্তোষিলা,
দক্ষিণাৰ লেখা জোখা নাহি আদি অন্ত ॥

বিপ্রক ভুঞ্জাইলা দুগ্ধ ফল, জ্ঞাতিক দিলন্ত অন্ন জল,
অদৰিদ্র ভৈলা দুখী ভিক্ষু দেশান্তৰী।
কার্য্যৰ কৰিয়া সমাপতি, গৃহক আসিলা নৰপতি,
তিনি দিন কান্দি আছিলন্ত শোক কৰি ॥ ৫৯১

হা হা প্রাণভাই চিলাৰাই মোক এৰি গৈলা কোন ঠাই,
তুমি অবিহনে দিনতে দেখো আন্ধাৰ।
কোনে আগে যাইব বণে বনে, আনন্দ কৰিব কাৰ সনে,
প্রাণভাই বুলি মাতোঁ কাক বাৰম্বাৰ ॥
শুনিয়োক যত সভাসদ, বৈষ্ণৱ ৰাজাৰ ইতো পদ,
বিষ্ণু বৈষ্ণৱৰ নাহি কয় ভিন্ন ভাৱ।
জানি সবে আন পৰিহৰা, কৃষ্ণৰ চৰণ মনে ধৰা,
ডাকিয়া সমস্তে ঘুষিয়োক হৰি হৰি ॥ ৫৯২

পদ

চিলাৰায়ৰ বৃষোৎসর্গ দক্ষিণা দিলন্ত।
পশ্চিম দেশৰপৰা নাৰায়ণ চক্রৱর্তীৰ আগমন
সেহি শুক্ল যশ দশো দিশক গৈলন্ত ॥
সেহি শুক্ল যশ শুনি পচিমৰ পৰা।
আসিল ব্রাহ্মণ এক তর্কঅলঙ্কাৰ ॥ ৫৯৩

নাৰায়ণ চক্রৱর্তী জানা তান নাম।
পৰম পণ্ডিত সর্বগুণে অনুপাম ॥
ৰাজাৰ দ্বাৰত বৈয়া শ্লোক পঢ়িলন্ত।
নৃপতিক আনন্দতে আশীষা দিলন্ত ॥ ৫৯৪

দ্বাৰীক বোলন্ত শুনিয়োক দ্বাৰপাল।
নৃপতিৰ আগে বার্তা জনাও সকাল॥
আথে বেথে দ্বাৰী গৈয়া জনাইলা ৰাজাত।
আসিছে নাৰাণ তেল দ্বাৰক সাক্ষাত॥ ৫৯৫

ৰাজা বোলে দ্বাৰী তঞি যাওক এখনে।
মুখ বান্ধি ভণ্ডাৰত থৈয়োক যতনে॥
হেন শুনি দ্বাৰী তথা নাথাকিলা ৰই।
ব্রাহ্মণৰ মুখে বান্ধ দিলা শীঘ্র গই॥ ৫৯৬

ভণ্ডাৰত বন্দী কৰি থৈলা ব্রাহ্মণক।
পুনর্বাৰ দ্বাৰীও গৈলন্ত দ্বাৰক॥
সেহি ৰাত্রি ব্রাহ্মণ থাকিল ভণ্ডাৰত।
দেড় পৰ বেলা ভৈলা আনকা দিনত॥ ৫৯৭

সেৱা পূজা কৰিলন্ত ৰাজা কৰি স্নান।
সেহি সময়ত ভণ্ডাৰীয়ে দিলা জান॥
বোলে মহাৰাজা আজু ভণ্ডাৰৰ কাছে।
মুখবন্ধে ব্রাহ্মণেও মৰন্তেসে আছে॥ ৫৯৮

হেন শুনি নৰেশ্বৰ বিস্ময় ভৈলন্ত।
কমনে ব্রাহ্মণ মৰে বুলি পুছিলন্ত॥
ভণ্ডাৰী বোলয় শুনিয়োক নৰেশ্বৰ।
নাৰায়ণ চক্রৱর্তী পচিম দেশৰ॥ ৫৯৯

তর্ক অলঙ্কাৰ বিপ্র দ্বাৰে আছে ৰৈয়া।
দ্বাৰী মুখ বান্ধিলন্ত ৰাজ আজ্ঞা কৈয়া॥

বন্দী কৰি থোৱাইলন্ত ভণ্ডাৰৰ কাছে।
সেহিটো ব্রাহ্মণ আয়ু মৰন্তেসে আছে॥ ৬০০

নৰনাৰায়ণৰ খেদ

শুনি নৃপতিৰ মনে বিস্ময় ভৈলন্ত।
মুখ মেলাই ব্রাহ্মণক শীঘ্রে নিয়াইলন্ত॥
ৰাজা বোলে বিষ্ণু বিষ্ণু কৃষ্ণ ভৱহাৰি।
পাপ কৰাইলন্ত মোক অজ্ঞান দুৱাৰী॥ ৬০১

এহি বুলি ব্রাহ্মণক কৰিলা সম্মান।
দুই শত সুৱর্ণক কৰিলন্ত দান॥
পাঞ্চ সহস্রেক ৰূপ দিলা ভাল চাই।
অপৰাধ ক্ষমা মোক ব্রাহ্মণ গোঁসাই॥ ৬০২

দাস দাসী দিলা আনো বস্ত্র অলঙ্কাৰ।
নিজ দেশে গৈলা চলি বিপ্র পুনর্বাৰ॥
প্রায়শ্চিত্ত ভৈলা ৰাজা অজ্ঞান দোষৰ।
আগন্তুক চিন্তা কৰিলন্ত নিৰন্তৰ॥ ৬০৩

সত্র-দেৱাল স্থাপন

গৌড় কামৰূপে যত পণ্ডিত আছিলা।
সমস্তকে আনি সত্র দেৱাল পাতিলা॥
বোলে বিপ্র পণ্ডিত সমস্তে শুনিয়োক।
কলিৰ যুগত বৃদ্ধি হৈব ভয় শোক॥ ৬০৪

নৰনাৰায়ণৰদ্বাৰা পুৰুষোত্তম ভট্টাচার্যক ৰত্নমালা ব্যাকৰণ ৰচনা কৰিবলৈ নির্দেশ প্রদান

অল্প আয়ু অল্প বুদ্ধি হৈবেক নিঃশেষ।
লোপ হৈব পূর্ব শাস্ত্র গ্রন্থাদি বিশেষ॥
শুনিয়ো পুৰুষোত্তম ভট্টাচার্য্য দ্বিজ।
কৰিয়োক ৰত্নমালা ব্যাকর্ণৰ বীজ॥ ৬০৫

সম্প্রতিকে স্ত্রীয়ে শূদ্রে পঢ়িব যতনে।
কিছু শেষ ভৈলে পঢ়িবেক বিপ্রগণে ॥
শুনিয়োক আজ্ঞা মোৰ ৰামসৰস্বতী।
ভাৰতৰ পদ তুমি কৰিয়ো সম্প্রতি ॥ ৬০৬

ৰাম সৰস্বতীক মহাভাৰতৰ পদ কৰিবলৈ নির্দেশ প্রদান

আৰু আছে সপ্তকাণ্ড ৰামায়ণ যত।
শ্লোকক ভাঙ্গিয়া পদ কৰিয়ো সাম্প্রত ॥
অষ্টাদশ পুৰাণৰ কৰিয়োক পদ।
আকে শুনি নৰলোকে পাইব পৰম্‌পদ ॥ ৬০৭

শুনিয়ো শঙ্কৰ তুমি ভক্ত মহাজন।
বাঢ়য় কন্ধৰ পদ কৰা নিবন্ধন ॥
হৰিৰ ভক্তিক তুমি কৰিয়ো প্রচাৰ।
হৰি ভজি নৰে হৌক সংসাৰৰ পাৰ ॥ ৬০৮

শঙ্কৰদেৱৰ প্রতি নৰনাৰায়ণৰ নির্দেশ

শুনিয়ো শ্রীধৰ তুমি মোৰ বাক্য ধৰা।
জ্যোতিষক ভাঙ্গি তুমি সাধ্যখণ্ড কৰা ॥
বকুল কায়স্থ তুমি ভাঙ্গা লীলাৱতী।
অল্পতে বুজয় যেন কায়স্থে সম্প্রতি ॥ ৬০৯

শ্রীধৰ, বকুলকায়স্থ আদিৰ প্রতি নির্দেশ

এহি মতে পণ্ডিত সবক বুলিলন্ত।
তেবে কলি যুগে শাস্ত্র লোপ নহৈৱন্ত ॥
ভাল বুলি প্রশংসা কৰিলা সর্বজন।
ভাগে ভাগে গ্রন্থ কৰিলেক নিবন্ধন ॥ ৬১০

সেহি গ্রন্থ নিয়া সবে ৰাজাক দেখাইলা।
তাক চাই মহাৰাজা আনন্দক পাইলা ॥

পণ্ডিত সবক পাচে কৰিলা সন্মান।
ধন ৰত্ন বস্ত্র অলঙ্কাৰ দিলা দান ॥ ৬১১

সমস্তকে পঢ়াইলন্ত কৰিয়া দণ্ডিত।
স্ত্রী শূদ্র আদি সবে ভৈলন্ত পণ্ডিত ॥
দেৱ দামোদৰ আদি সন্ত বাঢ়জন।
ধর্ম প্রকাশিলা সবে শ্রৱন কীর্তন ॥ ৬১২

শিষ্যগণে সৎসঙ্গত ভকতি কৰন্ত।
তুষ্ট চিত্ত শুচি সবে ৱৈষ্ণৱ ভৈলন্ত ॥
ধর্ম শিক্ষা দিয়া ৰাজা পালি নিজ প্রজা।
সেহি দিনা ধৰি নাম ভৈলা ধর্মৰাজা ॥ ৬১৩

চিলাৰায়ৰ পুত্র নাম ভৈলা ৰঘুদেৱ।
বলে বীর্য্যে ৰূপে গুণে সম নাহি কেৱ ॥
নৃপতিয়ো দায়া কৰে পুত্রতো অধিক।
একাসনে ভুঞ্জে শোৱে আৰো কৈবো কিক ॥ ৬১৪

ৰঘুদেৱ

অনন্তৰে আসি ভৈলা কিশোৰ বৎসৰ।
দুই কন্যা আনি বিহা দিলা নৃপবৰ ॥
ৰঘুদেৱৰ মাতৃ বোলে শুনিয়ো বোপাই।
আজু দিনে নৃপতিক সেবিতে জুৱাই ॥ ৬১৫

মাতৃ বাক্যে কন্যা সঙ্গে লৈয়া ৰঘুদেৱ।
নৃপতিৰ পাৱে পৰি কৰিলন্ত সেৱ ॥
দৰাকন্যা চাই ৰাজা প্রশংসিলা ভালা।
আশীর্ৰাদ কৰিয়া মুণ্ডৰ দিলা মালা ॥ ৬১৬

মাকে শুধিলন্ত বাপু কি দিলা ৰাজাই।
ৰঘুদেৱে বোলে মাতৃ একো দিয়া নাই॥
পিন্ধা মালা ব্যতিৰেকে কিছো নাহি আৰ।
মাতৃ বোলে নিষ্টে তোক দিলা ৰাজ্যভাৰ॥ ৬১৭

নৰনাৰায়ণৰ পুত্ৰ জন্ম

দেশে দেশে বাচি বাচি ভাল কন্যা চাই।
ছয় কুড়ি বিবাহ কৰাইলা ৰঘুৰাই॥
কতিপয় দিনে নৰনাৰায়ণ নৃপবৰ।
পুত্ৰ এক জন্মিলন্ত পৰম সুন্দৰ॥ ৬১৮

মহামহোৎসৱ ভৈলা আনন্দ অপাৰ।
ধেনু দান দিলা ৰাজা দূতয় হাজাৰ॥
ধন ৰত্ন দিলা যত লেখা জোখা নাই।
দৈৱজ্ঞ ব্ৰাহ্মণগণ অনাইলা মতাই॥ ৬১৯

লক্ষ্মীনাৰায়ণ

জাত কৰ্ম কৰি গণাইলন্ত অনুপাম।
গণি পঢ়ি লক্ষ্মীনাৰায়ণ থৈলা নাম॥
মাসেক অন্তৰে নাম কৰ্ম কৰাইলন্ত।
যতেক দক্ষিণা দিলা নাহি আদি অন্ত॥ ৬২০

দ্বিতীয়াৰ চন্দ্ৰ যেন মতে বাঢ়ি যাই।
পৰম সুন্দৰ লক্ষ্মীনাৰায়ণ ৰাই॥
ৰঘুদেৱ কুমাৰৰ লগে ভৃত্যগণ।
এক দিনা বসি সবে কৰি আলোচন॥ ৬২১

বোলে নৰনাৰায়ণ ৰাজা মহাশান্ত।
আপুন পুত্ৰক তেহে ৰাজা পাতিবন্ত॥

এহি মন্ত্ৰণাক ৰঘুদেৱত জনাইলা।
সমস্তে মিলিয়া পাচে উপাই এক পাইলা॥ ৬২২

ভৃত্যসৱৰদ্ধাৰা ৰঘুদেৱক কুমন্ত্ৰণা দান

বোলে ফুঢ়া যাওঁ বুলি জনাও ৰাজাত।
কিছো সৈন্য দিয়া জেঠা আমাৰ লগত॥
অৰণ্য মাজত আছে অনেক অপাই।
সৈন্য দিয়া জেঠা ফুঢ়া ভুঞ্জিবাক যাই॥ ৬২৩

সেহি কথা ৰঘুদেৱে নৃপতিত কৈলা।
দিলা সৈন্য লৈয়া ফুঢ়া ভুঞ্জিবাক গৈলা॥
দিন মান গৈলা নিশা ভৈলন্ত যথাত।
সৈন্যগণ সঙ্গে লৈয়া ৰহিলা তথাত॥ ৬২৪

গহণ অৰণ্য মাজে ৰহিলা যেখন।
নিশা ভাগে আৰম্ভি ধৰিলা মশগণ॥
সৈন্যগণে আৰাৱ কৰয় ঠাই ঠাই।
সেহিবেলা আদেশ কৰিলা ৰঘুৰাই॥ ৬২৫

বোলে ভয় নকৰিবা যত সৈন্যগণ।
মাৰিয়োক মশ সবে তিয়ায়া বসন॥
বস্ত্ৰক তিয়াইলা সবে এহি হৌক বুলি।
কোবায়া মশক সবে মাৰিলা সমূলি॥ ৬২৬

ৰৱনগৰত ৰঘুদেৱৰ ৰাজধানী স্থাপন

বীৰ মাটি দেখি তাতে বান্ধিলা নগৰ।
ৰঘুদেৱ ৰাজাক পাতিলা নৃপবৰ॥
বড়নগৰত যেবে ৰঘুদেৱ ৰৈলা।
আত অনন্তৰে শুনা যেন কথা ভৈলা॥ ৬২৭

ৰঘুদেৱ নাসিবাৰ দেখি নাৰায়ণ।
ৰঘুদেৱৰ ওচৰলৈ নৱনাৰায়ণৰ দূত প্ৰেৱণ
মনকষ্টে ৰহিলন্ত নকৰি ভোজন ॥
দূত সকলক তেবে দিলন্ত পঠাই।
শীঘ্রে আসন্তোক ৰঘুদেৱ ভতিজাই ॥ ৬২৮

দূতে গিয়া কহিলন্ত ৰাজাৰ আদেশ।
শীঘ্রে যাইতে আজ্ঞা কৰি আছন্ত বিশেষ ॥
চলিয়োক মহাৰাজা বিলম্ব নকৰি।
তোমাক নেদেখি ৰাজা আছে কষ্ট কৰি ॥ ৬২৯

শয়নে ভোজনে এৰিলন্ত অন্নপানী।
শীঘ্রে উঠা মহাৰাজা ৰাজ আজ্ঞা মানি ॥
ৰঘুদেৱে বোলে দূত বাক্য শুনিয়োক।
মোক লাগি জেঠা দেৱ চিন্তা এৰন্তোক ॥ ৬৩০

ৰান্ধিলো নগৰ এথা মাটি ভাল পাই।
ৰেহাৰক লাগি মঞি নাযাইবো দুনাই ॥
নাহি অপমান জ্যেষ্ঠ পিতৃৰ চৰণে।
আহিলোহোঁ মঞি ফুঢ়া খাইবাৰ কাৰণে ॥ ৬৩১

ভাল মাটি দেখি এথা নগৰ:ৰান্ধিলোঁ।
নাহি অপমান মঞি আপুনি ৰহিলোঁ ॥
ইখনি নগৰ জ্যেষ্ঠ পিতৃৰ নিচয়।
সিখান আমাৰ আত নাহিকে সংশয় ॥ ৬৩২

ৰঘুদেৱৰদ্বাৰা কটকী বিদায়
এহি কথা কৈবা জ্যেষ্ঠ পিতৃৰ আগত।
মোক লাগি ক্রোদ্ধ নকৰয় যেন মত ॥

এহি বুলি কটকীক বিদায় দিলন্ত।
বীৰ মাটি চাহিবাক আজ্ঞা কৰিলন্ত ॥ ৬৩৩

ৰাজাৰ আদেশে দূতে দশো দিশে গৈলা।
যৈতে আছে বীৰ মাটি বিচাৰিবে লৈলা ॥
এক ডাল ঘিলা গাছ আছে অৰণ্যত।
প্রজটি আছয় সিতো অনেক বৃক্ষত ॥ ৬৩৪

তাহাৰ তলত এক মেণ্ডেপি আছন্ত।
সম্পর্ক ধৰিয়া অৰ্দ্ধখান গিলিছন্ত ॥
দেখিয়া কহিলা দূতে ৰাজাৰ আগত।
বোলে বীৰ মাটি পাইলোঁ শাস্ত্রৰ সন্মত ॥ ৬৩৫

নগৰ নির্মাণ কৰিবলৈ ৰঘুদেৱৰ নির্দেশ
শুনি নৃপতিৰ ভৈলা আনন্দ বিস্তৰ।
বোলে এতিক্ষণে এথা সজায়ো নগৰ ॥
প্রথমতে দূতে যাই গর্ত খানিলন্ত।
পুন্থু পুতিলাতো অৰ্দ্ধ মাটি ৰহিলন্ত ॥ ৬৩৬

ভাল পাই তেতিক্ষণে নগৰ সজাই।
ৰাজাৰ আগত দূতে কহিলন্ত যাই ॥
নগৰ নির্মাণ
হেন শুনি নৃপতিৰ মহাৰঙ্গ ভৈলা।
ঘিলাজয়পুৰ নগৰৰ নাম থৈলা ॥ ৬৩৭

ফাল্গুন মাসত পূর্বফল্গুনী ঋক্ষত।
মঙ্গল পূর্বকে ৰাজা ভৈলা গৃহাগত ॥
আত অনন্তৰে নৱনাৰায়ণ ৰাজা।
ছপাই আনিলা আপুনাৰ যত প্রজা ॥ ৬৩৮

ৰঘুদেৱক ধৰি আনিবলৈ কাৰ্জিৰ প্ৰতি নৱনাৰায়ণৰ নিৰ্দেশ

কাৰ্জিক সম্বুদ্ধি ৰাজা বুলিলা বচন।
যুদ্ধৰ সম্ভাৰে তঞি চল এতিক্ষণ ॥
মাতি ৰঘুদেৱক আনিয়ো শীঘ্ৰ কৰি।
নাসে যদি ধৰি আনিবিহি বন্দী কৰি ॥ ৬৩৯

আজ্ঞা শুনি পাৰ কাৰ্জি গৈলা তেতিক্ষণ।
সঙ্গত চলিলা অসংখ্যাত লোক জন ॥
ৰঘুদেৱ ৰাজাৰ নগৰ পাইলা যাই।
কহিলন্ত জ্যেষ্ঠ পিতৃৰ আজ্ঞাক শুনাই ॥ ৬৪০

বোলে শীঘ্ৰে আসন্তোক পুত্ৰ ৰঘুদেৱ।
তান্তপৰে মোৰ প্ৰিয়তম নাহি কেৱ ॥
যদিবা মোহোৰ থানে নাহে শীঘ্ৰ কৰি।
তেবে তাঙ্ক ধৰি আনিবাহা বন্দী কৰি ॥ ৬৪১

কাৰ্জিৰ পৰাজয়

ৰঘুদেৱে বোলে কৰি পিতৃৰ আগত।
সিঠাইক নাযাওঁ ৰৈলোঁ এহি নগৰত ॥
হেন শুনি পাৰ কাৰ্জি নগৰ বেঢ়িলা।
ক্ৰোধ কৰি ৰঘুদেৱে তাঙ্ক যুদ্ধ দিলা ॥ ৬৪২

ৰণ ভঙ্গে সৈন্য সব পলাইলা লৱৰি।
ৰণত কাৰ্জিক বলে ৰাখিলন্ত ধৰি ॥
ৰঘুদেৱে বোলে কাৰ্জি আজি পাইলি কেন।
কাৰ্জি বোলে মঞি পাৰ তুমি বড়ি সেন ॥ ৬৪৩

সিংহৰ আগত কিবা মুষকৰ টাই।
তোমাৰ আমাৰ ভৈলা তেনয় পৰাই ॥

কাৰ্জিৰ মুক্তি

শুনি ৰঘুদেৱৰ আনন্দ ভৈলা মন।
খুৱাই ধুৱাই বণ্টা দি পঠাইলা তেতিক্ষণ ॥ ৬৪৪

প্ৰাৰ্থনীয় পত্ৰ দিলা ৰাজাক লাগিয়া।
প্ৰণতি পূৰ্বকে সৰ্ব দোষক মাগিয়া ॥
পত্ৰ লৈয়া পাৰ কাৰ্জি তেতিক্ষণে গৈলা।
নৃপতিৰ আগে বাৰ্তা সবে খানি কৈলা ॥ ৬৪৫

ৰঘুদেৱৰ প্ৰতি নৱনাৰায়ণৰ উদাৰতা

শুনি আনন্দিত ভৈলা নৱনাৰায়ণ।
ভাতৃ তনয়ক কৰিলন্ত প্ৰশংসন ॥
কষ্ট মন এৰি ভৈলা আনন্দ হৃদয়।
বোলে শুনিয়োক মোৰ পাত্ৰ মন্ত্ৰীচয় ॥ ৬৪৬

পুত্ৰবধূ সমস্তক আন উলিয়াই।
থৈয়ো নিয়া যথা আছে ৰঘুদেৱ ৰাই ॥
ভণ্ডাৰৰ ধন ৰত্ন বস্ত্ৰ অলঙ্কাৰ।
ভোজনক লাগি দ্ৰব্য দিয়োক অপাৰ ॥ ৬৪৭

হস্তী ঘোড়া বৃষভ মহিষ দাসী দাস।
পঠায়ো সবাকে ৰঘু নৃপতিৰ পাশ ॥
ৰাজাৰ আদেশ শুনি পাত্ৰ মন্ত্ৰীগণ।
ছয় কুড়ি মহাদৈক আনি তেতিক্ষণ ॥ ৬৪৮

দাস দাসী অসংখ্যাত বস্ত্ৰ অলঙ্কাৰ।
চতুৰঙ্গে দলে সৈন্য চলিল অপাৰ ॥
সুৱৰ্ণ ৰজত হীৰা মণি মৰকত।
দিলা আনো ৰত্ন পুত্ৰবধূৰ লগত ॥ ৬৪৯

ভণ্ডাৰে সহিতে ধান্য তণ্ডুল দিলন্ত।
তৈল্য লোন ভক্ষ্য ভোজ্য সবাকে নিলন্ত॥
ৰণৰ সম্ভাৰ যত অস্ত্র শস্ত্রচয়।
সবাকে লৈলন্ত পাত্র মন্ত্রী সমস্তয়॥ ৬৫০

সৈন্যৰ গিৰত টলবল বসুন্ধৰী।
কতিপয় দিনে পাইলা বিজয় নগৰী॥
ৰঘুদেৱ আগে গৈয়া ভৈলা উপসন্ন।
নমস্কাৰ কৰিলন্ত পাত্র মন্ত্রিগণ॥ ৬৫১

ৰাজাৰ আদেশ যত সমস্ত কৈলন্ত।
শুনি ৰঘুদেৱ ৰাজা আনন্দ ভৈলন্ত॥
ভার্য্যা সমস্তক তবে গৃহাগত কৈলা।
দ্রব্য সব ভাগে ভাগে ভণ্ডাৰত থৈলা॥ ৬৫২

সৈন্য সমস্তক তবে কৰাইলা ভোজন।
মন্ত্রী সমস্তক দিলা বসন ভূষণ॥
যতেক উৎসৱ ভৈলা আদি অন্ত নাই।
মন্ত্রী সকলক পাচে দিলন্ত বিদাই॥ ৬৫৩

ৰঘুদেৱৰ বাহিৰ-বন্ধ ৰাজ্য আক্রমণ

চৈত্র যে বৈশাখ জ্যৈষ্ঠ তিনি মাস গৈলা।
বান পানী আসি সবে ৰাজ্যক বুৰাইলা॥
নৌকাক সজাই পাচে ৰঘুদেৱ ৰাই।
বাহিৰবন্ধ ৰাজ্য মাৰি আনিলেক যাই॥ ৬৫৪

সেই বার্তা পাচে নৰনাৰায়ণে পাইলা।
সৈন্যে সমন্বিতে ধৰি নিবে লাগি আইলা॥

চৰ মুখে এহি বার্তা ৰঘুদেৱে পাই।
পাত্র মন্ত্রী সমস্তক আনিলা চপাই॥ ৬৫৫

বোলে মন্ত্রীসব মোৰ মিলিল অসুখ।
কোন জনে হৈব জ্যেষ্ঠ পিতৃৰ সমুখ॥
কি কার্য্য কৰি এহি দিয়োক যুগুতি।
এহি বুলি সবাহাতে পুছিলা নৃপতি॥ ৬৫৬

মন্ত্রিগণে বোলে আমি নেদেখা উপাই।
যেহি লাগে তাকে কৰা আপোন ইচ্ছাই॥
আত অনন্তৰে ৰাজা নৰনাৰায়ণ।
তামুটনি গ্রামে থাকি কৰিলা ভোজন॥ ৬৫৭

বীৰো কার্জি দূতক পঠাইলা মহাৰাই।
কিমত ৰণুৱা আসন্তোক মোৰ ঠাই॥
পাচে বীৰো কার্জি ৰঘুদেৱত জনাইলা।
যেন মতে জ্যেষ্ঠ পিতৃ বুলিয়া পঠাইলা॥ ৬৫৮

ৰঘুদেৱৰ ভার্যা-সকল ৰণভূমিলৈ নিবলৈ কার্জিৰ মন্ত্রণাদান

ৰঘুদেৱে বোলে কার্জি কি হৈবে উপাই।
কেন মতে জ্যেষ্ঠ পিতৃ নিবর্তিয়া যাই॥
কার্জি বোলে মহাৰাজা এক বাক্য ধৰা।
তযু ভার্য্যা সকলক নিয়া আগ কৰা॥ ৬৫৯

যুদ্ধ কাচে কাচি ঘোড়ে চৰি অশোৱাৰ।
নৃপতিৰ আগে সবে দেউক পটোৱাৰ॥
পাচে মঞি নৃপতিত কহিবো বুজাই।
যেন মতে ৰাজা নগৰক ফিৰি যাই॥ ৬৬০

হেন শুনি ৰঘুদেৱ ৰঙ্গ ভৈলা মন।
কার্জিক বিদায় দিলা কৰি প্রশংসন ॥
ভার্য্যা সকলক তেবে অনাইলা মতাই।
জামা পাগ ইজাৰ পিন্ধাইলা ভাল চাই ॥ ৬৬১

খাণ্ডা বাৰু হাতে দিয়া তুলি ঘোটকত।
বোলে জ্যেষ্ঠ পিতৃ আগে হৌক উপগত ॥
এহি বুলি আদেশ কৰিলা মহাৰাই।
যুদ্ধ কাচে ভার্য্যা সব আসিলা ওলাই ॥ ৬৬২

নৰনাৰায়ণ আগে দিলা পাটোৱাৰ।
কার্জিক সম্বুদ্ধি ৰাজা সোধে বাৰম্বাৰ ॥
অলপ বয়স দেখোঁ দাড়ি গজা নাই।
কমন চিপাহী আসি আছে মোৰ ঠাই ॥ ৬৬৩

কার্জিবোলে মহাৰাজ আন কিছো নাই।
তোমাৰেসে পুত্রবধূ আইল ইতো ঠাই ॥
ৰঘুদেৱে বোলে মোৰ নাহিকে বিৰতু।
জ্যেষ্ঠ পিতৃ আইল যুদ্ধ কৰিবাৰ হেতু ॥ ৬৬৪

মোহোৰ নাহিকে শক্তি পিতৃৰ কাৰণে।
যুদ্ধক চলোক ভার্য্যা সব এতিক্ষণে ॥
এহি বুলি ভার্য্যাগণ দিয়াছে পঠাই।
যেহিতো উচিত তাকে কৰা মহাৰাই ॥ ৬৬৫

ৰাজা বোলে বিষ্ণু বিষ্ণু বিষ্ণু ৰাম হৰি।
পুত্রবধূ সকলক যুঝো কেন কৰি ॥

এহিবুলি সোণোৱালী বস্ত্র আনিলন্ত।
আৰোবান কৰি তাসম্বাক ঢাকিলন্ত ॥ ৬৬৬

নৰনাৰায়ণ আৰু ৰঘুদেৱৰ ৰাজ্যৰ সীমা নির্ধাৰণ

তাৰা সকলক লাগি দূত পঠাইলেক।
পুত্রবধূগণ মোৰ চলোক গৃহক ॥
নকৰোহো ৰণ মঞি বলে পাৰি আন্টি।
সোণকোষ সীমা কৰি দিলোঁ ৰাজ্য বান্টি ॥ ৬৬৭

পচিম দেশৰ ৰাজা লক্ষ্মীনাৰায়ণ।
পূবদিশে ৰঘুদেৱে কৰোক ভোজন ॥
সীমাক আগ্রহি যিটো অন্যায় কৰয়।
তাৰ ছত্রভঙ্গ হৈবে নাহিকে সংশয় ॥ ৬৬৮

ৰঘুদেৱ আগে এহি কথা কৈবা যাই।
এহি বুলি ধান-চাউল থৈলেক দমাই ॥
বেহাৰক গৈলা নৰনাৰায়ণ ৰাই।
ৰঘুদেৱ ৰৈলা বড়নগৰ সোমাই ॥ ৬৬৯

মৃগয়াৰ বাবে ৰঘুদেৱৰ মণিকূটলৈ যাত্রা

আত অনন্তৰে কথা শুনা মহামতি।
ৰঘুদেৱ গৈলা মৃগ মাৰিবাক প্রতি ॥
মণিকুট গ্রামে তবে ভৈলা উপসন।
সৰোবৰ আছে এক পৰম গহন ॥ ৬৭০

ওপৰত পিট পৰি আছে নিৰন্তৰে।
তথাকে আসিলা ব্যাঘ্র জল ভুঞ্জিবাৰে ॥
জলতে আছয় ভয়ঙ্কৰ কুর্ম এক।
ব্যাঘ্রৰ চৰণে কামুৰিয়া ধৰিলেক ॥ ৬৭১

ব্যাঘ্রৰ গর্জনে পৃথী কবে টলবল।
মহাভয় ভৈলা তবে মনুষ্য সকল ॥
ৰাজা বোলে বাঘৰ গর্জনি শুনো কেন।
বিচাৰি আশোক ব্যাঘ্রে কৰি আছে যেন ॥ ৬৭২

ৰাজাৰ আদেশ শুনি সৈন্য নিবন্তৰ।
জাঠি জোঙ্গ খাণ্ডা বাৰু লৈলন্ত খাপৰ ॥
সৈন্যগণে বিচাৰিয়া দেখিলেক পাচে।
বাঘক কচ্ছপে কামুৰিয়া ধৰি আছে ॥ ৬৭৩

দেখিয়া ৰাজাত সৈন্যে কহিলেক যাই।
ধৰিছে কচ্ছপে ব্যাঘ্র আন কিছো নাই ॥
ৰাজা বোলে হানি খুচি সবে গৈয়া মাৰ।
ৰাজাৰ আদেশে সৈন্য গৈলা পুনর্বাৰ ॥ ৬৭৪

সবে সৈন্যে হানি শার্দূলক মাৰিলন্ত।
জীৱন্ততে বেঢ়ি কচ্ছপকো ধৰিলন্ত ॥
ব্যাঘ্র ভৈলা অষ্টাদশ মুনিষৰ কোঢ়া।
কচ্ছপো ভৈলেক সেই অষ্টাদশ জোৰা ॥ ৬৭৫

দেখিয়া ৰাজাৰ মনে পৰম বিস্ময়।
বোলে এহি বীৰ মাটি নাহিকে সংশয় ॥
বোলে আত পৰম ঈশ্বৰ স্থান আছে।
এহি বুলি ৰাজা বিচাৰিবে লৈলা পাচে ॥ ৬৭৬

ঝাৰবন পর্বত পাহাৰ বিচাৰিলা।
তথাতে পঞ্চম তীর্থ আপুনি দেখিলা ॥

তীর্থৰ সন্ধান

মণিকূট গণেশ্বৰ কেদাৰ কমল।
গোকর্ণ অপূর্ণভৱ গৰুড় অচল ॥ ৬৭৭

কামেশ্বৰ বাৰাহৰ কুণ্ড ভয়ঙ্কৰ।
এহি সব তীর্থক দেখিলা নিবন্তৰ ॥
মণিকূট মঠ পূর্বে শিলাৰ আছিলা।
পাপিষ্ঠ যবনে আসি তাহাক ভাঙ্গিলা ॥ ৬৭৮

তাহান গহ্বৰে মাধৱক দেখিলন্ত।
ৰৰকাথ সুমৰুৰ-দ্বাৰা মঠ নির্মাণ
তাঙ্ক দেখি ৰঘুদেৱে আনন্দ ভৈলন্ত ॥
বড়কাথ সুমৰুক বুলিলা বচন।
শীঘ্র কৰি মঠ আত কৰ নিবন্ধন ॥ ৬৭৯

মৌচিলৰ ধন যত লাগে মানে দিলা।
পাইক সিক শিলাকুটি কুমাৰ আনিলা ॥
আজ্ঞা কৰি ৰঘুদেৱ নিজ ঘৰে গৈলা।
পাচে বড়কাথে মঠ বান্ধিবাক লৈলা ॥ ৬৮০

ছয় মাসে মঠ তবে থৈলেক সজাই।
নৃপতিৰ আগে বার্তা জনাইলেক যাই ॥
শুনি নৃপতিৰ মনে আনন্দ অপাৰ।
ধন ৰত্ন দিলা আনি অসংখ্য হাজাৰ ॥ ৬৮১

ব্রাহ্মণ গণক তাঁতী সোণাৰী কমাৰ।
তেলী মালী ধোৱা বাঢ়ৈ কুমাৰ কঁহাৰ ॥
নাপিত গায়ন ব্যাস আদি যত যত।
তাম্রফলি কৰি দিলা পাইক সপ্তশত ॥ ৬৮২

তাম্র কাংস্য সুৱর্ণাদি ৰজত ভাজন।
মাল্য বস্ত্র চন্দ্রতাপ অনেক বাজন॥
অখণ্ড প্রদীপ দিলা কৰিয়া বিশেষ।
মঠক উৎসর্গা কৰি দিলন্ত নিশেষ। ৬৮৩

অনেক দক্ষিণা দিলা লেখা জোখা নাই।
বিজয়পুৰত ৰৈল ৰঘুদেৱ ৰাই॥
আনন্দে উৎসৱে তৈতে আছে কতো দিন।
পুত্রসব উপজিল সবে বাজ চিন॥ ৬৮৪

বিজয় নগৰৰ বর্ণনা

অমৱাৱতী সম পুৰী বিজয় নগৰী।
অনেক নৃপতিগণে থাকে সেৱা কৰি॥
সুৱর্ণ ৰজত আদি দিয়ে কৰভাব।
সেহি ধন বত্নে ভৈলা অসংখ্য ভণ্ডাৰ॥ ৬৮৫

পুৰাণ ভাৰত ভাগৱত শুনন্ত।
কতো শ্লোক ভাঙ্গি কতো পদ কৰাৱন্ত॥
ধর্মেসে প্রবর্তে অধর্মত মতি নাই।
স্বধর্মে পালিয়া থাকে লোক প্রৱর্তাই॥ ৬৮৬

প্রতিদিনে বিপ্র বৈষ্ণৱক কৰে দান।
অৱশেষ ধন বত্ন পোতে থানে থান॥
খান্দাপোতা পাইক হস্তী মাউতক মাৰন্ত।
গদাধৰ ভণ্ডাৰীসে কেৱলে জানন্ত॥ ৬৮৭

তিনি কোটি ধন পুতি খটখটী তলে।
আপদত এহি ধন দেখাইবি একলে॥

যিতো জন হোৱে ধর্মৱন্ত বুদ্ধিমন্ত।
অর্থক আর্জিয়া ছয় ভাগ কৰিৱন্ত॥ ৬৮৮

ভাগেক দেৱৰ ঋষি অর্থে এক ভাগ।
আৱৰ ভাগক কৰিৱন্ত পিতৃ যাগ॥
এক ভাগ আপোনাৰ পুত্রৰ ভাগেক।
বিপদৰ অর্থে এক ভাগ পুতিবেক॥ ৬৮৯

যাৰ যেহি ভাগ হোৱে পাৱে সেহি ভাগ।
অন্যথা কৰিলে মহা পাপে পাৱে লাগ॥
আনন্দে উৎসৱে ৰাজা আছে কতো দিন।
পুত্র সব উপজিল সবে বাজ চিন॥ ৬৯০

পৰীক্ষিতৰ জন্ম

সবাহানে শ্রেষ্ঠ ভার্য্যা আতি সুচৰিত।
তাহান্তে জন্মিলা বড়পুত্র পৰীক্ষিত॥
অনেক ভার্য্যাৰ ভৈলা আনো যত যত।
তাসম্বাৰ নাম কহোঁ কৰিয়া বেকত॥ ৬৯১

ইন্দুনাৰায়ণ যদুৰায় ভৱসিংহ।
মুকুন্দ মঙ্গল বলিনাৰাণ ৰীৰিঙ্গ॥
মানসিংহ নামে যিতো অতি বলি বৰ।
থুলন্তৰ কায় সিতো পৰম সুন্দৰ॥ ৬৯২

মহীন্দ্র সুন্দৰ নাৰায়ণ ময়দান।
ৰামচন্দ্র বৃষকেতু বিশিষ্ট প্রধান॥
হেমনাৰায়ণ মধুনাৰাণ অনন্ত।
প্রতাপ বিজয়সিংহ মহাবলৱন্ত। ৬৯৩

এই অষ্টাদশ পুত্র পৰম প্রধান।
কুমাৰীয়ো আছিলেক দুই চাৰি মান॥
ৰাজ্য ভোগ কৰিলন্ত বত্রিশ বৎসৰ।
আনন্দ কৰিয়া থাকে পুত্র নিৰন্তৰ॥ ৬৯৪

বিদেশৰ পৰা এক সন্ন্যাসী আসিলা।
অতিথি স্বৰূপে আসি নগৰে ৰহিলা॥
সেহি সন্ন্যাসীৰ লগ লৈলা পৰীক্ষিত।
তাক দেখি নৃপতিৰ ভৈল কষ্ট চিত॥ ৬৯৫

ৰাজা বোলে পুত্র সব মোৰ বাক্য ধৰ।
কুমন্ত্রিনি সন্ন্যাসীৰ সঙ্গ পৰিহৰ॥
এহিকথা সন্ন্যাসীয়ে চৰ মুখে শুনি।
নৃপতিক বধিবাক ৰৈলা মনে গুণি॥ ৬৯৬

এক দিনা শৌচ কৰিবাক গৈলা।
সেহি বেলা সন্ন্যাসীয়ে দৈত্যক পঠাইলা॥
দৈত্য সমে নৃপতিৰ যুদ্ধ লাগিলন্ত।
দুইহানো আন্দোল চৰগণে শুনিলন্ত॥ ৬৯৭

ৰঘুদেৱৰ মৃত্যু

পৰম বলিষ্ঠ দৈত্যে ৰাজাক বধিলা।
চৰগণে গৈয়া পাচে ৰাজাক দেখিলা॥
আঘ্রাণ মাসত শুক্লা পূর্ণিমা তিথিত।
প্রাণ ত্যাগি ৰাজা ৰৈল কৈলাসপুৰীত॥ ৬৯৮

ক'থিত শিথান দিয়া ৰাজা আছে মৰি।
কান্দিবে লাগিলা সবে আর্তনাদ কৰি॥

ক্রন্দনৰ উর্মী উথলিল মহাৰোল।
পূর্ণিমা দিৱসে হেন সাগৰ কল্লোল॥ ৬৯৯

পত্নীসকলৰ ক্রন্দন

ছয় কুড়ি মহাদই পুত্রগণ যত।
অচেতন ভৈলা সবে ৰাজাৰ শোকত॥
কতো বেলি অনন্তৰে গারে শ্রুতি পাই।
কান্দিবে লাগিলা গুণ বর্ণাই বর্ণাই॥ ৭০০

হা হা কৈক গৈলা মহাৰাজা ধর্মৱন্ত।
আজি ধৰি আমাৰ সুখৰ ভৈল অন্ত॥
আমাসাক কোনে কৰিবেক প্রতিপাল।
কপটে বঞ্চিলা জানো বিধাতা বিষাল॥ ৭০১

নিজ দেশে সন্ন্যাসীয়ো গৈলেক পলাই।
পাত্র মন্ত্রী পুৰোহিত ভৈলা এক ঠাই॥
দোলে তুলি জ্ঞাতিগণে নদীতীৰে নিলা।
অগুরু চন্দন ঘৃতে সংস্কাৰ কৰিলা॥ ৭০২

ৰঘুদেৱৰ প্রেত কার্যাদি সম্পাদন

শ্বেত চন্দ্রতাপ তান আৰিলা উপৰে।
থানক বিশিষ্ট কৰি থৈলা অনন্তৰে॥
দশপিণ্ড দান কৰিলন্ত দশ দিনে।
মহামহোৎসৱ কৰাইলন্ত ভিনে ভিনে॥ ৭০৩

সন্তোষ কৰাইলা জ্ঞাতি ব্রাহ্মণ গণক।
বিলাইলন্ত অসংখ্যাত ধনক ৰত্নক॥
মাসেক অন্তৰে দানসাগৰ কৰিলা।
ৰৈষ্ণৱ সবক মনোনীত দান দিলা॥ ৭০৪

ধন ৰত্ন ভাঙ্গি বৃষোৎসর্গ কৰাইলন্ত ।
যতেক দক্ষিণা দিলা নাহি আদি অন্ত ॥
দুখী ভিক্ষু দেশান্তৰী সবাকে তুষিলা ।
অদৰিদ্র কৰি সমস্তকে দান দিলা ॥ ৭০৫

জ্ঞাতি সকলক তবে দিলা অন্ন জল ।
সন্তোষ কৰাইলা যত গায়ন সকল ॥
এহি মতে কর্ম কৰাইলন্ত সমর্পণ ।
এক ঠাই ভৈলা সবে পাত্র মন্ত্রিগণ ॥ ৭০৬

পিতৃৰ বচনে কিছো অপমান পাই ।
প্রাগ্‌জোতিষপুৰে গৈলা পৰীক্ষিত ৰাই ॥
কতিপয় দিন আছে নীল পর্বতত ।
কামাখ্যাক সেবি থাকে তিনি প্রসঙ্গত ॥ ৭০৭

এক দৈৱজ্ঞএ গণি পৰীক্ষিত আগে ।
বোলে পৰশুই দিনা ৰাজা হৈবে লাগে ॥
কালিৰ দিনত যদি নাপাৱা নগৰ ।
ৰাজা হৈবে নপাৰিবা বাঢ়য় বৎসৰ ॥ ৭০৮

দুষ্ট সন্ন্যাসীয়ে দেখো দৈত্যক জপাইলা ।
নিষ্টে জানা তব পিতৃ পৰলোক গৈলা ॥
সপ্ত দিন পথ কেন মতে পাইবা যাই ।
নৌকা যান বিনে তযু আন বুদ্ধি নাই ॥ ৭০৯

দৈৱজ্ঞ সহিতে সেহি ৰজনী থাকিলা ।
ঊষাযাত্রা কৰি নিজ নৌকা মেলি দিলা ॥

নিশা চাৰি দণ্ডে পাইলা বিজয় নগৰী ।
মূর্ছিত ৰহিলা তীৰে ৰাইৰাখন পৰি ॥ ৭১০

নগৰীক গৈলা পৰীক্ষিত নাৰায়ণ ।
উভয় শোকত অতি বিষাদিত মন ॥
গুণি গান্থি আপুনিয়ে উপাই এক পাই ।
সপ্তকুড়ি সুন্দৰীক দিলন্ত পঠাই ॥ ৭১১

তেল টেঙ্গা গাৱে ঘষি বিচোক ব্যজনে ।
জীবেক অৱশ্যে মোৰ নাপৰাইচাগণে ॥
হেন শুনি আজ্ঞা বাণী ৰাজাৰ শুনিলা ।
নাৰীগণে গৈয়া সেই চিকিৎসা কৰিলা ॥ ৭১২

বিচন্তে বিচন্তে আসিলেক ধাতু প্রাণ ।
তিনি পৰ নিশাত লভিলা তবে জ্ঞান ॥
এহি বার্তা পৰীক্ষিত আগে কৈলা যাই ।
শুনিয়া পায়স তবে দিলন্ত পঠাই ॥ ৭১৩

পায়স ভুঞ্জিয়া খাইল সুগন্ধিত জল ।
নাৰী সঙ্গে নিদ্রা গৈয়া থাকিল সকল ॥
প্রহৰেক বেলা ভৈলে নিদ্রাৰ জাগিলা ।
গাৱে গাৱে সেহি নাৰী ভার্য্যা কৰি দিলা ॥ ৭১৪

পৰীক্ষিতৰ অভিষেক

সেহি দৈৱজ্ঞএ দিলে ক্ষণ লগ্ন চাই ।
সমস্ত তীর্থৰ জল কৰি এক ঠাই ॥
মাঙ্গল্যৰ দ্রবে দূতগণে চপাইলেক ।
বেদৰ বিহিত কৰিলেক অভিষেক ॥ ৭১৫

বেদধ্বনি কৰি বিপ্রে আশীর্বাদ দিলা।
বাদ্যৰ বাদনে দিশ বিদিশ পূৰিলা॥
নর্তকীয়ে নাচন্তে গায়নে গায়ে গীত।
সমস্তকে ৰাজা বিলাইলন্ত ধন বিত॥ ৭১৬

সহশ্র দন্তাল হস্তী অতি ময়মত্ত।
হস্তিনী ততেক থাকে তাহাৰ লগত॥
যতেক ঘোটক সৈন্য লেখা কৈবো কত।
অমাৱতী পুৰে পুৰন্দৰ যেন মত॥ ৭১৭

পিতৃৰ ভণ্ডাৰ ৰাজা কৰিলা বিচাৰ।
নাহিকন্ত দেখি ধন ক্রোধিলা বিস্তৰ॥
গদাধৰ চলিয়াক বুলিলা বচন।
পিতৃৰ ভণ্ডাৰে কেনে নাহিকন্ত ধন॥ ৭১৮

গদাধৰে বোলে শুনিয়োক নৰেশ্বৰ।
ৰাজ্যৰ উপৰে তুমি হুয়াছা ঈশ্বৰ॥
দেশ ৰাজ্য লক্ষ্মী ধন বস্ত্র অলঙ্কাৰ।
তাক পাই কেনে ধন কৰিছা বিচাৰ॥ ৭১৯

ৰাজা বোলে পিতৃৰ আর্জিত পুত্রে পাই।
কমনে বাধিছা তঞি বিত্ত বিহৰাই॥
গদাধৰে বোলে তুমি বুজন নির্গত।
লাগিল তোমাৰ লোভ পিতৃৰ ধনত॥ ৭২০

পিতৃৰেসে ৰাজ্যভাৰ পায়াছা নিচয়।
কৈত আছে ধন বিত নজানোহো মঞি॥

হেন শুনি নৃপতিৰ ক্রোধ উপজিলা॥
গদাধৰ ভণ্ডাৰীক তচিল কৰিলা॥ ৭২১

এহি মতে শাস্তি কৰিলেক ৰৰিষেক।
তথাপিতো ৰাজ বিশ্বাসক নকৈলেক॥
পুনর্বাৰ নৰপতি ক্রোধত জানিলা।
কমাৰ অনায়া পাচে কোড় তাৱা দিলা॥ ৭২২

তথাপিতো নাভাঙ্গিলা বিশ্বাস ৰাজাৰ।
নাজানো নাজানো মাত্র বোলে বাৰম্বাৰ॥
নকৈবাৰ দেখি পুনু নিহল মেলিলা।
দুকুড়ি দন্তাল হস্তী গৃহে লাগি দিলা॥ ৭২৩

বোলে ধানে মাষে হস্তীসব পুষি থাক।
ক্ষীণ ভৈলে হস্তী পাচে কাটিবো তোমাক॥
হেন শুনি গদাধৰে নমস্কাৰ কৈলা।
হস্তী লৈয়া আপুনাৰ গৃহে চলি গৈলা॥ ৭২৪

ছয় মাস মান পুষিলেক মাষে ধানে।
ধুকাইলেক ধন ৰত্ন আছিলেক মানে॥
আৰু ছয় মাস পুষিলেক কৰি ধাৰ।
বর্ষ পূর্ণ ভৈলে ৰাজা আসি পুনর্বাৰ॥ ৭২৫

কৈত আছে ধন বুলি পুনু সুধিলন্ত।
তথাপিতো ৰাজ বিশ্বাসক নকৈলন্ত॥
নকৈবাক দেখি ক্রোধ জলিল ৰাজাৰ।
বোলে কাণ্ডিয়াই মাৰো নকৰোঁ বিচাৰ॥ ৭২৬

এহি বুলি কাণ্ড আনি ধনুত জুৰিলা।
গদাধৰে বাগীশক বুলিবে লাগিলা॥
শুনিলা বাগীশ তুমি পৰম পণ্ডিত।
বেদ চাই কহা কৰো বিশ্বাস খণ্ডিত॥ ৭২৭

হেন শুনি বাগীশে সুমৰে ধর্ম ধর্ম।
বিশ্বাস খণ্ডন যিতো গৰিহিত কর্ম॥
ৰাজাত বুজাইলা বেদ বেদাঙ্গ দেখাই।
শুনি কাণ্ড সামৰিলা পৰীক্ষিত বাই॥ ৭২৮

নিহাল চোৰায়া ক্ষৌৰ কর্ম কৰাইলন্ত।
লগত ৰাখিয়া দায়া কৰিলা অত্যন্ত॥
হস্তীক পোষন্তে যত খৰচ কৰিলা।
বুজি এক লক্ষ ধন ভণ্ডাৰৰ দিলা॥ ৭২৯

প্রাগ্‌জ্যোতিষপুৰে পাচে কৰিলা গমন।
পূণ্য ভূমি দেখি তথা নিমজিলা মন॥
সাজিলা নগৰ লৌহিত্যৰ উত্তৰত।
পৰম সুন্দৰ অশ্বতীর্থ সমীপত॥ ৭৩০

ভার্য্যা পুত্র সমে তৈতে, কতো দিন ৰৈলা।
অসংখ্য বন্দুক সাজি নগৰত থৈলা॥
বৰ বৰ হিলেই থানে থানে থৈলা পাচে।
পাণ্ডুনাথ শৰাইত অদ্যাপিও আছে॥ ৭৩১

দৈৱজ্ঞ আনিয়া শুভ খেণ লগ্ন চাই।
দণ্ডে পাটে ৰাজা ভৈলা পৰীক্ষিত বাই॥

তান নামে সুৱর্ণৰ মোহৰ মাৰিলা।
পৰম প্রবল সিতো প্রচণ্ডে ৰহিলা॥ ৭৩২

চতুর্দশ কুড়ি হস্তী ভৈলা ময়মত্ত।
হস্তিনী ততেক আছে হস্তীৰ লগত॥
ৰাজ্য প্রতিপাল কৰি কতো দিন আছে।
গ্রীষ্মকালে বান পানী উঠিলন্ত পাচে॥ ৭৩৩

নৌকাত উঠিয়া বাহিৰবন্ধ মাৰিলা।
সত সর্বস গৰু মানুষ আনিলা॥
সেহি কথা শুনিলন্ত লক্ষ্মীনাৰায়ণ।
বোলে পূর্বে পিতৃ ৰাজ্য কৰি বিভাগণ॥ ৭৩৪

লক্ষ্মীনাৰায়ণ আৰু পৰীক্ষিত-নাৰায়ণৰ যুদ্ধ, লক্ষ্মানাৰায়ণৰ পৰাজয়

সোণকোষ পূর্ব ভাগে তাসম্বাক দিলা।
পচিমৰ ভাগ ৰাজ্য আমাত অর্পিলা॥
সি হৰে ভতিজা মোৰ পিতৃ হওঁ তাৰ।
কি কাৰণে মোৰ ৰাজ্য কৰে বুন্দামাৰ॥ ৭৩৫

এহি বুলি মনে গুণি গৃহত ৰহিলা।
মাঘ ফাগুনত ঘোৰ যুদ্ধ আৰম্ভিলা॥
পৰীক্ষিত সমে যুদ্ধ লাগিলেক যাই।
যতেক মৰিল সৈন্য লেখা জোখা নাই॥ ৭৩৬

পাচে লক্ষ্মীনাৰায়ণে ৰণে ভঙ্গ ভৈলা।
সীমাক এৰিয়া আপোনাৰ দেশে গৈলা।
সৈন্যৰ মোহলা কৰি লেখি চাহিলন্ত।
বোলে মোৰ ভাতৃ কিবা হেতু নাহিকন্ত॥ ৭৩৭

লোকে বোলে তযু ভাতৃ ৰণে পৰিলন্ত ।
শুনি লক্ষ্মীনাৰায়ণে মুৰ্ছিত ভৈলন্ত ॥
শ্রুতি পায়া ক্রন্দন কৰিলা বিপৰীত ।
শোকৰ উৰ্মিত কতো দগ্ধ হোৱে চিত ॥ ৭৩৮

হস্তী ঘোড়া সৈন্য পৰিলেক ঠাই ঠাই ।
কৈত খুজি পাইবো বীৰনাৰায়ণ ভাই ॥
এহি বুলি সৈন্য সমে বেহাৰক গৈলা ।
পাত্র মন্ত্রী সমে পাচে আলোচিবে লৈলা ॥ ৭৩৯

বোলে পৰীক্ষিতনাৰায়ণ দুষ্টমতি ।
সমৰত বলে আমি নোৱাৰো সম্প্রতি ॥
পাৎছাক সহায় লৈয়া ফিৰি যুদ্ধ কৰোঁ ।
পৰীক্ষিত নৃপতিক জীৱন্ততে ধৰোঁ ॥ ৭৪০

লক্ষ্মীনাৰায়ণৰ দিল্লীৰ পাৎছাৰ ওচৰলৈ গমন

বন্দী কৰি থৈবো আনি নিহল লগাই ।
তেবেসে মোহোৰ ভাতৃ ঋণ সুজা যাই ॥
আপোনাৰ বহিনীক চৌদোলত লই ।
দিল্লীৰ পাৎছাৰ স্থান তবে পাইলা গই ॥ ৭৪১

দেখিয়া পাৎছাৰ মনে খোচাল লভিলা ।
কি কার্য্যে আসিলা বুলি বাজাত পুছিলা ॥
লক্ষ্মীনাৰায়ণে বোলে মোৰ বৰ চিত্র ।
বহিনীক দিলো তুমি সমে কৰি মিত্র ॥ ৭৪২

মোৰ ভাতৃ পুত্র যিতো পৰীক্ষিত বাজা ।
অন্যায় কৰিয়া মোৰ মাৰিলেক প্রজা ॥

হেন দেখি খেদি গই ৰণে দিলোঁ বীৰ ।
নপাৰিলোঁ ৰণে মৈল ভ্রাতৃ আপুনাৰ ॥ ৭৪৩

কহিলো নিশেষে মোক উপকাৰ কৰা ।
পৰীক্ষিত নৃপতিক জীৱন্ততে ধৰা ॥
শুনিয়া পাৎছাৰ বৰ উপজিল বেথা ।
নৃপতিৰ আগে কহিবাক লৈলা কথা ॥ ৭৪৪

লক্ষ্মীনাৰায়ণক সহায় কৰিবলৈ পাৎছাৰ প্রতিজ্ঞা

তোমাৰ আগত আজি কহোঁ সত্য কৰি ।
পৰীক্ষিত নৃপতিক আনি দিবো ধৰি ॥
শুনিয়া ৰাজাৰ মনে মিলিল উৎসাহ ।
দিলা নিজ ভগিনীক পাৎছাত বিবাহ ॥ ৭৪৫

বহু সৈন্য আনি পাৎছা বুলিলা বচন ।
ৰণক লাগিয়া সবে চল এতিক্ষণ ॥
শুনিয়ো পৰান সুভা আৰু মক্রম খাঁ ।
চর্দাৰ সহিতে সবে ৰণে চলি যাহা ॥ ৭৪৬

পৰীক্ষিত নৃপতিক জীৱন্ততে ধৰি ।
মোহোৰ আগত আনি দেহ বন্দী কৰি ॥
শুনিয়া পাৎছাৰ আজ্ঞা প্রচণ্ড বিশেষ ।
ৰণক লাগিয়া সবে চলিল নিশেষ ॥ ৭৪৭

হয় হস্তী ৰথ শকটত চলি যাই ।
যতেক চিপাহী সৈন্য লেখা জোখা নাই ॥
দিল্লীতে থাকিল তবে লক্ষ্মীনাৰায়ণ ।
পাৎছায়ে সহিতে নিতে কৰি সম্ভাষণ ॥ ৭৪৮

মক্রম খাঁ সব সৈন্যে সোণকোষ পাৰে।
বাহৰ কৰিয়া তৈতে বৈল পটোৱাৰে॥
এহি বার্তা শুনিলন্ত ৰাজা পৰীক্ষিত।
দুর্গাক পূজিবে প্রতি কৰিলন্ত চিত্ত॥ ৭৪৯

দ্রব্য সমে আনি পুৰোহিত ব্রাহ্মণক।
পঠাই দিলন্ত তবে নীল পর্বতক॥
হবিষ্য কৰিয়া বিপ্রে পূজা আৰম্ভিলা।
অনেক বিপ্রক চণ্ডী পঢ়িবাক দিলা॥ ৭৫০

হোম কৰি নীলকণ্ঠ পাঠ কৰাইলন্ত।
জপক লাগিয়া কতো বিপ্রক দিলন্ত॥
এহি মতে বিপ্রে পূজা কৰিবাক লৈলা।
পূর্ণাহুতি দেন্তে মন্ত্র ব্যভিচাৰ ভৈলা॥ ৭৫১

একো মতে শুদ্ধ মন্ত্র নৃপতিৰ নাসে।
যবনৰ জয় হেতু মন্ত্র সব আসে॥
তিনি বাৰ বিষ্ণু স্মৰি উলটে পালটে।
আপোনাৰ জয় হেতু বাক্য নাহি ঘটে॥ ৭৫২

এহি দেখি মন দুস্থে বিপ্র নিৰন্তৰ।
ৰাজাৰ আগত সবে কৈলা পূর্বাপৰ॥
বোলে মহাৰাজা দুর্গা ভৈলন্ত বিমুখ।
ৰণত নহৈবে তযু কিঞ্চিতেকো সুখ॥ ৭৫৩

শুনি ৰাজা অসন্তোষে কৰিলা ক্রন্দন।
পাত্র মন্ত্রী সমন্বিতে কৰি আলোচন॥

বোলে চৰসব যাউক নিশাৰ ভাগত।
কাটিয়া পেলাউক বঙ্গালৰ সৈন্য যত॥ ৭৫৪

নিশাভাগে গৈলা চলি চৰ নিৰন্তৰে।
পন্থ নাপাই ঘুৰি ফুৰে সোণকোষ পাৰে॥
নিশা অৱসানে ফিৰি আসে সৈন্যগণ।
দেখিয়া বঙ্গালে খেদি কৰে ঘোৰ ৰণ॥ ৭৫৫

একো মতে গড় উঠাইবাক নপাৰিলা।
চৰগণে গৈয়া নৃপতিত জান দিলা॥
তাক শুনি নৃপতিৰ বৰ অপমান।
সোণকোষ পাৰে বন্ধাইলন্ত গড়মান॥ ৭৫৬

তথাত ৰহিলা গৈয়া সসৈন্যে সহিতে।
চতুষ্পার্শে বন্দুক পতাইলা ভাল মতে॥
দখিণে পচিমে উত্তৰেও সোণকোষ।
তিনি ফালে নদী গড় দেখন্তে সন্তোষ॥ ৭৫৭

পৰম বিটক ঠাই গড় ভয়ঙ্কৰ।
বঙ্গালেও যুদ্ধ কৰিলন্ত সম্বৎসৰ॥
তথাপিতো গড় উঠাইবাক নপাৰিলা।
দেখিয়া মগলি ফন্দ বঙ্গালে পাতিলা॥ ৭৫৮

নদীৰ উজানে যাই কল কাটিলন্ত।
অসংখ্যাত ভুৰ বান্ধি ভসাই দিলন্ত॥
সেহি ভুৰ দেখিলন্ত ৰাজা পৰীক্ষিত।
বঙ্গাল ভৈলন্ত পাৰ বুলি ভৈলা ভীত॥ ৭৫৯

বঙ্গালে মাৰিব মোৰ নগৰক যাই।
আমি এথা থাকি কাৰ উৰুৱাইবো ছাই॥
এলি বুলি গড় এৰি নগৰক গৈলা।
দেখি বঙ্গালৰ মনে আনন্দিত ভৈলা॥ ৭৬০

বোলে ব্ৰাহ্মা কেনে মন্ত্ৰণাৰ খুব।
বেঢ়িয়া বঙ্গালে বোলে জয় জয় শুভ॥
হাস্য কৰি সৈন্যসব পাৰ কৰি দিলা।
বিজয়পুৰক গৈয়া চৌপাশে বেঢ়িলা॥ ৭৬১

হেন দেখি মন দুস্থ ভৈলা পৰীক্ষিত।
নৰনাৰায়ণ বাক্য লাগিলা স্মৰিত॥
বোলে পূৰ্বে পিতামহ বাক্যক এৰিলো।
অৱগৰ্ব কৰি বাহিৰবন্ধক মাৰিলোঁ॥ ৭৬২

মোগল সৈন্যৰ হাতত পৰীক্ষিত বন্দী

এতেকেসে কামাখ্যা কৰিলা বিড়ম্বন।
কোনে বুজিবাক পাৰে বিধিৰ ঘটন॥
এহি বুলি পুনৰ্বাৰ বণ নকৰিলা।
আপুনি ওলাই গই বন্দীত পৰিলা॥ ৭৬৩

বঙ্গালে চৌদোলে তুলি বন্দী কৰি লই।
পাৎছাৰ আগত তবে ভেণ্টাইলেক গই॥
পাৎছাৰ আগত ৰাজা খাণ্ডা হৈয়া ৰৈলা।
ৰাজাক দেখিয়া পাৎছা বৰ তুষ্ট ভৈলা॥ ৭৬৪

পাৎছাৰ হুকুমে দিলা দলিচাক পাৰি।
চালাম কৰিয়া বসিলন্ত আগবাঢ়ি॥

পাৎছাৰ মনত বৰ খোচাল ভৈলন্ত।
তেতিক্ষণে সোণোৱালী বণ্টা দিয়াইলন্ত॥ ৭৬৫

পৰম আনন্দে বাক্য বুলিলন্ত পাচে।
সুন্দৰ শৰীৰ খুব মৰ্দ হুয়া আছে॥
পাৎছা বোলে আপুনাৰ মধ্যে এবা দন্দ।
লোকে শুনি তোমাসাক বুলিবেক মন্দ॥ ৭৬৬

বুলিলো নিশ্চয় মোৰ বাক্য সাৰ ধৰা।
কনিষ্ঠ পিতৃক তুমি নমস্কাৰ কৰা॥
ৰাজা বোলে পিতৃ মোৰ হোৱে আপুনাৰ।
বিবোধ ভাৱত নকৰোহো নমস্কাৰ॥ ৭৬৭

দিল্লীৰ পাৎছাহৰ দ্বাৰা লক্ষ্মী-নাৰায়ণ আৰু পৰীক্ষিত-নাৰায়ণৰ ৰাজ্যৰ সীমা নির্ধাৰণ

শুনিয়া পাৎছাৰ বৰ আনন্দিত ভৈলা।
প্ৰশংসিয়া পুনৰ্বাৰ বুলিবাক লৈলা॥
সোণকোষ সীমা কৰি ভুঞ্জা ৰাজ্য যাই।
সমৰন্তি কৰি মঞি দিলোহোঁ বিদাই॥ ৭৬৮

হেন শুনি পৰীক্ষিতে চালাম কৰিলা।
পাৎছাহি টিকাক লৈয়া দেশক লৰিলা॥
তৃতয় মাসৰ পন্থ আসি মন ৰঙ্গে।
মেল কৰিবাক লাগে নবাবৰ সঙ্গে॥ ৭৬৯

নবাবে বোলয় কেনে আইলা পৰীক্ষিত।
কিমতে এৰিলা পাৎছা নাপাইলো নিশ্চিত॥
দিবাক নাপাৰো এৰি আপোন ৰাজ্যক।
কমনে আসিলা মোত বতাউক বাক্যক॥ ৭৭০

পৰীক্ষিতে বোলে মঞি আনিছো প্রমাণ।
শীঘ্র কৰি নবাবে দিয়োক মেল দান ॥
শুনিয়া নবাব মেলে বসিলেক যাই।
পৰীক্ষিতে ছবি পত্র দিলন্ত দেখাই ॥ ৭৭১

নবাবেয়ো ছবি দেখি নমস্কাৰ কৈলা।
সভাক বিসর্জি অভ্যন্তৰে চলি গৈলা ॥
বোলে পৰীক্ষিত নৃপতিক নেদোঁ এবি।
সভাৰ মধ্যত মোক কেনে লাজ কৰি ॥ ৭৭২

পাৎছাৰ লাগিয়া লিখা পত্র কৰি দিলা।
কেনে ব্যাঘ্র পৰীক্ষিত ৰাজাক মেলিলা ॥
এহি জানি পৰীক্ষিতক এবি নেদিবন্ত।
এবি দিলে পুনর্বাৰ অনর্থ হৈবন্ত ॥ ৭৭৩

এবি নেদে দেখি ৰাজা থিৰ কৰি মন।
হস্তীনাপুৰক পুনু কৰিলা গমন ॥
পন্থত চলন্তে এক কাপালীকে পাই।
বোলে দেখোঁ উদয়ৰ পাৎছা অস্ত যাই ॥ ৭৭৪

বোলে মহাৰাজা তুমি যাহা কি কাৰণ।
পক্ষেক অন্তৰে তব হুইবেক মৰণ ॥
ৰাজা বোলে মোৰ মৃত্যু জানিলি কি মতে।
কাপালীকে বোলে পাই তযু কপালতে ॥ ৭৭৫

মোহোৰ কথাত যদি নযাহা প্রমাণ।
কহোঁ তেবে ভূত ভবিষ্যত বর্তমান ॥

তিনিও কালৰ কহিলন্ত কথাচয়।
তবে নৃপতিৰ মনে ভৈলন্ত প্রত্যয় ॥ ৭৭৬

লভিলন্ত ৰাজা যদি কথাৰ প্রমাণ।
তেতিক্ষণে কনক অঞ্জলী দিলা দান ॥
দেৱীক স্মৰিয়া ৰাজা মনে শুদ্ধ ভৈলা।
গৃহক নাসিয়া প্রয়াগক চলি গৈলা ॥ ৭৭৭

পৰীক্ষিতৰ মৃত্যু

প্রয়াগ তীর্থত স্নানি কায় শুদ্ধ কৰি।
চিন্তিবে লাগিল যিতো পৰম ঈশ্বৰী ॥
দেৱীৰ চৰণ ৰাজা চিন্তি হৃদয়ত।
কৰিলন্ত তনু ত্যাগ প্রয়াগ তীর্থত ॥ ৭৭৮

শুক্ল হংসৰূপে চলি কৈলাসক গৈয়া।
পৰিষদ হৈয়া তৈতে আনন্দতে ৰৈলা ॥
সংক্ষ্যেপে পদৰ কথা এহি মানে থওঁ।
যি কৰিলা বলি ৰাজা তাক আবে কওঁ ॥ ৭৭৯

বলিনাৰায়ণ

যেহি দিনা ৰাজাক বঙ্গালে নিলা ধৰি।
ৰৈল বলিনাৰায়ণ মনে দুখ কৰি ॥
মন্ত্রী সমে আলোচিয়া হুয়া এক ঠাই।
বোলে ইদেশত থাকিবাৰ যোগ্য নাই ॥ ৭৮০

সাধু মহাজন পাইক মন্ত্রী সব লই।
ৰঘুদেৱ ৰাজাৰ ছয় কুড়ি মহাদই ॥
আপোনাৰ পুত্র পৰিয়াল সমন্বিতে।
সমস্তকে লৈলা ৰাজা নথাকিবে চিতে ॥ ৭৮১

বঙ্গালত নথাকয় মান যে মর্য্যাদ।
কামৰূপে চলি গৈলা ভাবিয়া প্রমাদ ॥
দৰঙ্গ দেশত ৰৈলা মনিয়ৰী গ্রাম।
বড়ভুঁয়া গৃহে পাচে কৰিলা বিশ্রাম ॥ ৭৮২

দৰঙ্গৰ ৰৰভুঞাৰ গৃহত এবছৰ বলিনাৰায়ণৰ বিশ্রাম

এক বর্ষ থাকিলন্ত ভুঁয়াৰ গৃহত।
পাচে এক কার্য্য ৰাজা আলোচি মনত ॥
বোলে স্বর্গ নৃপতিক ভেণ্টো আমি যাই।
আত পৰে আন কিছু নেদেখোঁ উপাই ॥ ৭৮৩

পাত্র মন্ত্রী সমন্বিতে চলিলা নৌকাত।
স্বর্গ নৃপতিৰ স্থানে ভৈলন্ত সাক্ষাত ॥
স্বর্গনাৰায়ণ ৰাজা দেখিলা যেখন।
আগবাঢ়ি আলিঙ্গিয়া ধৰিলা তেখন ॥ ৭৮৪

আহোম স্বর্গদেৱৰ লগত বলিনাৰায়ণৰ সাক্ষাৎ

ভাই ৰাজা বুলি পাচে কুশল পুছিলা।
পাচে বলিনাৰায়ণে সমস্তে কহিলা ॥
মাথা চপৰান্তে নমস্কাৰ কৰিবাক।
ছিগিলেক জটা ৰাজা দেখিলেক তাক ॥ ৭৮৫

দেখি স্বর্গদেৱে সুমবিলা ধর্ম ধর্ম।
নতু দেখি শুনি হেন অদভুত কর্ম
স্বর্গ ৰাজা বোলে তুমি শিৱৰ কুমাৰ।
ইন্দ্রৰ বংশক তুমি কৰা নমস্কাৰ ॥ ৭৮৬

শিৱৰ বংশৰ কথা সাক্ষাতে অমৃত।
শুনা সভাসদ সাৱধান কৰি চিত ॥

সকামী গৃহীৰ জানা নাই আন কাম।
ৰাজা সেবি হবি ভজি বোলা ৰাম ৰাম ॥ ৭৮৭

ছবি

শুনিয়োক মহামতি পাচে স্বর্গ নৰপতি
বোলে ভাই ধর্মনাৰায়ণ।
বঙ্গালক মাবি যাই, কৰতোয়া গঙ্গা পাই
তবে খাণ্ডা কৰিবা ক্ষালন ॥
ৰাজ্য দিলো আজি ধৰি চতুর্দিশে সীমা কৰি,
সত্যে সত্যে কৈলোহো নিচয়।
পূর্বতে ভৈৰবী দেৱী পশ্চিমে কর্তিয়া নদী
যাক সেবি নৰে মুক্ত হয় ॥ ৭৮৮

আহোম স্বর্গদেৱে বলিনাৰায়ণক দৰঙৰ ৰজা পাতে

উত্তৰে গামৰি গিৰি দক্ষিণত পর্বত চিৰি,
এহি চতুর্হদে দিলো ভূমি।
উৎসর্গিলো তিলে কুশে ভুঞ্জিবাহা মহাসুখে
সত্যে সত্যে ভুঞ্জিবাহা তুমি ॥
লাউ যদি তল যাই, উপঙ্গয় শিলাচয়,
তথাপি নলৰে মোৰ বাক।
সাক্ষী হৈবা ধর্মচয় মোৰ বাক্য বৃথা নয়,
যদি শুক্লবর্ণ হৱে কাক ॥ ৭৮৯

মোৰ বংশ পৃথিৱীত থাকে মানে প্রতিনিত
ৰাজ্য কাঢ়ি নলৈবেক কেৱ।
যদি বা কাঢ়িয়া লয় অধর্মত প্রৱর্তয়
তাক দণ্ড কৰিবন্ত দেৱ ॥

বলিনাৰায়ণৰ বিবাহ আৰু যৌতুক স্বৰূপে আহোম স্বর্গ-দেৱৰদ্বাৰা দৰঙ বাজ্য দান

এহি বুলি সোণাৰীৰ কন্যা এটী বিচাৰিয়া
আতি সুলক্ষণা ৰূপৱতী।
কৰিলন্ত সালঙ্কৃতা ৰূপে গুণে আনন্দিতা
বিহা দিলা স্বর্গ নৰপতি ॥ ৭৯০

হস্তী ঘোড়া নৰ দাসী, বস্ত্র অলঙ্কাৰ ৰাশি
মহা মহোৎসৱে উৎসর্গিলা।
গাড়ু পাটি তোলা কৰি হাতে তিল কুশ ধৰি,
দৰঙ্গক যৌতকত দিলা ॥
এক বর্ষ অনন্তৰে স্বর্গদেৱ নৃপবৰে
চ'ৰা নাও দিলা চাৰিখন।
হিলাই নাও সপ্ত জোৰা এক বিংশ নাও কোঢ়া,
পঠাই দিলো ভূপতি প্রধান ॥ ৭৯১

বঙ্গাল মাৰিবে প্রতি পাচে স্বর্গ নৰপতি
উদ্যম কৰিলা গুৰুত্তৰ।
বড়ফুকন ৰাজখোৱা বড়বড়ুৱা হাজৰীকা
বড়া শইকীয়া নিৰন্তৰ ॥
সৈন্য গণি পঢ়ি চাই, আশী সহস্রেক পাই,
বঙ্গাল মাৰিবে আদেশিলা।
অস্ত্র শস্ত্র হিলাই যত ধন ৰত্ন নানামত
ভক্ষ্য ভোজ্য সমস্তকে দিলা ॥ ৭৯২

অসমেও খেদি যাই বঙ্গালক লাগ পাই,
কৰিলন্ত ৰণ ধূমাজয়।
গোঁসানীৰ প্রসাদত অসমৰ উনমত্ত,
বঙ্গালৰ সৈন্য ভৈলা ক্ষয় ॥

বঙ্গালেও ভঙ্গ হৈ থানা এৰি পলাইগৈ
কৰ্তিয়া গঙ্গাৰ হৈলা পাৰ।
অসমেও খেদি যাই কৰতোয়া গঙ্গা পাই
খাণ্ডা সব ধুইলা বাৰম্বাৰ ॥ ৭৯৩

খাণ্ডা পুতি সীমা কৰি অসম আসিলা ফিৰি

* * *

(অসম্পূর্ণ)



MANGALDAI COLLEGE

U11022

MANGALDAI COLLEGE CENTRAL LIBRARY